www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

□ PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক


জীৱনৰ দুটা আটাইতকৈ গুৰুত্বপূৰ্ণ দিন হ'ল আপুনি জন্ম লোৱা দিনটো আৰু কিয় সেইটো গম পোৱা দিনটো। — মাৰ্ক টোৱেইন

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

□ প্ৰথম বছৰ □ সংখ্যা- ২২৭ □ শুকুৰবাৰ □ ২৬ জুন, ২০২৬ চন □ Volume/Year- I □ Issue- 226 □ Friday □ 26th June, 2026 □ Asom Barta, Majuli □ PRGI Reg. No.- ASASS/25/A2361 □ Price- Rs. 10 □ Total Page-8

# জনমূৰি আয়ত অসমৰ স্থান ২৪

## ■ অসমক ধনী কৰিব খেতিৰ বিকল্প নাই ঃ অখিল গগৈ
## ■ জলসিঞ্চনতো পঞ্জাৱৰ তুলনাত পিছ পৰি আছে অসম




**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২৫ জুন ঃ** অসম বিধান সভাৰ চৌহদত আজি এক সংবাদমেল সম্বোধন কৰে শিৱসাগৰৰ বিধায়ক অখিল গগৈয়ে। এই সংবাদমেলত তেওঁ অসমৰ মুখ্যমন্ত্ৰী হিমন্তবিশ্ব শৰ্মা আৰু কৃষি, জলসিঞ্চন মন্ত্ৰী পীযূষ হাজৰিকাক কেইবাটাও গুৰুত্বপূৰ্ণ অনুৰোধ জনায়। অসমক ধনী ৰাজ্য কৰিবলৈ কৃষি খণ্ডত বৈপ্লৱিক পৰিৱৰ্তন অত্যন্ত জৰুৰী বুলি তেওঁ স্পষ্টভাৱে উল্লেখ কৰে। সংবাদমেলত অখিল গগৈয়ে কেইবাটাও পৰিসংখ্যা দাঙি ধৰি অসমৰ অৰ্থনৈতিক অৱস্থাৰ চিত্ৰ উপস্থাপন কৰে। তেওঁ কয় যে মহাৰাষ্ট্ৰৰ জি এছ ডি পি ৪২.৬৭ লাখ কোটি টকা, যি ভাৰতৰ মুঠ উৎপাদনৰ ১৩.৩৫ শতাংশ। অসমৰ জনমূৰি আয় ১, ৭৭, ৬০২ টকা, আনহাতে মহাৰাষ্ট্ৰৰ জনমূৰি আয়p ৩, ৫৪, ২২৫ টকা। গোৱাৰ জনমূৰি আয় ৭ লাখ টকা আৰু ছিকিমৰ ৭, ৮৪, ৯৭০ টকা। ২৮খন ৰাজ্যৰ □ ৬ পৃষ্ঠাত

### বাণিজ্যিক এলপিজিৰ যোগানৰ ক্ষেত্ৰত নিষেধাজ্ঞা প্ৰত্যাহাৰ কেন্দ্ৰৰ

#### পশ্চিম এছিয়াৰ সংকট পৰ্যালোচনা বাল্ক যোগান ৫০ শতাংশলৈ বৃদ্ধি

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৫ জুন ঃ** বাণিজ্যিক চিলিণ্ডাৰৰ যোগানক লৈ এক গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰিছে কেন্দ্ৰীয় চৰকাৰে। শেহতীয়াকৈ পশ্চিম এছিয়াত উদ্ভৱ হোৱা সংকটকালীন পৰিস্থিতিৰ বাবে সাময়িকভাৱে আৰোপ কৰা বিভিন্ন বাধা-নিষেধসমূহৰ পুনৰ্বিচাৰ কৰি চৰকাৰে বাণিজ্যিক ৰন্ধন গেছৰ যোগান আগৰ অৱস্থালৈ ঘূৰাই অনাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। বাণিজ্যিক ব্যৱহাৰৰ বাবে থকা এলপিজি (তৰল পেট্ৰোলিয়াম গেছ)ৰ ওপৰত আৰোপিত নিষেধাজ্ঞা সম্পূৰ্ণৰূপে প্ৰত্যাহাৰ কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰে বাণিজ্যিক এলপিজিৰ যোগান সংকট-পূৰ্ব স্তৰলৈ ঘূৰাই অনাৰ লক্ষ্য লৈ এই পদক্ষেপ গ্ৰহণ কৰে। বাল্ক এলপিজিৰ ক্ষেত্ৰতো চৰকাৰে যোগান বৃদ্ধিৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে। সংকটৰ সময়ত সংকুচিত কৰা বাল্ক এলপিজিৰ যোগান এতিয়া সংকট-পূৰ্বৰ অৱস্থাৰ সৰ্বাধিক ৫০ শতাংশলৈ ঘূৰাই অনা হৈছে। ইয়াৰ দ্বাৰা ডাঙৰ হোটেল, ৰেষ্টুৰেণ্ট আৰু বাণিজ্যিক প্ৰতিষ্ঠানসমূহক কিছু পৰিমাণে ৰাহি প্ৰদান কৰা হ'ব। □ ৬ পৃষ্ঠাত



মাজুলীৰ খহনীয়া অঞ্চল পৰিদৰ্শন মন্ত্ৰী সুশান্ত বড়াগোহাঁইৰ

## মাজুলীক লৈ কোনো আপোচ নহ'ব, ৬ মাহত কামৰ ফলাফল দেখিব মাজুলীবাসীয়ে



**অসম বাৰ্তা, উজনী মাজুলী, ২৫ জুন ঃ** ব্ৰহ্মপুত্ৰৰ ভয়ংকৰ খহনীয়াত জৰ্জৰিত মাজুলীৰ কৰ্দৈগুৰী, কংকুৰ আৰু ভকত চাপৰিৰ বিভিন্ন অঞ্চল আজি পৰিদৰ্শন কৰে ৰাজ্যৰ জলসম্পদ মন্ত্ৰী তথা মাজুলীৰ অভিভাৱক মন্ত্ৰী সুশান্ত বুঢ়াগোহাঁয়ে। খহনীয়াগ্ৰস্ত ৰাইজৰ সৈতে মত-বিনিময় কৰি মন্ত্ৰীগৰাকীয়ে খহনীয়া প্ৰতিৰোধৰ বাবে যুদ্ধকালীন তৎপৰতাৰে কাম কৰাৰ আশ্বাস দিয়ে। সাংবাদিকৰ সন্মুখত মন্ত্ৰী গৰাকীয়ে কয় যে "মাজুলী অসমৰ সাংস্কৃতিক ৰাজধানী। এই স্থানৰ ভূমিৰক্ষা কৰাটো আমাৰ □ ৬ পৃষ্ঠাত

## শিক্ষা ব্যৱস্থাত সংস্কাৰৰ সলনি ব্যৰ্থতাহে উন্মোচিত ঃ গৌৰৱ গগৈ



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৫ জুন ঃ** লোকসভাৰ বিৰোধী উপ-দলপতি তথা অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে বৃহস্পতিবাৰে বিজেপি নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰৰ শিক্ষা ব্যৱস্থাৰ বিৰুদ্ধে তীব্ৰ সমালোচনা উত্থাপন কৰে। নতুন দিল্লীৰ কনষ্টিটিউচন ক্লাবত 'ছাত্ৰো কী গুঞ্জ' শীৰ্ষক পুস্তিকা উন্মোচন কৰি তেওঁ কয় যে ২০১৪ চনত বিজেপি ক্ষমতালৈ অহাৰ পৰা দেশৰ শিক্ষা ব্যৱস্থাত কোনো গুৰুত্বপূৰ্ণ □ ৬ পৃষ্ঠাত

#### প্ৰশ্নকাকত ফাদিল আৰু অনিয়মৰ বিৰুদ্ধে সোচ্চাৰ ঃ কেন্দ্ৰীয় শিক্ষামন্ত্ৰীৰ পদত্যাগৰ দাবী

ৰাজ্যৰ গ্ৰাম্য অৰ্থনীতি সবল কৰিবলৈ কৃষি বিভাগৰ গুৰুত্বপূৰ্ণ 'ইণ্টাৰফেচ বৈঠক'

## মন্ত্ৰী পীযুষ হাজৰিকাৰ নেতৃত্বত সন্মিলন উদ্যান শস্য আৰু জলসিঞ্চন সম্প্ৰসাৰণলৈ গুৰুত্ব



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২৫ জুন ঃ** অসম কৃষি বিশ্ববিদ্যালয় আৰু কৃষি বিভাগৰ যৌথ আয়োজনে আজি অসম প্ৰশাসনিক পদাধিকাৰী মহাবিদ্যালয়ত এখন গুৰুত্বপূৰ্ণ 'ইণ্টাৰফেচ বৈঠক'ৰ আয়োজন কৰে। ৰাজ্যৰ গ্ৰাম্য অৰ্থনীতি সবল কৰাৰ লক্ষ্যৰে এই বৈঠকখনৰ অভিযানত নেতৃত্ব দিয়ে কৃষি, জলসিঞ্চন আৰু সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকাই। এইপ্ৰথম □ ৬পৃষ্ঠাত

## ভাৰতত ২০৩০ চনলৈ ৪৮ বিলিয়ন ডলাৰ বিনিয়োগৰ ঘোষণা আমাজনৰ চিইঅ'ৰ

#### প্ৰধানমন্ত্ৰী মোদীৰ সৈতে বৈঠক; যুৱপ্ৰজন্মৰ বাবে নতুন সুযোগ সৃষ্টিৰ প্ৰতিশ্ৰুতি



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৫ জুন ঃ** বিশ্বৰ অন্যতম বৃহৎ ই-কমাৰ্চ আৰু প্ৰযুক্তি সংস্থা আমাজনৰ মুখ্য কাৰ্যবাহী বিষয়া (CEO) এণ্ডি জেছী সম্প্ৰতি ভাৰত ভ্ৰমণত আছে। আজি নতুন দিল্লীত তেওঁ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে এক গুৰুত্বপূৰ্ণ সাক্ষাৎ কৰে। এই বৈঠকৰ অন্তত তেওঁ এক যুগান্তকাৰী ঘোষণা প্ৰদান কৰে যে কোম্পানীটোৱে অহা ২০৩০ চনৰ ভিতৰত ভাৰতত মুঠ ৪৮ বিলিয়ন ডলাৰ (প্ৰায় ৪.১ লাখ কোটি টকা) বিনিয়োগ কৰিব। বৃহস্পতিবাৰে অনুষ্ঠিত এই সাক্ষাৎকাৰৰ সময়তে আমাজনৰ তৰফৰ পৰা স্পষ্ট কৰা হয় যে ২০২৬ চনৰ পৰা ২০৩০ চনলৈকে এই বিনিয়োগ সম্পন্ন কৰা হ'ব। ইয়াৰ ভিতৰত কৃত্ৰিম বুদ্ধিমত্তা (আৰ্টিফিচিয়েল ইণ্টেলিজেন্স) আৰু ক্লাউড পৰিকাঠামোৰ বাবে পৃথকভাৱে ২১ বিলিয়ন ডলাৰ বিনিয়োগো অন্তৰ্ভুক্ত। ভাৰতৰ AI আৰু ক্লাউড □ ৬ পৃষ্ঠাত

### বাংগালোৰুত মাজুলীৰ পংকজৰ ৰহস্যজনক মৃত্যু

**অসম বাৰ্তা, উজনী মাজুলী, ২৫ জুন ঃ** পেটৰ তাড়নাত ঘৰ এৰি গৈছিল কিন্তু ঘূৰি আহিল নিথৰ দেহা হৈ। বহিঃৰাজ্যত কৰ্মৰত মাজুলীৰ এজন দায়িত্বশীল পিতৃ, মৰমিয়াল স্বামী আৰু একমাত্ৰ পুত্ৰৰ ৰহস্যজনক মৃত্যুৱে আজি সমগ্ৰ ফুলনি অঞ্চলক শোকস্তব্ধ কৰি তুলিছে। ফুলনি আৰক্ষী চকীৰ অন্তৰ্গত ১ নং ফুলনি নেপালীবাৰী গাঁৱৰ গণেশ ছেত্ৰীৰ ৩০ বছৰীয়া □ ৬ পৃষ্ঠাত

## জামিন নাপালে জুবিন গাৰ্গৰ দুই দেহৰক্ষীয়ে

২৩ জুলাইত পুনৰ শুনানি ঃ মহাবীৰ একুৱা খুলিবলৈ উচ্চ ন্যায়ালয়ত আবেদন



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২৫ জুন ঃ** জনপ্ৰিয় সংগীত শিল্পী জুবিন গাৰ্গৰ দুগৰাকী দেহৰক্ষীয়ে আজিও আদালতৰ পৰা জামিন লাভ কৰিব পৰা নাই। তেওঁলোকৰ জামিনৰ আবেদন খাৰিজ কৰি আদালতে আগন্তুক ২৩ জুলাইত পুনৰ শুনানি গ্ৰহণ কৰিব বুলি নিৰ্ধাৰণ কৰিছে। ইফালে, আন এক গুৰুত্বপূৰ্ণ গোচৰত সিদ্ধাৰ্থ শৰ্মাইও আজি ন্যায়ালয়ত সকাহ নাপালে। জুবিন গাৰ্গৰ দেহৰক্ষী দুগৰাকীৰ গোচৰত আদালতে জামিন মঞ্জুৰ কৰা নাই। তেওঁলোকৰ অধিবক্তাই আদালতৰ ওচৰত সময় বিচাৰি আবেদন জনায়। আদালতে এই আবেদন গ্ৰহণ কৰি ২৩ জুলাই তাৰিখে পুনৰ শুনানিৰ বাবে নিৰ্ধাৰণ কৰে। এই সময়ছোৱাত □ ৬ পৃষ্ঠাত

প্ৰসংগ ঃ সত্ৰাধিকাৰ জনাৰ্দন দেৱ গোস্বামীক 'মিঞাৰ এজেণ্ট' আখ্যা


## ভুৱন গাম আৰু দীপক গোস্বামীৰ বিৰুদ্ধে সৰৱ হিন্দু যুৱ-ছাত্ৰ পৰিষদ



**অসম বাৰ্তা, মাজুলী, ২৫ জুন ঃ** নিজৰ ব্যৰ্থতা ঢাকিবলৈ মাজুলী দক্ষিণপাট গৃহাশ্ৰমী সত্ৰৰ অধিকাৰ শ্ৰীশ্ৰী জনাৰ্দন দেৱ গোস্বামীক 'মিঞাৰ এজেণ্ট' বুলি অপমান কৰা মাজুলীৰ বিধায়ক ভুৱন গাম আৰু জিলা সভাপতি দীপক গোস্বামীৰ বিৰুদ্ধে সৰৱ হৈ উঠিছে হিন্দু যুৱ-ছাত্ৰ পৰিষদ, অসম। আজি সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা এটা প্ৰেছ বিবৃতিৰ জৰিয়তে সংগঠনটোৰ কেন্দ্ৰীয় □ ৬ পৃষ্ঠাত

■ ১৪ বছৰৰ পাছত প্ৰথমবাৰৰ বাবে মূল্য সংশোধন ■

## পাছপোৰ্টৰ মাচুল বৃদ্ধি কেন্দ্ৰীয় চৰকাৰৰ




**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৫ জুন ঃ** কেন্দ্ৰীয় চৰকাৰে পাছপোৰ্টৰ মাচুল বৃদ্ধি কৰাৰ এক গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰিছে। প্ৰায় ১৪ বছৰৰ পাছত প্ৰথমবাৰৰ বাবে এই মাচুল সংশোধন কৰা হৈছে। অহা ১ জুলাইৰ পৰা কাৰ্যকৰী হ'বলগীয়া এই নতুন নিৰিখ অনুসৰি সাধাৰণ পাছপোৰ্টৰ বাবে আবেদনকাৰীয়ে এতিয়া ২৫০০ টকা দিব লাগিব, আনহাতে তৎকাল পাছপোৰ্টৰ বাবে খৰচ হ'ব ৫০০০ টকা। □ ৬ পৃষ্ঠাত

## অযোধ্যাৰ ৰাম মন্দিৰৰ দান-বৰঙণি আত্মসাৎ গোচৰত ৮ জনৰ বিৰুদ্ধে এফআইআৰ

এছআইটি তদন্তৰ পৰামৰ্শত গোচৰ ৰুজু; সমাজবাদী পাৰ্টিৰ বিধায়কৰ মুখ্যমন্ত্ৰীৰ পদত্যাগ দাবী

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৫ জুন ঃ** অযোধ্যাৰ ৰাম মন্দিৰত সংগৃহীত দান-বৰঙণি আত্মসাৎ কৰা বুলি অভিযোগ উত্থাপিত হোৱা কেলেংকাৰীৰ গোচৰত অৱশেষত এফআইআৰ ৰুজু কৰা হৈছে। শ্ৰীৰাম জন্মভূমি তীৰ্থ ক্ষেত্ৰ ট্ৰাষ্টৰ অভিযোগৰ ভিত্তিত আৰু এছআইটি তদন্তৰ □ ৬ পৃষ্ঠাত

## জৰুৰীকালীন অৱস্থা আছিল কংগ্ৰেছৰ ক্ষমতাৰ খেলা ঃ দিলীপ শইকীয়া



#### ৫১ সংখ্যক বাৰ্ষিকীত বিজেপিৰ 'ক'লা দিৱস' ১৯৭৫ চনৰ গণতান্ত্ৰিক পতনক স্মৰণ

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২৫ জুন ঃ** ১৯৭৫ চনত জৰুৰীকালীন অৱস্থা জাৰি কৰাক লৈ কংগ্ৰেছৰ বিৰুদ্ধে তীব্ৰ আক্ৰমণ চলাই অসম বিজেপিৰ সভাপতি দিলীপ শইকীয়াই কয় যে কেৱল ৰাজনৈতিক ক্ষমতা অক্ষুণ্ণ ৰাখিবলৈহে কংগ্ৰেছে এই পদক্ষেপ গ্ৰহণ কৰিছিল। জৰুৰীকালীন অৱস্থাৰ ৫১ সংখ্যক বাৰ্ষিকী উপলক্ষে ভাৰতীয় জনতা পাৰ্টীয়ে সমগ্ৰ দেশতে এই দিনটো 'ক'লা দিৱস'ৰূপে পালন কৰে। অসমতো দলটোৰ তৰফৰ পৰা গুৱাহাটীৰ অটল বিহাৰী বাজপেয়ী ভৱনত এক বিশেষ অনুষ্ঠানৰ □ ৫ পৃষ্ঠাত

### জৰুৰীকালীন অৱস্থাত গণতন্ত্ৰৰ পতন ঘটাই স্বৈৰাচাৰিতা প্ৰদৰ্শন কৰা হৈছিল: মুখ্যমন্ত্ৰী

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২৫ জুন ঃ** ভাৰতীয় জনতা পাৰ্টিৰ ৰাজ্যিক শাখাই আজি শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰীদামোদৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত ১৯৭৫ চনৰ জৰুৰীকালীন অৱস্থাৰ ৫১ সংখ্যক বাৰ্ষিকী উপলক্ষে 'ক'লা দিৱস' পালন কৰে। এই অনুষ্ঠানত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই □ ৬ পৃষ্ঠাত

মৃত্যু আৰু পদ্মভূষণ বঁটা সম্পৰ্কীয় ভুৱা বাতৰিয়ে সৃষ্টি কৰিলে বিভ্ৰান্তি

## সামাজিক মাধ্যমৰ অপপ্ৰচাৰত ক্ষুব্ধ বিষ্ণু খাৰঘৰীয়া



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৫ জুন ঃ** সামাজিক মাধ্যমত চলা অপপ্ৰচাৰে আজিকালি বহুজনক মানসিকভাৱে ক্ষতিগ্ৰস্ত কৰি তুলিছে। ভুৱা বাতৰিৰ জালত পৰি বহু বিশিষ্ট ব্যক্তিয়ে অহৰহ বিড়ম্বনাৰ সন্মুখীন হ'ব লগা হৈছে। এনেয়ে এক অবান্তৰ অপপ্ৰচাৰৰ বলি হৈছে আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন অভিনেতা বিষ্ণু খাৰঘৰীয়া। শেহতীয়াকৈ সামাজিক মাধ্যমত অভিনেতাগৰাকীৰ মৃত্যুৰ লগতে তেওঁক পদ্মভূষণ বঁটা প্ৰদান কৰা বুলি উতপাতধৰ্মী খবৰ ৰটাই তেওঁক মানসিকভাৱে অস্থিৰ কৰি তোলা হৈছে। বুধবাৰে পুৱাৰ পৰা ফেচবুকত এটা খবৰ বজ্ৰপাতৰ দৰে ভাইৰেল হৈ পৰে যে বিষ্ণু খাৰঘৰীয়াক পদ্মভূষণ বঁটা প্ৰদান কৰা হৈছে। এই ভুৱা খবৰে অভিনেতাগৰাকীৰ অনুষ্ঠান-অনুৰাগী আৰু শুভাকাংক্ষীসকলক উৎফুল্ল কৰি তোলে। বহু লোকে অভিনেতাগৰাকীৰ অভিনয়-প্ৰতিভাৰ স্বীকৃতিৰূপে এই বাতৰিক আদৰি তেওঁলৈ অভিনন্দন জনায় আৰু সুখবৰটোৰ সত্যতা জানিবলৈ যোগাযোগ কৰে। কিন্তু এই আনন্দৰ মাজতে আন একাংশই অভিনেতাগৰাকীৰ মৃত্যু হোৱা বুলি ভয়ংকৰ অপপ্ৰচাৰ □ ৬ পৃষ্ঠাত



# ভেৰগাঁও মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ অষ্টম দ্বি-বাৰ্ষিক অধিৱেশন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ২৫ জুন ঃ** ওদালগুৰি জিলাৰ ভেৰগাঁও মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ অষ্টম দ্বি-বাৰ্ষিক অধিৱেশন। কলাইগাঁও শিক্ষা মণ্ডলৰ অন্তৰ্গত কেন্দ্ৰ সমূহৰ উদ্যোগত ২৭ জুন শনিবাৰে বৰ্ণাঢ্য কাৰ্যসূচীৰে কলাইগাঁৱৰ শ্বহীদ নাৰ্জাৰী ভৱন অনুষ্ঠিত হ'ব। উক্ত অধিৱেশনত ভেৰগাঁও মহকুমাৰ অন্তৰ্গত প্ৰতিটো কেন্দ্ৰৰ শিক্ষক-শিক্ষয়ত্ৰী সকলৰ উপৰিও বহুকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকিব বুলি জানিব দিয়ে ভেৰগাঁও মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ সভাপতি কুশেশ্বৰ নাথ, সম্পাদক ফুকন চন্দ্ৰ নাথ আৰু আদৰণী সমিতিৰ সভাপতি দিগন্ত বৰুৱা সম্পাদক মুকুট চন্দ্ৰ বড়োই। শিক্ষক সন্মিলনীৰ অষ্টম দ্বি-বাৰ্ষিক অধিৱেশনৰ কাৰ্যসূচী অনুসৰি ২৭ জুন শনিবাৰে ৰাতিপুৱা ৭.৩০ বজাত প্ৰতিনিধিৰ নাম পঞ্জীয়ন, ৮ বজাত ভেৰগাঁও মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ পতাকা উত্তোলন কৰিব সভাপতি কুশেশ্বৰ নাথে, ৮.৩০ বজাত স্মৃতি তৰ্পন কৰিব আদৰণী সমিতিৰ সভাপতি দিগন্ত বৰুৱাই, ৯ বজাত ভূপেন হাজৰিকা আৰু অসমৰ হাৰ্টথ্ৰব জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি আৰু মাল্যাৰ্পণ কৰিব ভেৰগাঁও মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ ৰাজ্যিক সদস্যা লিপিকা ডেকা, আৰু সীতা ৰাভাই। ৯.৩০ বজাত প্ৰতিনিধি আৰু বিষয় বাছনি সভা উদ্বোধন কৰিব ভেৰগাঁও মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ প্ৰাক্তন সম্পাদক শৰৎ চন্দ্ৰ বড়োৱে উক্ত অনুষ্ঠানৰ পৰ্যবেক্ষক কৰিব অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ মণ্ডল সমন্বয়ক বিবেকানন্দ সৰকাৰে। আবেলি ১.৩০ বজাত মুকলি সভা উদ্বোধন কৰিব কলাইগাঁও ৰাজহ চক্ৰৰ চক্ৰ বিষয়া ডাঃ প্ৰিয়ংকা বণিয়াই। মুকলি সভা উদ্বোধন কৰাৰ পিছতেই অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ তত্ত্বাৱধানত অনুষ্ঠিত হোৱা প্ৰজ্ঞান প্ৰতিভা সন্ধানী বৃত্তি পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰী সকলক সম্বৰ্ধনা জ্ঞাপন কৰিব। মুকলি সভাত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকিব অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ উপ-সভাপতি ত্ৰিদীপ বৰুৱা, মুখ্য অতিথি হিচাপে উপস্থিত থাকিব ওদালগুৰি জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক ভবেন দেউৰী। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব নৱগঠিত টংলা বিধানসভা সমষ্টিৰ বিধায়ক বিকন চন্দ্ৰ ডেকা, ভেৰগাঁও বিধানসভা সমষ্টিৰ বিধায়ক মহেশ্বৰ বড়ো, ভেৰগাঁও মহকুমা বিদ্যালয়ৰ উপ-পৰিদৰ্শক বৰ্মন তেৰণ, খৈৰাবাৰী প্ৰাথমিক শিক্ষা খণ্ডৰ শিক্ষা বিষয়া ভূমিধৰ বড়ো, ওদালগুৰি প্ৰাথমিক শিক্ষা খণ্ডৰ শিক্ষা বিষয়া ড° সোণামাইনাও বড়ো। আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকিব ওদালগুৰি মহকুমা বিদ্যালয় সমূহৰ উপ-পৰিদৰ্শক পিটাৰ চৌধুৰী, ভেৰগাঁও মহকুমা পৰীক্ষা পৰিষদৰ প্ৰাক্তন সভাপতি কদম চন্দ্ৰ নাথকে ধৰি সদৌ অসম ছাত্ৰ সন্থা, কলাইগাঁও আঞ্চলিক সমিতি, নিখিল বড়ো ছাত্ৰ সন্থা, যুৱ ছাত্ৰ পৰিষদ, ৰাভা ছাত্ৰ সন্থাৰ লগতে বিভিন্ন দল-সংগঠনৰ সভাপতি -সম্পাদক সকল। সেয়েহে উক্ত দিনৰ সমূহ কাৰ্যসূচীত সমূহ ৰাইজৰ সহায় সহযোগিতা তথা উপস্থিতি আন্তৰিকতাৰে কামনা কৰিছে।

# ডুমডুমাৰ বৰহাপজানত আৰক্ষীৰ বৃহৎ অভিযান

## ১৭ লক্ষাধিক নগদ ধন, সোণ-ৰূপ, বাহন জব্দ; তিনি সুদখোৰ আৰু সমবায় বিভাগৰ দুই বিষয়াক গ্ৰেপ্তাৰ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ২৫ জুন ঃ** ডুমডুমা আৰক্ষী থানাৰ অন্তৰ্গত বৰহাপজান অঞ্চলত আৰক্ষীয়ে চলোৱা এক বৃহৎ অভিযানত অবৈধভাৱে সুদৰ ব্যৱসায় চলাই থকা তিনিজন লোকৰ লগতে এই ঘটনাৰ লগত জড়িত তিনিচুকীয়া জিলাৰ সমবায় বিভাগৰ দুজন চৰকাৰী বিষয়াক গ্ৰেপ্তাৰ কৰা ঘটনাই সমগ্ৰ জিলাখনতে চাঞ্চল্যৰ সৃষ্টি কৰিছে। ঘটনাৰ বিষয়ে ডুমডুমা সম জিলাৰ আৰক্ষী অধীক্ষক দিগন্ত দত্তই জানিবলৈ দিয়া অনুসৰি তিনিচুকীয়া জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক মায়ং কুমাৰৰ নিৰ্দেশত যোৱা ২২ জুনৰ নিশা প্ৰায় ১০ বজাত এক নিৰ্দিষ্ট সূত্ৰৰ আধাৰত ডুমডুমা সম জিলা আৰক্ষী অধীক্ষক দিগন্ত দত্তৰ নেতৃত্বত যোৱা এটা আৰক্ষীৰ দলে বৰহাপজান নতুন বজাৰৰ নূৰ খান, প্ৰমোদ কুমাৰ চাহু আৰু আতুশ কুমাৰ গুপ্তাৰ বাসগৃহত অভিযান চলায়। এই লোককেইজনে বহুদিন ধৰি অত্যধিক হাৰত সুদ আদায় কৰাৰ লগতে ঋণ পৰিশোধ কৰিব নোৱাৰা লোকৰ সম্পত্তি বলপূৰ্বকভাৱে হস্তগত কৰি অহাৰ অভিযোগত আৰক্ষীয়ে এই অভিযান চলায়। এই অভিযানত আৰক্ষীয়ে নগদ ১৭, ৫৭, ৪৬০ টকা, ৪১২.৭১ গ্ৰাম সোণৰ অলংকাৰ, ৩০২ গ্ৰাম ৰূপৰ অলংকাৰ, ১৯টা ম'বাইল ফোনৰ লগতে মহিন্দ্ৰা স্কৰপিঅ', এ'ইউভি ৭০০, হুণ্ডাই ভাৰ্ণা আৰু ৬খন দুচকীয়া বাহন আৰক্ষীয়ে জব্দ কৰে। ইয়াৰ উপৰিও নগদ ধনৰ হিচাপ ৰখা বহী, ৰেজিষ্টাৰ আৰু বহুকেইখন বেংক পাচবুকসহ বহু আপত্তিজনক নথি-পত্ৰ উদ্ধাৰ কৰে। ইয়াৰ পাছতেই তিনিওগৰাকীকে আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। উল্লেখযোগ্য যে, এই ঘটনাৰ সৈতে জড়িত থকাৰ অভিযোগত আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা মূল অভিযুক্ত নূৰ খান, প্ৰমোদ কুমাৰ চাহু আৰু আতুশ কুমাৰ গুপ্তাক জেৰা কৰাৰ সময়ত দিয়া স্বীকাৰোক্তিৰ ভিত্তিত আজি তিনিচুকীয়া জিলাৰ সমবায় সমিতিসমূহৰ সহকাৰী পঞ্জীয়ক তচিল চন্দ্ৰ পাতিৰ আৰু সহকাৰী পঞ্জীয়কৰ কাৰ্যালয়ৰ উচ্চবৰ্গৰ সহায়ক মতিউৰ ৰহমানক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। এই সন্দৰ্ভত ইতিমধ্যে ডুমডুমা আৰক্ষী থানাত ভাৰতীয় ন্যায় সংহিতাৰ লগতে অসম ধন ধাৰ দিওঁতা আইন (১৯৩৪) আৰু অসম মাইক্ৰ'ফাইনেন্স প্ৰতিষ্ঠান (নিয়ন্ত্ৰণ) আইন, ২০২০-ৰ বিভিন্ন ধাৰাৰ অধীনত ৯৪/২০২৬ নম্বৰত এটি গোচৰ ৰুজু কৰা হৈছে আৰু অভিযুক্তসকলৰ বিৰুদ্ধে আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে আৰু পৰৱৰ্তী সময়ত এনে ঘটনাৰ লগত কোন কোন জড়িত হৈ আছে বা কিমান দিনৰ পৰা এই চক্ৰটো সক্ৰিয় হৈ আছিল সেয়া পোহৰলৈ আহিব বুলি আৰক্ষীয়ে জানিবলৈ দিছে।

# ৩, ৪ জুলাইত যোৰহাট জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ অধিৱেশন

**অসম বাৰ্তা, পশ্চিম যোৰহাট, ২৫ জুন ঃ** যোৰহাট জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ ৬১ সংখ্যক দ্বি-বাৰ্ষিক অধিৱেশন যোৰহাট খণ্ড প্ৰাথমিক শিক্ষক সন্মিলনীৰ উদ্যোগত পশ্চিম যোৰহাটৰ কলা গাঁৱৰ দীন দত্ত স্মৃতি ক্ষেত্ৰৰ দীন দত্ত আদৰ্শ প্ৰাথমিক বিদ্যালয় প্ৰাংগণত ৩, ৪ জুলাইত অনুষ্ঠিত হ'ব। মাণিক বৰাক সভাপতি, হৰেন চন্দ্ৰ বৰাক সম্পাদকৰূপে লৈ গঠন কৰা উদযাপন সমিতিখনে ব্যাপক প্ৰস্তুতি চলাইছে। ৩ জুলাইৰ পুৱা মাণিক বৰাই গছপুলি ৰোপণ কৰাৰ পাছতে পতাকা উত্তোলন কৰিব জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ সভাপতি ত্ৰিদিব বৰুৱাই। লগতে খণ্ড আৰু শাখা সন্মিলনীৰ পতাকাও উত্তোলন কৰা হ'ব। বন্তিপ্ৰজ্বলন কৰিব স্থানীয় ধনেশ্বৰ বৰাই। স্মৃতি তৰ্পণ কৰিব প্ৰাঞ্জল বৰা আৰু পুণ্যেশ্বৰ বৰাই। শিক্ষাৰ্থীসকলৰ অংশগ্ৰহণেৰে ১০ বজাৰপৰা অনুষ্ঠিত হ'বলগীয়া চিত্ৰাংকন প্ৰতিযোগিতাৰ শুভাৰম্ভ কৰিব স্থানীয় উপেন বৰাই। প্ৰতিনিধিসকলৰ নাম পঞ্জীয়ন, জিলা সন্মিলনীৰ অন্তিম কাৰ্যনিৰ্বাহক সভাখনৰ পাছতে দিনৰ ১ বজাৰপৰা প্ৰতিনিধি আৰু বিষয় বাছনি সভা অনুষ্ঠিত হ'ব। শুভাৰম্ভ কৰিব ভবকান্ত গগৈয়ে। পৰ্যবেক্ষকৰূপে পৰেশ বৰাই অংশগ্ৰহণ কৰিব। সন্ধিয়া বিপুল শইকীয়াই বন্তিপ্ৰজ্বলন কৰাৰ পাছতে প্ৰথম দিনৰ কাৰ্যসূচী সমাপন হ'ব। ৪ জুলাইৰ পুৱা ৮ বজাত বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা শুভাৰম্ভ কৰিব পংকজ বৰুৱাই। ১০ বজাৰপৰা পুৰণি-নতুন শিক্ষক-শিক্ষয়িত্ৰীসকলৰ অন্তৰংগ আলাপ ৰমেন শৰ্মাই পৰিচালনা কৰিব। শুভাৰম্ভ কৰিব জয়ন্ত হাজৰিকাই। দিনৰ ১১-৩০ বজাত বিদ্যালয়সমূহৰ পৰিদৰ্শন বুলি গগৈ ভূঞাই উদ্বোধন কৰিবলগীয়া মুকলি সভাত সভাপতিত্ব কৰিব ত্ৰিদিব বৰুৱাই। অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ প্ৰধান সম্পাদক ৰাতুল চন্দ্ৰ গোস্বামীয়ে নিৰ্দিষ্ট বক্তাৰ ভাষণ আগবঢ়াবলগীয়া সভাখনত বিধায়ক হিতেন্দ্ৰনাথ গোস্বামী, ৰূপজ্যোতি কুৰ্মী, বিকাশ শইকীয়া, ধীৰাজ গোৱালা, ড° মৃদুল কুমাৰ দত্ত, অতিৰিক্ত আয়ুক্ত (শিক্ষা) মগেন নৰহে বিশেষ আমন্ত্ৰিত অতিথি হিচাপে অংশগ্ৰহণ কৰাৰ কথা। অসম উচ্চতৰ মাধ্যমিক শিক্ষক সন্থাৰ সভাপতি প্ৰণৱ বৰুৱা, অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ উপ-সম্পাদক শৈলেন কলিতা বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰিবলগীয়া সভাখনত উপ-পৰিদৰ্শক সজাগজ্যোতি বৰুৱা, খণ্ড প্ৰাথমিক শিক্ষা বিষয়া ৰাখী চাহু, মনোজ বৰুৱা, যদুমণি চেতিয়া, দীপা কোঁৱৰ, যোৰহাট জিলা পৰিষদৰ স্থানীয় সদস্য মামণ দেৱী, স্থানীয় গাঁও পঞ্চায়তৰ সভাপতি অৰূপ বৰা, যোৰহাট জিলা হাইস্কুল শিক্ষক সন্থাৰ সভাপতি গোবিনচন্দ্ৰ ভূঞা, যোৰহাট জিলা মধ্য ইংৰাজী শিক্ষক সংস্থাৰ সভাপতি তৰুণ চন্দ্ৰ দাস, মজলীয়া বিদ্যালয় শিক্ষক সন্থাৰ সভাপতি ৰমেন গগৈ, বুনিয়াদী বিদ্যালয় শিক্ষক সন্থাৰ সভাপতি জ্যোতিপ্ৰসাদ বৰা, জিলা মাধ্যমিক শিক্ষক সন্থাৰ সভাপতি ত্ৰৈলোক্য শৰ্মাই নিমন্ত্ৰিত অতিথিৰূপে অংশগ্ৰহণ কৰিব। মুকলি সভাতে অধিৱেশন উপলক্ষে প্ৰকাশিত স্মৃতিগ্ৰন্থ উন্মোচন কৰাৰ লগতে প্ৰতিযোগিতাত স্থান প্ৰাপ্তসকলক পুৰস্কাৰ প্ৰদান কৰিব। জিলা প্ৰাথমিক শিক্ষক সন্মিলনী, খণ্ড প্ৰাথমিক শিক্ষক সন্মিলনী আৰু উদযাপন সমিতিৰ সৈতে জড়িতসকলে ৰাইজৰ সহায়-সহযোগিতা আৰু উপস্থিতি কামনা কৰিছে।

# ৰহা আৰক্ষী থানা উদ্যোগত ৰহা জোঙালবলহু গড় শ্বহীদ স্মৃতি উচ্চ মাধ্যমিক বিদ্যালয়ত ড্ৰাগছৰ বিৰুদ্ধে সজাগতা সভা অনুষ্ঠিত



**অসম বাৰ্তা, ৰহা, ২৫ জুন ঃ** আজি ৰহা জোঙালবলহু গড় শ্বহীদ স্মৃতি উচ্চ মাধ্যমিক বিদ্যালয়ত ৰহা আৰক্ষী থানা উদ্যোগত ড্ৰাগছ, শিশু বিবাহ, ট্ৰাফিক নিয়ম মানি চলা আৰু স্থানীয় চুলাই বিৰুদ্ধে ছাত্ৰছাত্ৰী সকলক এক সজাগ সচেতন কৰিবলৈ এখনি সচেতনতা সভা অনুষ্ঠিত হৈ যায়। ৰহা জোঙালবলহু গড় শ্বহীদ স্মৃতি উচ্চ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ নলীন কুমাৰ হাজৰিকা ই আত ধৰা অনুষ্ঠানত সমজিলা ৰহাৰ আৰক্ষী অধীক্ষক সোণমণি শইকীয়া, ৰহা আৰক্ষী বিষয়া জ্যোতিষ কুমাৰ নাথ, সদৌ নগাঁও জিলা ছাত্ৰ সন্থাৰ উপ সভাপতি সঞ্জয় কুমাৰ কাকতি, ৰহা আঞ্চলিক ছাত্ৰসন্থাৰ সম্পাদক ভাৰত বৰুৱা, শিক্ষক নৱজ্যোতি ভূঞা লগতে ৰহা আঞ্চলিক ছাত্ৰ সন্থাৰ সদস্য সকল আৰু বিদ্যালয়ৰ শিক্ষক শিক্ষয়িত্ৰী সকলক উপস্থিত থাকে। এই সচেতন মূলক অনুষ্ঠানত সমজিলা ৰহাৰ আৰক্ষী অধীক্ষক সোণমণি শইকীয়া, ৰহা আৰক্ষী বিষয়া জ্যোতিষ কুমাৰ নাথ আৰু সদৌ নগাঁও জিলাৰ ছাত্ৰসন্থা ৰ উপসভাপতি সঞ্জয় কুমাৰ কাকতিয়ে নিচাযুক্ত দ্ৰব্যৰ ভয়াবহতাৰ ওপৰত বহুমূলীয়া বক্তব্য আগবঢ়াই ছাত্ৰ-ছাত্ৰী সকলক সজাগ সচেতনতাৰ বাবে নানা বুজনি প্ৰদান কৰে। ৰহা আৰক্ষী বিভাগৰ এই কৰ্ম সকলোৰে ধন্যবাদ জনোৱা লগতে শলাগ জ্ঞাপন কৰিছে।

# ডিব্ৰুগড়ত সোণোৱাল কছাৰী সাহিত্য সভাৰ তিনি লেখকক সম্বৰ্ধনা

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২৫ জুন ঃ** বিগত বৰ্ষৰ দৰে এই বাৰো নিয়মীয়া কাৰ্যসূচী অনুসৰি সোণোৱাল কছাৰী সাহিত্য সভাই দিনযোৱা কাৰ্যসূচীৰে বিষ্ণুপ্ৰসাদ ৰাভা দিৱস উদ্‌যাপন কৰে ডিব্ৰুগড় জিলাৰ নাহৰকটীয়া চাচনীস্থিত দীঘলীবিল উচ্চ মাধ্যমিক বিদ্যালয়ত। সংগঠনটোৰ ডিব্ৰুগড় জিলা সমিতি আৰু চাচনী শাখা তথা স্থানীয় ৰাইজৰ সহযোগত আয়োজিত এই দিৱসৰ মুকলি সভাত চাচনী অঞ্চলৰ অৱসৰী শিক্ষক তথা দহখনকৈ গ্ৰন্থৰ প্ৰণেতা নৱকান্ত শইকীয়া আৰু সোণোৱাল জনজাতিৰ কথিত ভাষাৰ বিশিষ্ট লেখিকা সূৰ্যকান্তি বড়া (হিড়িম্বা)ক অংগবস্ত্ৰ, গ্ৰন্থৰ টোপোলা, স্মাৰক আৰু মানপত্ৰৰে সন্মানিত কৰা হয়। ইয়াৰে ডিব্ৰু কলেজৰ গল্প প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ গল্পকাৰ, নৱপ্ৰজন্মৰ লেখক লোহিত মাণিকীয়াল সভাত অনুপস্থিত থাকে। সোণোৱাল কছাৰী সাহিত্য সভাৰ সভাপতি মোহন সোণোৱালৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত বিষ্ণুপ্ৰসাদ ৰাভৰ জীৱন-কৃতি আৰু সাম্প্ৰতিক সময়ত ইয়াৰ প্ৰাসংগিকতা আদি ভিন্ন দিশ সামৰি বক্তব্য আগবঢ়ায় নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থকা মনোহাৰী দেৱী কানৈ মহিলা মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক ড° বলিন সন্দিকৈ আৰু আমন্ত্ৰিত অতিথি তথা শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক ড° মেদিনী হাজৰিকাই। সভাৰ প্ৰকাশন সচিব ৰতন হাজৰিকাই আঁতধৰা সভাখনিৰ উদ্দেশ্য আৰু সাহিত্য সভাৰ কাম-কাজ সম্বলিত বিষয়ক বক্তব্য আগবঢ়ায় মুখ্য সম্পাদক মৃদুল সোণোৱালে। অভ্যৰ্থনা সমিতিৰ সভাপতি শৰৎ সোণোৱালে আদৰণী ভাষণ প্ৰদান কৰা সভাত সোণোৱাল কছাৰী জাতীয় পৰিষদৰ প্ৰধান সচিব চন্দন সোণোৱাল, সোণোৱাল কছাৰী কালচাৰেল ছ'চাইটিৰ মুখ্য সচিব ভক্তিপ্ৰসাদ সোণোৱাল, চাচনী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰী অধ্যক্ষ ভৱেশ সোণোৱাল, নাহৰকটীয়া কলেজৰ অধ্যাপক ড° পৰেশ খনিকৰ, সোণোৱাল কছাৰী সাহিত্য সভাৰ উপ-সভাপতি ড° লব ৰাম সোণোৱাল, মণিদীপা লালোৱাৰী, সুমন্ত বড়া, সম্পাদক ড° তুলসী সোণোৱাল, প্ৰশান্ত বড়া, সাংস্কৃতিক সম্পাদক মহানন্দ সোণোৱালৰ লগতে কেন্দ্ৰীয় সমিতিৰ সদস্যবৃন্দ, স্থানীয় বহুজন বিশিষ্ট ব্যক্তিসহ তিনি শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। মুকলি সভাৰ পূৰ্বে ৰাভাৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাৰ্ঘ্য অৰ্পণ কৰে সভাপতি মোহন সোণোৱাল আৰু জিলা সমিতিৰ সভাপতি দিব্য সোণোৱালে। শিক্ষাৰ্থীৰ মাজত আয়োজন কৰা চিত্ৰাংকন, বিষ্ণু ৰাভা সম্পৰ্কীয় বক্তৃতা আৰু বিষ্ণুৰাভা সংগীত গায়ন প্ৰতিযোগিতা মুকলি কৰে দীঘলীবিল উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক জটিল নাহৰডেকাই। লগতে শিক্ষাৰ্থীসকলক উদ্দেশ্যি এক সাৰুৱা বক্তব্য আগবঢ়ায় সভাৰ উপসভাপতি ড° লব ৰাম সোণোৱালে।

# ডিব্ৰুগড়ত চৰকাৰে ব্যক্তিগত চিকিৎসালয়ত ডায়েলাইছিছৰ ক'ভাৰ বন্ধ কৰাৰ সিদ্ধান্তৰ বিৰুদ্ধে ৰোগীৰ তীব্ৰ প্ৰতিবাদ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২৫ জুন ঃ** ৰাজ্য চৰকাৰে ১ জুলাইৰ পৰা ব্যক্তিগত তালিকাভুক্ত চিকিৎসালয়সমূহত নগদবিহীন ডায়েলাইছিছ সেৱাৰ ক'ভাৰ প্ৰত্যাহাৰ কৰাৰ সিদ্ধান্ত লোৱাৰ পিছতে শতাধিক ডায়েলাইছিছ ৰোগী, তেওঁলোকৰ আত্মীয়- স্বজন আৰু স্থানীয় লোকে অসম চিকিৎসা মহাবিদ্যালয়ৰ সন্মুখত পথ অৱৰোধ কৰি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। ৰাজ্য চৰকাৰৰ এক অধিসূচনাক কেন্দ্ৰ কৰি এই প্ৰতিবাদৰ সূচনা হয়। নতুন নিৰ্দেশনা অনুসৰি, ব্যক্তিগত চিকিৎসা প্ৰতিষ্ঠানসমূহত আয়ুষ্মান ভাৰত- প্ৰধানমন্ত্ৰীজন আৰোগ্য যোজনা আৰু আয়ুষ্মান অসম-মুখ্যমন্ত্ৰীজন আৰোগ্য যোজনাৰ অধীনত দীৰ্ঘম্যাদী হেমোডায়েলাইছিছ, তৎকালীন হেমোডায়েলাইছিছ, স্থায়ী টানেল্ড কেথেটাৰ স্থাপন আৰু পেৰিটোনিয়েল ডায়েলাইছিছৰ সুবিধা বন্ধ কৰা হ'ব। প্ৰতিবাদকাৰীসকলে অভিযোগ কৰে যে এই নীতি পৰিৱৰ্তনৰ ফলত চৰকাৰী চিকিৎসালয় সমূহত ৰোগীৰ অত্যধিক চাপ পৰিব, যিহেতু সেইসমূহত ইমান সংখ্যক ৰোগীক সেৱা আগবঢ়োৱাৰ পৰ্যাপ্ত ব্যৱস্থা নাই। প্ৰতিবাদকাৰীসকলৰ মতে, সমগ্ৰ অঞ্চলটোৰ মুখ্য তৃতীয় স্তৰৰ চিকিৎসা কেন্দ্ৰ অসম চিকিৎসা মহাবিদ্যালয়ত বৰ্তমান মাত্ৰ ১২টা ডায়েলাইছিছ মেচিন আছে। প্ৰতিবাদত অংশগ্ৰহণ কৰা এজন ৰোগীয়ে কয়, "এই সিদ্ধান্তৰ ফলত বহু দৰিদ্ৰ কিডনী ৰোগীয়ে মৃত্যুমুখত পৰিব।" আন এজন প্ৰতিবাদকাৰীয়ে কয় তেওঁৰ কন্যাই সপ্তাহত তিনিবাৰ ডায়েলাইছিছ কৰিবলগীয়া হয়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মালৈ আবেদন জনাই কয়, "মোৰ ছোৱালী ডায়েলাইছিছ অবিহনে জীয়াই থাকিব নোৱাৰে। মুখ্যমন্ত্ৰীক অনুৰোধ জনাইছোঁ যে এই সিদ্ধান্ত পুনৰ বিবেচনা কৰক আৰু আমাৰ সন্তানসকলক জীয়াই ৰখা একমাত্ৰ সহায়টো কাঢ়ি নিব নালাগে।"

## বৃহত্তৰ আগছিয়া-মাজিৰগাঁও শাখা ছাত্ৰ সন্থাৰ বিশেষ অভিনন্দন অনুষ্ঠানৰ প্ৰস্তুতি তুংগত

**অসম বাৰ্তা, মিৰ্জা, ২৫ জুন ঃ** দক্ষিণ কামৰূপ ছাত্ৰ সন্থাৰ অন্তৰ্গত বৃহত্তৰ আগছিয়া-মাজিৰগাঁও শাখা ছাত্ৰ সন্থাৰ বিশেষ অভিনন্দন অনুষ্ঠান এইবেলি অহা ৩০ জুন তাৰিখ মংগলবাৰে আগছিয়াৰ মহাত্মা গান্ধী সোঁৱৰণী প্ৰেক্ষাগৃহত দিনযোৱা কাৰ্যসূচীৰে অনুষ্ঠিত কৰা হ'ব। এই উপলক্ষে পুৱা ১০ বজাত সদৌ অসম ছাত্ৰ সন্থাৰ পতাকা উত্তোলন কৰিব বৃহত্তৰ আগছিয়া-মাজিৰগাঁও শাখা ছাত্ৰ সন্থাৰ সভাপতি সৌৰভ কাকতিয়ে, ১০: ৩০ বজাত শ্বহীদ তৰ্পণ কৰিব শাখাৰ সাধাৰণ সম্পাদক ধৃতিস্মান বৈশ্যই। ইয়াৰ পিছত দিনৰ ১১ বজাত বিশেষ অভিনন্দন অনুষ্ঠানৰ সভা উদ্বোধন কৰিব দক্ষিণ কামৰূপ ছাত্ৰ সন্থাৰ সভাপতি বেদব্ৰত দাসে। এই সভাত ২০২৬ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা অঞ্চলটোৰ কৃতী ছাত্ৰ-ছাত্ৰীক এখনি মানপত্ৰ আৰু ফুলাম গামোচাৰে অভিনন্দন প্ৰদান কৰা হ'ব। এই অনুষ্ঠানত ৰাইজৰ দিহা-পৰামৰ্শ, উপস্থিতি, সহায়-সহযোগিতা আন্তৰিকতাৰে কামনা কৰিছে ছাত্ৰ-সন্থাৰ বিষয় ববীয়াসকলে।

## ▪ নলবাৰী আৰক্ষীৰ ডাঙৰ সফলতা ▪

# ১ কোটি ৪৮ লাখ টকাৰ হেৰ'ইন জব্দ; দুই সৰবৰাহকাৰীক গ্ৰেপ্তাৰ

**অসম বাৰ্তা, নলবাৰী, ২৫ জুন ঃ** নিচাযুক্ত সামগ্ৰীৰ বিৰুদ্ধে চলি থকা কঠোৰ অভিযানৰ মাজতে নলবাৰী আৰক্ষীয়ে পুনৰ এক উল্লেখযোগ্য সফলতা লাভ কৰিছে। এক গোপন তথ্যৰ ভিত্তিত চলোৱা বিশেষ অভিযানত আৰক্ষীয়ে প্ৰায় ১ কোটি ৪৮ লাখ টকা মূল্যৰ ২১১.৫ গ্ৰাম হেৰ'ইন জব্দ কৰাৰ লগতে দুইজন অভিযুক্ত সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে। আৰক্ষী সূত্ৰে জানিবলৈ দিয়া মতে, গুৱাহাটী দিশৰ পৰা বৰপেটা অভিমুখে গৈ থকা এখন চুইফট ডিজায়াৰ বাহনত বৃহৎ পৰিমাণৰ নিচাযুক্ত সামগ্ৰী সৰবৰাহ কৰা হৈছে বুলি তথ্য লাভ কৰিছিল আৰক্ষীয়ে। সেই অনুসৰি নলবাৰীৰ আৰক্ষী অধীক্ষক বিবেকানন্দ দাসৰ তত্ত্বাৱধানত এটা বিশেষ দলে দৌলাশাল অঞ্চলত নাকা তালাচী চলায়। অভিযানৰ সময়ত আৰক্ষীয়ে বাহনখন আটক কৰি তন্নতন্নকৈ তালাচী চলোৱাৰ সময়ত ১৬টা চাবোনৰ বাকচত লুকুৱাই অনা হেৰ'ইন উদ্ধাৰ কৰিবলৈ সক্ষম হয়। জব্দ কৰা হেৰ'ইনৰ মুঠ ওজন ২১১.৫ গ্ৰাম বুলি আৰক্ষীয়ে নিশ্চিত কৰিছে। ঘটনাৰ সৈতে জড়িত থকাৰ অভিযোগত সৰ্থেবাৰীৰ খৈৰাকুছি গাঁৱৰ নাছিৰ আলী আৰু বৰপেটাৰ মাহিলকুছি গাঁৱৰ মকিবুল ইছলাম নামৰ দুইজনক ইতিমধ্যে আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। বৰ্তমান দুয়োৰে বিৰুদ্ধে আইনী ব্যৱস্থা গ্ৰহণৰ প্ৰক্ৰিয়া চলি আছে। আৰক্ষীৰ অনুমান অনুসৰি, জব্দ কৰা হেৰ'ইনখিনিৰ বজাৰ মূল্য প্ৰায় ১ কোটি ৪৮ লাখ টকা। এই সফল অভিযানে জিলাখনত নিচাযুক্ত সামগ্ৰীৰ অবৈধ ব্যৱসায়ৰ বিৰুদ্ধে আৰক্ষীৰ কঠোৰ স্থিতিক পুনৰ স্পষ্ট কৰি তুলিছে। নলবাৰী আৰক্ষীৰ এই সফল পদক্ষেপে সাধাৰণ ৰাইজৰ মাজত সন্তোষ সৃষ্টি কৰাৰ লগতে আৰক্ষীৰ অভিযানৰ প্ৰতি ব্যাপক প্ৰশংসা লাভ কৰিছে।

# ছাত্ৰী ৰাখী বৰুৱাৰ দুৰাৰোগ্য ৰোগত চিকিৎসাধীন অৱস্থাত অকাল মৃত্যু

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ২৫ জুন ঃ** অৱশেষত নিয়তিৰ ওচৰত হাৰ মানিলে ৰাখীয়ে। পৰিয়ালৰ আদাৰ যত্ন, চিকিৎসা সেৱা, ৰাইজৰ প্ৰাৰ্থনা সকলো প্ৰচেষ্টা বিফল। অমায়িক স্বভাৱৰ ৰাখী বৰুৱা সপোন দেখা বয়সতে মৃত্যুক আঁকোৱালি লৈ অকালতে আজান মুলুকলৈ গুচি গ'ল। ওদালগুৰি জিলাৰ টংলা থানাৰ অন্তৰ্গত বনগাঁও নিবাসী কৃষক সঠিল বৰুৱা আৰু দীপিকা বৰুৱাৰ জীয়ৰী ৰাখী বৰুৱাই দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ অৱশেষত ২৩ জুনত ৰাজ্যিক কৰ্কট প্ৰতিষ্ঠানত চিকিৎসাধীন অৱস্থাতে প্ৰায় ১৮ বছৰ বয়সত মৃত্যুক আঁকোৱালি লয়। উচ্চতৰ মাধ্যমিকৰ ডেওনা গৰকা ৰাখীয়ে পঢ়া -শুনা, সাংস্কৃতিক মন, মিঠা হাঁহি, অমায়িক ব্যৱহাৰেৰে সকলোকে মোহিত কৰিছিল। ২০২১ চনৰ পৰা দুৰাৰোগ্য ৰোগৰ সৈতে যুঁজি যুঁজি তাই অৱশেষত নিয়তিৰ ওচৰত হাৰ মানিলে। তাইৰ বেমাৰৰ বাবে ঘৰখনৰ আৰ্থিক দুৰৱস্থাই দেখা দিছিল। পৰিয়ালটোৰ অৱস্থা পানীত হাঁহ নচৰা হৈছিল। মৃত্যুৰ কেইদিনমান পূৰ্বে তাইৰ বেমাৰৰ চিকিৎসাৰ বাবে সামাজিক আৰু বৈদ্যুতিন মাধ্যমত চৰ্চিত হৈছিল যদিও তেতিয়ালৈকে হয়তো বহু দেৰি হ'ল। সহৃদয়লোকৰ পৰা কিছু পৰিমাণে সঁহাৰিও লাভ কৰিছিলে। কিন্তু নিষ্ঠুৰ নিয়তিৰ ওচৰত তাই হাৰ মানিলে। মৃত্যুৰ সময়ত ৰাখীয়ে পিতৃ, মাতৃ, বাইদেউক আৰু আত্মীয় স্বজনক এৰি থৈ যায়। আজি শোকাকুল পৰিৱেশত ৰাখী বৰুৱাৰ অন্তিম সংস্কাৰ কৰে। ৰাখী বৰুৱাৰ মৃত্যুত বিভিন্ন দল সংগঠনে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে। আনহাতে বনগাঁও পুৰন্দিয়া, গেৰুৱা, পশ্চিম ফুটুকীবাৰী, পূৱ ফুটুকীবাৰী, ছৈবাৰী মাজগাঁও আদি গাঁও অঞ্চলত কি কি কাৰণত সঘনাই কৰ্কট ৰোগত আক্ৰান্ত হৈছে সেই সন্দৰ্ভত আসাম প্ৰেছ কৰেছপণ্ডেণ্টছ ইউনিয়নৰ ওদালগুৰি জিলা সমিতি, টংলা প্ৰেছ ক্লাব আদিয়ে স্বাস্থ্য বিশেষজ্ঞসকলক পৰিদৰ্শন কৰিবলৈ অনুৰোধ জনোৱাৰ লগতে সুব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে।

# বিজনীত ভিন্ন ব্যৱসায়ী প্ৰতিষ্ঠানত বিটিচি প্ৰশাসনৰ কাৰ্যবাহী সদস্য লক্ষ্মী দাসৰ আকস্মিক পৰিদৰ্শন

## ম্যাদ উকলি যোৱা খাদ্য-সামগ্ৰী পোৱাৰ পিছত ছীল কৰা প্ৰতিষ্ঠান

**অসম বাৰ্তা, বিজনী, ২৫ জুন ঃ** জনস্বাস্থ্য আৰু গ্ৰাহকক সুৰক্ষিত কৰাৰ উদ্দেশ্যে জনস্বাস্থ্য আৰু গ্ৰাহকৰ স্বাৰ্থ সুৰক্ষিত কৰাৰ স্বাৰ্থত বিটিচি প্ৰশাসনৰ খাদ্য আৰু অসামৰিক যোগান বিভাগে মঙলবাৰে বিজনী বজাৰত এক বৃহৎ আকস্মিক পৰিদৰ্শন কৰে। খাদ্য সুৰক্ষাৰ মানদণ্ড আৰু প্ৰয়োজনীয় নিয়ম উলংঘা কৰাৰ বাবে এটা ডাঙৰ গেলামালৰ দোকানকে ধৰি কেইবাটাও বাণিজ্যিক প্ৰতিষ্ঠানৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰা হয়। পৰিদৰ্শনৰ সময়ত বিষয়াসকলে বিজনী বজাৰৰ পুৰণি গেলামালৰ দোকান অছৱাল ব্ৰাদাৰ্ছ (লালচান্দ)ৰ পৰা বৃহৎ পৰিমাণৰ ম্যাদ উকলি যোৱা বুলি অভিযোগ উত্থাপন কৰা খাদ্য সামগ্ৰী আৰু নষ্ট হোৱা সামগ্ৰী উদ্ধাৰ কৰে। বিষয়াসকলৰ মতে, এই সামগ্ৰীসমূহ বিক্ৰীৰ বাবে ৰখা হৈছিল, যাৰ ফলত গ্ৰাহকৰ স্বাস্থ্যত বিৰূপ প্ৰভাৱ পৰিব পাৰিলেহেঁতেন। ইয়াৰ পিছতে বিভাগীয় দলটোৱে প্ৰয়োজনীয় আইনী কাম সম্পূৰ্ণ কৰে। বিজনীত ম্যাদ উকলি যোৱা খাদ্য-সামগ্ৰী উদ্ধাৰৰ পিছত সংবাদ মাধ্যমক সম্বোধন কৰি বিষয়াসকলে আৰু প্ৰতিষ্ঠানটো ছীল কৰি দিলে। বিভাগীয় সূত্ৰৰ পৰা জানিব পৰা মতে, বিগত সময়ত প্ৰতিষ্ঠানটোৰ বিৰুদ্ধে খাদ্য সুৰক্ষা উলংঘাৰ ঘটনা সংঘটিত হৈছে। অৱশ্যে এই সন্দৰ্ভত চূড়ান্ত নিশ্চিতকৰণ প্ৰশাসনিক তদন্ত আৰু চৰকাৰী অভিলেখৰ ভিত্তিত কৰা হ'ব। এই অভিযানৰ সময়ত কেইবাখনো হোটেল আৰু অন্যান্য বাণিজ্যিক প্ৰতিষ্ঠানো তদাৰকীৰ আওতালৈ আহিছিল। পৰিদৰ্শনত কিছু স্থানত ঘৰুৱা এল পি জি চিলিণ্ডাৰ ব্যৱসায়িক উদ্দেশ্যত অবৈধ ব্যৱহাৰৰ অভিযোগ উত্থাপন হৈছে। তদুপৰি পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ অভাৱ আৰু অন্যান্য অনিয়মৰ ভিত্তিত হোটেল গীতাঞ্জলি, ঘোষ ডেইৰীকে ধৰি কেইবাটাও প্ৰতিষ্ঠানৰ খাদ্য সুৰক্ষা আৰু অন্যান্য বাণিজ্যিক অনুজ্ঞাপত্ৰ সাময়িকভাৱে বন্ধ কৰি দিয়া হয়। বিটিচি প্ৰশাসনৰ খাদ্য, অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ কাৰ্যবাহী সদস্য লক্ষ্মী দাসৰ নেতৃত্বত এই বিশেষ অভিযান চলোৱা হয়। খাদ্য সুৰক্ষাৰ বিষয়া, স্থানীয় আৰক্ষী, আৰু অসামৰিক প্ৰশাসনৰ যৌথ দলে এই অভিযানত অংশগ্ৰহণ কৰে।

# গোলাঘাটত ৰং তুলিকাৰে চিত্ৰশিল্পীৰ ড্ৰাগছৰ বিৰুদ্ধে প্ৰতিবাদ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ২৫ জুন ঃ** এইবাৰ বহুৰূপী ড্ৰাগছ আৰু অবৈধ মদৰ বিৰুদ্ধে ওলাই আহিল গোলাঘাটৰ এগৰাকী চিত্ৰশিল্পী। গোলাঘাট নগৰত ড্ৰাগছ আৰু অবৈধ মদৰ বিৰুদ্ধে ৰং তুলিকাৰে সৰৱ হৈ পৰিল গোলাঘাটৰ এই গৰাকী চিত্ৰশিল্পী। আজি গোলাঘাট নগৰৰ জেইল মাৰ্কেটৰ সন্মুখত বিশিষ্ট চিত্ৰশিল্পী ৰানা কলিতাই ৰঙৰ তুলিকাৰে গোলাঘাটৰ মাজ মজিয়াত ড্ৰাগছৰ বিৰুদ্ধে আৰু অবৈধ মদৰ বিৰুদ্ধে সৰৱ হৈ পৰে। চিত্ৰশিল্পী গৰাকীয়ে ভৱিষ্যত প্ৰজন্মক ড্ৰাগছমুক্ত কৰি ৰখাৰ লগতে অবৈধভাৱে অব্যাহত থকা মদৰ পৰা ভৱিষ্যত প্ৰজন্মক আঁতৰাই ৰখাৰ বাবেই এনেদৰে প্ৰতিবাদ সাব্যস্ত কৰাৰ কথা জানিবলৈ দিয়ে। চিত্ৰশিল্পী ৰাণা কলিতাৰ এই পদক্ষেপক সকলোৰে আদৰণি জনাইছে।

**এজাক বৰষুণতে চাৰ্ভিচ ৰোড (সেৱা পথ)ত এফুট পৰ্যন্ত পানী**

# দেৰগাঁও চহৰত কৃত্ৰিম বান, পথাচাৰীৰ হাঁহাকাৰ

**অসম বাৰ্তা, দেৰগাঁও, ২৫ জুন** ঃ এজাক বৰষুণ আহিলেই দেৰগাঁও চহৰত কৃত্ৰিম বানৰ সমস্যা হোৱাতো এতিয়া নৈমিত্ৰিক ঘটনাৰ দৰে হৈ পৰিছে। বিগত দিনত মুলত চহৰখনত অবিজ্ঞানসন্মত ভাৱে নলা-নৰ্দমা নিৰ্মাণ কৰাৰ বাবেই এতিয়া ৰাইজে নৰক-যন্ত্ৰণা ভুগিব লগা হৈছে। এইবছৰ এই সমস্যাই অধিক মুৰ দাঙি উঠিছে। এতিয়া এনেকুৱা পৰিৱেশ হৈছে যে, ১৫/২০ সময়ৰ যদি এজাক মজলীয়া বা ডাঙৰ বৰষুণ আহে তেনেহ'লে হৈ গ'ল। কেইবা ঘণ্টালৈকে চহৰৰ মুল পথ আৰু উপপথ সমূহৰ বিভিন্ন প্ৰান্তত কৃত্ৰিম বানৰ ভয়াবহ সমস্যা হয়। উল্লেখ্যযোগ্য বিষয় যে, দেৰগাঁও চহৰত চাৰিশিৰীয়া ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণৰ সময়ত যি সমূহ নলা-নৰ্দমা নিৰ্মাণ কৰা হৈছিল সেই বিলাক একেবাৰে বেয়াকৈ বনোৱাৰ অভিযোগ পূৰ্বৰে পৰা উঠি আহিছে। সেই সময়ত কিছু সংখ্যক লোকে ৰাজহুৱা অভিযোগ দিছিল যদিও নিৰ্মাণকাৰী প্ৰতিষ্ঠান আৰু স্থানীয় প্ৰশাসনৰ মাজত থকা গোপন মিতিৰালিৰ বাবে কোনো ব্যৱস্থা লোৱা দেখা নগল। অতি নিম্নমানৰ নলা-নৰ্দমা নিমান কৰাৰ বাবেই আজি চহৰৰ মুল পথৰ লগতে সেৱা পথ সমূহত কদৰ্য্য অৱস্থাৰ সৃষ্টি হৈছে। ঘাইপথ নিৰ্মাণ কাৰী প্ৰতিষ্ঠানে নলা-নৰ্দমা বেয়াকৈ বনাই গ'ল কিন্তু তাৰ পিছত স্থানীয় দেৰগাঁও পৌৰসভা আৰু সংলিষ্ট কৃতপক্ষই ৰাজহুৱা স্বাৰ্থত যেনেধৰণৰ তৎপৰতা ল'ব লাগিছিল সেইয়াও দেখা ন'গল আৰু পৰিনতিত আজি দুই মাহৰো অধিক দিন সঘনাই চহৰখনত কৃত্ৰিম বানৰ সমস্যা হৈ ৰাইজক জুৰুলা কৰিছে। আজি কেইবাদিন নিয়মীয়াভাৱে বৰষুণ হৈ থকাত দেৰগাঁও চহৰৰ মুল চাৰিআলিৰ দুয়োকাষৰ সেৱা পথ, লাহতি চাৰিআলিৰ সেৱা পথ, উপপথ, তিনি নং গেটৰ মূল পথ, এ.এচ টি.চিৰ আস্থানৰ সমিপৰ সেৱাপথৰ লগতে কেইবাটাও স্থানত ভয়ানক গতিত কৃত্ৰিম বান হোৱা দেখা গৈছে। আজি বিয়লিৰ পৰাও নিশা পৰ্যন্ত চহৰখনত অতিমাত্ৰা কৃত্ৰিম বান হোৱা দেখা গৈছে। এই সমস্যাটোৰ বাবে মুলত মটৰ চাইকেল, চাইকেল, আদি লৈ অহা ব্যক্তি আৰু খোজকাঢ়ি অহা পথাচাৰীৰ অধিক সমস্যা হৈছে। নলা-নৰ্দমা সমূহ যেনেদৰে পৰিষ্কাৰ কৰিব লাগে সেইয়াও হোৱা নাই আৰু বহু ঠাইত নলা সমূহ বন্ধ হৈ থকাৰ বাবে সমস্যা অধিক বৃদ্ধি হৈছে। পদপথৰ কাষে কাষে থকা কিছু সংখ্যক ব্যৱসায়ী আৰু পৰিয়ালৰ কু-কৰ্মৰ বাবেও নলাসমূহ বন্ধ হোৱাৰ অভিযোগ উঠিছে। চহৰখনৰ ৰাষ্ট্ৰীয় ঘাইপথৰ সেৱা পথ বা মূল পথৰ কিছু অংশত কৃত্ৰিম বান হোৱাৰ উপৰিও আন আন কেইবা ঠাইতো অনুৰূপ পৰিৱেশ দেখা গৈছে। চহৰখনৰ বিভিন্ন প্ৰান্তত দেখা দিয়া কৃত্ৰিম বানৰ সমস্যা সমাধানৰ ক্ষেত্ৰত দেৰগাঁও পৌৰসভাই কেনেধৰণৰ ব্যৱস্থা হাতত লয় সেইয়া অতি লক্ষণীয় হ'ব।

# তিনিচুকীয়াৰ দুৰ্জয় লোচন চেতিয়ালৈ শিক্ষক প্ৰকাশন সংস্থা, অসমৰ "সাহিত্য সুৰভী বঁটা-২০২৬"

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ২৫ জুন** ঃ সাহিত্য, শিক্ষা, সংস্কৃতি আৰু সমাজ সেৱাৰ ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ স্বীকৃতিস্বৰূপে তিনিচুকীয়াৰ বিশিষ্ট লেখক, শিক্ষক, কবি, সমাজকৰ্মী তথা চিন্তাবিদ দুৰ্জয় লোচন চেতিয়াক জ্ঞানপীঠ বঁটাপ্ৰাপক প্ৰয়াত ড° মামণি ৰয়ছম গোস্বামীৰ সোঁৱৰণত শিক্ষক প্ৰকাশন সংস্থা, অসমৰ দ্বাৰা প্ৰতিষ্ঠিত "সাহিত্য সুৰভী বঁটা-২০২৬" প্ৰদান কৰা হয়। যোৱা ২১ জুনত লখিমপুৰ জিলাৰ ঐতিহাসিক পদুমণি আইথান ৰাজহুৱা প্ৰেক্ষাগৃহত আয়োজিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত বঁটাটো আনুষ্ঠানিকভাৱে প্ৰদান কৰা হয়। সাহিত্য চৰ্চা, শৈক্ষিক উন্নয়ন, সাংস্কৃতিক জাগৰণ আৰু বিভিন্ন সমাজ কল্যাণমূলক কাম-কাজত তেওঁ আগবঢ়োৱা গুৰুত্বপূৰ্ণ আৰু নিৰন্তৰ অৱদানৰ স্বীকৃতিস্বৰূপে সংস্থাটোৰ বিষয়ববীয়াসকলে এই সন্মান প্ৰদান কৰে। বঁটা গ্ৰহণ কৰি দুৰ্জয় লোচন চেতিয়াই শিক্ষক প্ৰকাশন সংস্থা, অসমৰ বিষয়ববীয়া, নিৰ্বাচনী সমিতিৰ সদস্য আৰু শুভাকাংক্ষীসকলৰ প্ৰতি গভীৰ কৃতজ্ঞতা জ্ঞাপন কৰে। তেওঁ কয়, "এই সন্মান কেৱল ব্যক্তিগত স্বীকৃতি নহয়, ইয়াৰ দ্বাৰা সাহিত্য আৰু সমাজৰ প্ৰতি মোৰ দায়িত্ববোধ আৰু অধিক বৃদ্ধি পাইছে। ই মোক সাহিত্য চৰ্চা আৰু সমাজ সেৱাৰ ক্ষেত্ৰত অধিক নিষ্ঠা, সততা আৰু প্ৰতিশ্ৰুতিৰে কাম কৰি যাবলৈ অনুপ্ৰাণিত কৰিব।" উল্লেখ্য যে শিক্ষক প্ৰকাশন সংস্থা, অসমৰ দ্বাৰা প্ৰতি বছৰে শিক্ষা, সাহিত্য, সংস্কৃতি আৰু সমাজ সেৱাৰ ক্ষেত্ৰত অসামান্য অৱদান আগবঢ়োৱা বিশিষ্ট ব্যক্তিসকলক এই সন্মান প্ৰদান কৰি অহা হৈছে। দুৰ্জয় লোচন চেতিয়ালৈ আগবঢ়োৱা এই স্বীকৃতিয়ে তিনিচুকীয়াৰ সাহিত্য-সংস্কৃতি প্ৰেমী মহলত আনন্দৰ বন্যা বোৱাইছে। এই সফলতাই নৱপ্ৰজন্মক সৃষ্টিশীল কাম-কাজ আৰু সামাজিক দায়বদ্ধতামূলক দিশত নিয়োজিত হ'বলৈ অনুপ্ৰাণিত কৰিব বুলি বুদ্ধিজীৱী তথা শুভাকাংক্ষীসকলে আশা প্ৰকাশ কৰিছে।

**আঁচনি ৰূপায়ণৰ গতি বৃদ্ধিৰ লগতে ক্ষেত্ৰ পৰিদৰ্শনৰ নিৰ্দেশ মন্ত্ৰী অশ্বিনী ৰায় সৰকাৰৰ**

# ভূমি সংৰক্ষণ বিভাগৰ কাম-কাজৰ অগ্ৰগতিৰ পৰ্যালোচনা



**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৫ জুন** ঃ অসম চৰকাৰৰ ভূমি সংৰক্ষণ বিভাগৰ মন্ত্ৰী অশ্বিনী ৰায় সৰকাৰে ২৩ জুনত গুৱাহাটীৰ জু-ৰোডস্থিত ভূমি সংৰক্ষণ সঞ্চালকালয়ত বিভাগটোৰ উচ্চপদস্থ বিষয়া আৰু ৰাজ্যৰ বিভিন্ন জিলাৰ সংমণ্ডল অধিকাৰীসকলৰ সৈতে এক উচ্চ পৰ্যায়ৰ পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। বৈঠকত মন্ত্ৰীগৰাকীয়ে বিভাগৰ অধীনত ৰূপায়িত হৈ থকা ৰাজ্য চৰকাৰৰ অগ্ৰাধিকাৰমূলক উন্নয়ন আঁচনি (SOPD), গ্ৰাম্য আন্তঃগাঁথনি উন্নয়ন পুঁজি (RIDF), ৰাজ্যিক দুৰ্যোগ প্ৰশমন পুঁজি (SDMF) আৰু প্ৰধানমন্ত্ৰী কৃষি সিঞ্চন যোজনা (WDC-PMKSY)ৰ অগ্ৰগতিৰ বুজ লয়। আঁচনিসমূহৰ ৰূপায়ণত দেখা দিয়া বিভিন্ন সমস্যাৰ সমাধানৰ ক্ষেত্ৰত প্ৰয়োজনীয় সহায়-সহযোগিতা আগবঢ়োৱাৰ আশ্বাস দিয়াৰ লগতে বিষয়াসকলক প্ৰতিটো আঁচনিৰ অগ্ৰগতি নিবিড়ভাৱে পৰ্যবেক্ষণ কৰাৰ নিৰ্দেশ দিয়ে মন্ত্ৰী সৰকাৰে। মন্ত্ৰীগৰাকীয়ে SDMF আঁচনিৰ অধীনত প্ৰস্তাৱসমূহ অনুমোদনৰ ক্ষেত্ৰত জিলা আয়ুক্ত কাৰ্যালয়ৰ সৈতে সমন্বয় অধিক শক্তিশালী কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ইয়াৰ উপৰিও মন্ত্ৰী সৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ অধীনত ৰূপায়িত ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনা (RKVY), উত্তৰ-পূব পৰিষদ (NEC) আদি আঁচনিসমূহৰ সুফল অধিক সংখ্যক হিতাধিকাৰীৰ কাষলৈ নিব পৰাকৈ সক্ৰিয়ভাৱে কাম কৰিবলৈ সংমণ্ডল অধিকাৰীসকলক আহ্বান জনায়। মন্ত্ৰী অশ্বিনী ৰায় সৰকাৰে অতি সোনকালেই বিভিন্ন জিলাত ৰূপায়িত প্ৰকল্পসমূহ স্বয়ং পৰিদৰ্শন কৰি কামৰ গতি আৰু গুণগত মান পৰ্যালোচনা কৰিব বুলি জানিবলৈ দিয়ে। ইয়াৰ লগতে সকলো বিষয়া-কৰ্মচাৰীক কাৰ্যালয়ৰ শৃংখলা, সময়ানুবৰ্তিতা আৰু পেছাদাৰী মনোভাৱ বজাই ৰাখিবলৈকো তেখেতে আহ্বান জনায়। ২৪ জুনত মন্ত্ৰীগৰাকীয়ে গুৱাহাটী গোটানগৰস্থিত অসম ভূমি সংৰক্ষণ প্ৰশিক্ষণ বিদ্যালয় পৰিদৰ্শন কৰি প্ৰতিষ্ঠানখনৰ সামগ্ৰিক পৰিৱেশ, প্ৰশিক্ষণ ব্যৱস্থা, আন্তঃগাঁথনি আৰু উপলব্ধ সুবিধাসমূহৰ বুজ লয়। পৰিদৰ্শনকালত তেওঁ প্ৰশিক্ষণৰ মান অধিক উন্নত কৰাৰ লগতে বিভাগৰ মানৱ সম্পদ গঢ়ি তোলাৰ ক্ষেত্ৰত বিদ্যালয়খনৰ ভূমিকাক অধিক শক্তিশালী কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। মন্ত্ৰীগৰাকীয়ে কয় যে ভূমি সংৰক্ষণ বিভাগে বহনক্ষম উন্নয়ন, প্ৰাকৃতিক সম্পদৰ সংৰক্ষণ আৰু কৃষকৰ আজীৱিকা উন্নতকৰণৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। ৰাজ্য চৰকাৰৰ উন্নয়নৰ লক্ষ্য পূৰণৰ ক্ষেত্ৰত বিভাগটোক অধিক ফলপ্ৰসূভাৱে আগুৱাই নিয়াৰ বাবে সকলো স্তৰৰ বিষয়াক একেলগে কাম কৰিবলৈ মন্ত্ৰীগৰাকীয়ে সকলোকে আহ্বান জনায়।

**'অসমীয়া বৈষ্ণৱ কবিসকল ভাৰতীয় জ্ঞান পৰম্পৰাৰ প্ৰাচীনতম সাধক' ঃ দিগন্ত বিশ্ব শৰ্মা**

# হেমপ্ৰভা বৰবৰা ছোৱালী মহাবিদ্যালয়ত ভাৰতীয় জ্ঞান পৰম্পৰা বিষয়ক মনোজ্ঞ বক্তৃতানুষ্ঠান

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ২৫ জুন** ঃ গোলাঘাটৰ ছোৱালীৰ উচ্চ শিক্ষাৰ একমাত্ৰ অনুষ্ঠান হেমপ্ৰভা বৰবৰা ছোৱালী মহাবিদ্যালয়( স্বায়ত্তশাসিত)ত কালি 'ভাৰতীয় জ্ঞান পৰম্পৰা আৰু শিক্ষা- বিজ্ঞান' বিষয়ক এক মনোজ্ঞ বক্তৃতানুষ্ঠান সম্পন্ন হয়। মহাবিদ্যালয়খনৰ আভ্যন্তৰীণ মান নিৰূপণ কোষৰ দ্বাৰা আয়োজিত এই বক্তৃতানুষ্ঠান মূল বক্তা হিচাপে অংশ গ্ৰহণ কৰে ভাৰতীয় জ্ঞান পৰম্পৰাৰ একান্ত সাধক, গুৱাহাটী প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অনুশীলন প্ৰাধ্যাপক দিগন্ত বিশ্ব শৰ্মাই। শৰ্মাদেৱে তেখেতৰ বক্তব্যত ভাৰতীয় জ্ঞান পৰম্পৰাৰ সংজ্ঞা আৰু স্বৰূপ, ইয়াৰ বিস্তৃতি, গভীৰতা, চিৰন্তনতা আৰু সৰ্বজনীনতাক অতি মৰ্মস্পৰ্শী ৰূপত উপস্থাপন কৰে। তেখেতে অসমীয়া বৈষ্ণৱ কবিসকলক ভাৰতীয় জ্ঞান পৰম্পৰাৰ প্ৰাচীনতম সাধক বুলি ন-দি কোৱাৰ লগতে শংকৰদেৱ প্ৰমুখ্যে সমসাময়িক পণ্ডিতসকলে তেওঁলোকৰ সৃষ্টিৰাজিত ভাৰত শব্দ ব্যৱহাৰৰ মহত্বৰ বিশ্লেষণ আগবঢ়ায়। বেদ-বেদান্ত, বিভিন্ন মহাকাব্যৰে নিৰ্মিত ভাৰতীয় জ্ঞান পৰম্পৰা অতীতৰ সুগভীৰ ঐতিহ্য বাহক আৰু ভৱিষ্যতৰ সোপান ৰূপে কেনে দৰে ক্ৰিয়াশীল এই বিষয়েও তেখেতে স্পষ্ট ব্যাখ্যা আগবঢ়ায়। বক্তৃতানুষ্ঠানত উপস্থিত থাকি মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° বুলবুলি বৰুৱাই তেখেতৰ বক্তব্যত শিপাৰ পৰা বিচ্ছিন্ন হ'ব খোজা নৱ-প্ৰজন্মৰ বাবে এনে ধৰণৰ বক্তৃতানুষ্ঠানত অংশ গ্ৰহণে জীৱনৰ উদ্দেশ্য অনুধাৱনত গভীৰতা প্ৰদান কৰিব বুলি মত প্ৰকাশ কৰে। অনুষ্ঠানটোৰ আঁত ধৰে মহাবিদ্যালয়খনৰ আভ্যন্তৰীণ মান নিৰূপণ কোষৰ সমন্বয়ক ড° পলাশ সন্দিকৈয়ে।




# শ্ৰীমন্ত শংকৰদেৱ সংঘৰ মৰাণ আঞ্চলিক শাখাত সংঘৰ চাৰিপুথি ওপৰত পৰ্য্যালোচনা সভা সম্পন্ন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২৫ জুন** ঃ শ্ৰীমন্ত শংকৰদেৱ সংঘ ডিব্ৰুগড় জিলা প্ৰচাৰ শাখাৰ উদ্যোগত আজি (বুধবাৰে) মৰাণ আঞ্চলিক শাখাৰ আতিথ্যত, তিলৈনগৰস্থিত কৃষ্ণ জ্যোতি প্ৰাথমিক শাখা নামঘৰত সঙ্ঘৰ চাৰিপুথিৰ ওপৰত বিশেষ পৰ্য্যালোচনা সভা অনুষ্ঠিত হয়। ডিব্ৰুগড় জিলা প্ৰচাৰ শাখাৰ সভাপতি উমাকান্ত মহনৰ সভাপতিত্ব অনুষ্ঠিত হোৱা সভাত শ্ৰীমন্ত শংকৰদেৱ সংঘ অনুমোদিত চাৰি পুথি ক্ৰমে- সংবিধান, অশৌচ পদ্ধতি, প্ৰসংগ-প্ৰণালী আৰু বিবাহ পদ্ধতি বিষয়ত অনুষ্ঠিত হোৱা আলোচনা সভাখনি উদ্বোধন কৰে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ মুখ্য উপদেষ্টা ৰজনীকান্ত দত্ত বাপে। উদ্বোধনী ভাষণত দত্তবাপে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নিজস্ব আদৰ্শ আৰু গুৰুজনাৰ ধৰ্মীয় মাৰ্গৰে অধিক কৰ্ম দক্ষতাৰে মানৱ সেৱাত ব্ৰতী হবলৈ আৰু বাপ-আই সকলৰ মনোবল বৃদ্ধি লক্ষ্য কৰি গঠন মূলক পৰামৰ্শ আগবঢ়াই মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ আদৰ্শক বিশ্ব দবাৰত চিনাকি কৰি সমাজত সামাজিক পৰিবৰ্তন আনিবলৈ ৰাইজক আহ্বান জনায়। ডিব্ৰুগড় জিলা প্ৰচাৰ শাখা সম্পাদক অজিত বড়া বাপে আঁতধৰা সভাত সমল ব্যক্তি ৰূপে ডিব্ৰুগড় জিলা শাখাৰ সম্পাদক ব্ৰজানন্দ ভূঞা বাপে, বিবাহ পদ্ধতি আৰু প্ৰশান্ত কাকতি বাপে অশৌচ পদ্ধতিৰ বিষয়ত ভাষণ প্ৰদান কৰি জাতীয় অনুষ্ঠানটি সুচাৰুৰূপে আৰু সু-শৃংখলিতভাৱে পৰিচালিত-হোৱা একত্ৰ সংকলন ওপৰত বহুমূলীয়া পৰামৰ্শ আগবঢ়ায়। ডিব্ৰুগড় জিলা শাখা আৰু মৰাণ আঞ্চলিক শাখাৰ বিষয়ববীয়াৰ লগতে মূলৰ সদস্য তথা অসম কণ্ঠৰ পৰিচালনা সমিতিৰ সভাপতি যতীন চুটীয়া বাপ, ডিব্ৰুগড় জিলা শাখা উপ-সভাপতি-নবীন চলিহা বাপকে প্ৰমুখ্য কৰি বাপ-আই সকল উপস্থিত থকা অনুষ্ঠানত চাৰি-পুথি ভিন্নদফা- ৰাজহুৱা প্ৰশ্ন সমাধানৰ উত্তৰ প্ৰদান কৰে সংঘৰ উপদেষ্টা গৰাকীয়ে। অনুষ্ঠান শেষত গুৰু বন্দনাৰে কাৰ্যসূচী সামৰণি পৰে।

# অসম উন্নতি সভাৰ নগাঁও জিলাৰ সহকাৰী সম্পাদক শৈলেন্দ্ৰ সেনাপতিৰ পিতৃৰ বিয়োগত শোকৰ ছাঁ

**অসম বাৰ্তা, ৰহা, ২৫ জুন** ঃ অসমৰ সৰ্ববৃহৎ জাতীয় সংগঠন সদৌ অসম ছাত্ৰ সন্থাৰ ভাতৃ সংগঠন অসম উন্নতি সভাৰ অন্যতম শক্তিশালী জিলা নগাঁও জিলা। এইনগাঁও জিলাৰ সহকাৰী সম্পাদক শৈলেন্দ্ৰ সেনাপতি ৰণথলি গাঁও পঞ্চায়তৰ অন্তৰ্গত পূৱ সৰাগাঁৱৰ নিবাসী। সেনাপতিৰ পিতৃ মুক্তি প্ৰসাদ সেনাপতি(৭০) আজি কাহিলী পুৱাতেই মৃত্যু হয়। ২০১৭ চনত সেনাপতিৰ ভাতৃ সম্ভাৱনাময় ছাত্ৰ বিতুমনি সেনাপতিক ষড়যন্ত্ৰ কাৰীয়ে কুচক্ৰান্ত কৰি কলেজৰ পৰা অহাৰ পথত হত্যা কৰা পাছৰ পৰাই পিতৃয়ে কনিষ্ঠ পুত্ৰৰ চিন্তাত শাৰীৰিক ভাৱে অসুস্থ হৈ পৰে। সেইখিনি সময়ত ৰহাৰ বিভিন্ন জাতীয় দল-সংগঠন আৰু সচেতন মহলে এই হত্যাকাণ্ডক কঠোৰ ভাৱে গৰিহণা দিছিল। তেতিয়াৰ পৰাই শাৰীৰিকভাৱে অসুস্থ হৈ থকা মুক্তি প্ৰসাদ সেনাপতি আজি পুৱা ৪-৩০ বজাত পৰলোকপ্ৰাপ্তি হয়। এই গৰাকী অতি সহজ সৰল মৃদুভাষী সমাজকৰ্মীৰ মৃত্যুৰ খবৰ পোৱাৰ লগে লগে নগাঁও জিলা ছাত্ৰ সন্থাৰ উপ-সভাপতি সঞ্জয় কুমাৰ কাকতি, ৰহা আঞ্চলিক ছাত্ৰ সন্থাৰ সম্পাদক ভাৰত বৰুৱা, মানৱ অধিকাৰ সংগ্ৰাম সমিতিৰ কাৰ্যকৰী সভাপতি লক্ষ্মীপ্ৰসাদ ডেকা পূৱ সৰাগাঁও গাঁও প্ৰধান খৰ্গ কান্ত ডেকা, বিশিষ্ট শিক্ষাবিদ তথা অৱসৰ প্ৰাপ্ত প্ৰধান শিক্ষক কিনাৰাম বৰদলৈ, বিশিষ্ট সমাজকৰ্মী তথা বুঢ়া মেধি কণপাই মেধি, সমাজকৰ্মী হৰি বৰদলৈ, মতিৰাম বৰদলৈ, ৰাজেন ডেকা, নামঘৰীয়া দুৰ্গেশ্বৰ বৰদলৈ, মেধি সৰু কান্ত বৰদলৈ, দিলীপ বৰদলৈ, মাধৱ বৰদলৈ, নন্দলাল সেনাপতি, টিকেট সেনাপতি, পদুম ডেকা, মাধৱ সেনাপতি, কণক ডেকা, গোলাপী ডেকা, ৰুটিলা দেউৰী, শংকৰ কোঁৱৰ, লক্ষ্মী ডেকা, দণ্ডিধৰ ডেকা, সাদৰি সেনাপতি, অনিল মেধি, প্ৰদীপ মেধি, তুলন মেধি, তগৰ মেধি সহ বহু গণ্য মান্য আৰু শুভাকাংক্ষী আৰু পৰিয়ালৰ লোক আহি শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। মৃত্যু সময়ত তেখেতল একমাত্ৰ পুত্ৰ শৈলেন্দ্ৰ সেনাপতি বোৱাৰী হিৰন্ময়ী ডেকা, পত্নী তুলেমাই সেনাপতি, দুই ভাতৃ, বোৱাৰী, ভতিজা-ভতিজী, নাতি -নাতিনীক ইহ সংসাৰত এৰি থৈ যায়। সেনাপতিৰ বিয়োগত অঞ্চলত শোকৰ ছাঁ বিৰাজ কৰিছে।

# নাহৰকটীয়াত জ্যোতি কনচ্ কনচ্ ট্ৰাকচন (জেচিচি) প্ৰতিষ্ঠানৰ বিৰুদ্ধে গৰজি উঠিল স্থানীয় ৰাইজ

**অসম বাৰ্তা, নাহৰকটীয়া, ২৫ জুন** ঃ বানপানীৰ সময়ত নৈপৰীয়া ৰাইজৰ বাবে নাহৰকটীয়াত বান্যাৰ্তৰ স্থায়ী আশ্ৰয় শিবিৰ নিৰ্মাণৰ নামত সাধাৰণ জনতাক হাৰাশাস্তি কৰিছে গুৱাহাটীস্থিত জেচিচি নামৰ ব্যক্তিগত প্ৰতিষ্ঠানটোৱে। নাহৰকটীয়া পুৰণি কৈৱৰ্ত গাঁৱত প্ৰতিষ্ঠানটোৱে নিৰ্মাণ কৰি আছে বানাক্ৰান্তৰ স্থায়ী আশ্ৰয় শিবিৰ। শিবিৰ নিৰ্মাণত ব্যৱহাৰ হোৱা সামগ্ৰীৰ লগতে গধুৰ বাহন সমূহ দিহিং কিনাৰ বঙালী গাঁৱৰ মাজেৰে পুৰণি কৈৱৰ্ত গাঁৱলৈ কঢ়িয়াই আনে। দিহিং কিনাৰ বঙালী গাঁৱৰ মূল পথটোৰে গধুৰ মালবাহী বাহন অহা যোৱা কৰাক লৈ সৰৱ হৈছে গাঁওবাসী। এনেদৰে দৈনিক গাঁওখনৰ মাজেৰে অত্যধিক ওজনৰ বাহন চলাচল কৰিলে মূল পথটো একেবাৰে বিধ্বস্ত হৈ যোৱাৰ আশংকা কৰিছে স্থানীয় বাসিন্দা সকলে। কেতিয়াবা ভয়ংকৰ বিপদৰ সন্মুখীন হ'ব লাগিব বুলিও মত পোষণ কৰে স্থানীয় লোকসকলে। উল্লেখযোগ্য যে আজি হৰ্থাৎ গধুৰ যন্ত্ৰ পাটী কঢ়িয়াই নিয়া এখন ট্ৰেলাৰ পথত বাগৰি পৰাত কথমপি ৰক্ষা পৰে বিদ্যালয়লৈ পৰীক্ষাৰ বাবে অহা গাঁওখনৰ একাংশ ছাত্ৰ-ছাত্ৰী। তদুপৰি দিহিং কিনাৰ বঙালী গাঁৱৰ নামনি অংশৰ মূল পথটো গধুৰ যান-বাহন যাতায়তৰ ফলত প্ৰায়ে বিধ্বস্ত হৈছে বুলি ক্ষোভ প্ৰকাশ কৰে গঞাই। ৰাস্তা ঘাট বিধ্বস্ত হ'লে স্থানীয় হৰেন দাসক মেৰামতিৰ কৰাৰ সম্পূৰ্ণ দায়িত্ব দিয়া হৈছে বুলি ৰহস্যজনক ভাৱে মন্তব্য কৰে জে, চি, চি বিষয়া ৰাজীৱ সিংহই। অতি শীঘ্ৰে ৰাস্তা মেৰামতি কৰি দিবলৈ জে, চি, চি নামৰ নিৰ্মাণ প্ৰতিষ্ঠানটোক দাবী জনায় স্থানীয় ৰাইজে।

# ডিব্ৰুগড়ৰ প্ৰিয়াক্ষী কটকীলৈ আকাশবাণী আৰু দূৰদৰ্শন কেন্দ্ৰৰ সত্ৰীয়া নৃত্যৰ 'বি-হাই গ্ৰেড' মৰ্য্যদা

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২৫ জুন** ঃ ডিব্ৰুগড়ৰ মিলন নগৰৰ ৰূপনগৰ পথ নিবাসী পবিত্ৰ কটকী আৰু মালবিকা কটকীৰ কন্যা প্ৰিয়াক্ষী কটকীক আকাশবাণী আৰু দূৰদৰ্শন কেন্দ্ৰই সত্ৰীয়া নৃত্যত সন্মানীয় 'বি-হাই গ্ৰেড' শিল্পীৰ মৰ্যাদা প্ৰদান কৰিছে। এই স্বীকৃতি শাস্ত্ৰীয় নৃত্যৰ ক্ষেত্ৰত এক উল্লেখযোগ্য সন্মান। এই সাফল্যই প্ৰিয়াক্ষী কটকীৰ নিষ্ঠা, প্ৰতিভা তথা অসমৰ সমৃদ্ধ সাংস্কৃতিক ঐতিহ্যৰ অন্যতম অমূল্য সম্পদ সত্ৰীয়া নৃত্যক সংৰক্ষণ আৰু প্ৰচাৰৰ ক্ষেত্ৰত তেওঁৰ অৱদানক প্ৰতিফলিত কৰে। তেওঁৰ এই কৃতিত্বত পৰিয়াল, শুভাকাংক্ষী সকলৰ লগতে ডিব্ৰুগড় বাসীক গৌৰৱান্বিত কৰিছে আৰু অঞ্চলটোৰ সাংস্কৃতিক যাত্ৰাত আন এক নতুন মাইলৰ খুঁটি হিচাপে পৰিগণিত হৈছে।

# বাঘজান অঞ্চলৰ বিশিষ্ট সমাজসেৱিকা যোগেশ্বৰী হাজৰিকাৰ পৰলোক, অঞ্চলজুৰি শোকৰ ছাঁ

**অসম বাৰ্তা, তিনিচুকীয়া বিশেষ, ২৪ জুন** ঃ বাঘজান-দীঘলটৰং গাঁৱৰ প্ৰাক্তন চৰকাৰী গাঁওপ্ৰধান তথা বিশিষ্ট সমাজকৰ্মী ৰজনী হাজৰিকাৰ পত্নী, বৰ্তমান বাঘজান-দীঘলটৰং গাঁৱৰ চৰকাৰী গাঁওপ্ৰধান মনোজ হাজৰিকাৰ মাতৃ তথা বিশিষ্ট সমাজসেৱিকা যোগেশ্বৰী হাজৰিকাই দেওবাৰে পুৱতিনিশা ৭৪ বছৰ বয়সত ইহলীলা সম্বৰণ কৰে। উল্লেখ্য, যোগেশ্বৰী হাজৰিকাই সমাজ উত্তৰণৰ হকে অঞ্চলটোত সক্ৰিয়তাৰে জড়িত হৈ আছিল। গোপিনীসকলৰ ভিতৰত অনন্য দায়িত্ব পালন কৰা যোগেশ্বৰী হাজৰিকাই শেহতীয়াকৈ স্বাস্থ্য জনিত কাৰণত এই সংসাৰৰ পৰা মেলানি মাগে। এই খবৰৰ পিছতে সমগ্ৰ অঞ্চলটোতে শোকৰ ছাঁ পৰে। মৃত্যুৰ সময়ত স্বামী, দুই পুত্ৰ-বোৱাৰী, নাতি-নাতিনী, আত্মীয় স্বজনক ইহসংসাৰত এৰি থৈ যায়।

# কামৰূপ জিলাত ৰাষ্ট্ৰীয় পলিঅ' দিৱস উপলক্ষে জিলা টাস্ক ফ'ৰ্চ কমিটীৰ বৈঠক সম্পন্ন

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৫ জুন** ঃ আগন্তুক ৰাষ্ট্ৰীয় পলিঅ' প্ৰতিষেধক দিৱস সফলভাৱে ৰূপায়ণৰ লক্ষ্যৰে জিলা টাস্ক ফ'ৰ্চ কমিটীৰ দ্বিতীয়খন বৈঠক বৃহস্পতিবাৰে কামৰূপ জিলাৰ সংহত জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত হৈ যায়। বৈঠকত সভাপতিত্ব কৰে কামৰূপৰ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই। বৈঠকত অহা ২৮ জুনত জিলাখনৰ বিভিন্ন নিৰ্ধাৰিত স্থানত স্থাপন কৰা প্ৰতিষেধক প্ৰদান কেন্দ্ৰসমূহৰ জৰিয়তে পলিঅ' প্ৰতিষেধক প্ৰদান কৰিবলগীয়া কাৰ্যসূচীৰ প্ৰস্তুতি সম্পৰ্কে বিস্তৃতভাৱে পৰ্যালোচনা কৰা হয়। পলিঅ' দিৱসৰ পিছৰ দুদিন ক্ৰমে ২৯ আৰু ৩০ জুনত স্বাস্থ্যকৰ্মীসকলে ঘৰে ঘৰে গৈ জিলাখনৰ বাকী ৰৈ যোৱা শিশুসকলক প্ৰতিষেধক প্ৰদান কৰিব, যাতে পাঁচ বছৰ বা তাৰ তলৰ কোনো শিশোৱেই এই কাৰ্যসূচীৰ আওতাৰ বাহিৰত নাথাকে। এই অনুসৰি জিলাখনৰ প্ৰতিটো বুথ কেন্দ্ৰৰ ব্যৱস্থাপনা, স্বাস্থ্যকৰ্মী নিয়োগ, প্ৰতিষেধক ব্যৱস্থাপনা তথা অন্যান্য প্ৰয়োজনীয় সকলো ব্যৱস্থা সম্পৰ্কে সভাত খৰচিমাৰি আলোচনা কৰা হয়। বিশেষকৈ দুৰ্গম পাহাৰীয়া অঞ্চল, নদীবেষ্টিত এলেকা আৰু চৰাঞ্চলসমূহত প্ৰতিষেধক কাৰ্যসূচী সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে বিশেষ গুৰুত্ব আৰোপ কৰা হয়। তদুপৰি কাৰ্যসূচীৰ সৈতে জড়িত বিভিন্ন কাৰিকৰী আৰু প্ৰশাসনিক বিষয়সমূহো পৰ্যালোচনা কৰা হয়। পলিঅ' প্ৰতিষেধক তাপ-সংবেদনশীল হোৱা হেতুকে ইয়াৰ গুণগত মান অক্ষুণ্ণ ৰাখিবলৈ আইচ-পেক কেৰিয়াৰ আৰু ক'ল্ড-চেইন ব্যৱস্থাপনা সুনিশ্চিত কৰাৰ বিষয়েও বৈঠকত আলোচনা কৰা হয়। জন্মৰ তৃতীয় দিনৰ পৰা নৱজাতক শিশুক পলিঅ' প্ৰতিষেধক প্ৰদান কৰিব পাৰি যদিও অসুস্থ শিশুক এই প্ৰতিষেধক প্ৰদান কৰা নহ'ব। আনহাতে প্ৰতিষেধক প্ৰদান কৰা শিশুসকলৰ কনিষ্ঠ আঙুলিত চিহ্ন প্ৰদান কৰা হ'ব, যাতে পৰৱৰ্তী পৰ্যবেক্ষণত সহায় হয়। সভাত জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই কাৰ্যসূচী সফলভাৱে ৰূপায়ণৰ বাবে স্বাস্থ্য বিভাগৰ লগতে আৰক্ষী, পৰিবহণ আদি সংশ্লিষ্ট সকলো বিভাগৰ মাজত সুসমন্বয় ৰক্ষাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ পাঁচ বছৰ বা তাৰ তলৰ কোনো শিশু যাতে প্ৰতিষেধকৰ পৰা বঞ্চিত নহয় সেয়া নিশ্চিত কৰিবলৈ সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিয়ে আৰু প্ৰথম দিনা বুথ পৰ্যায়তেই সৰ্বাধিক সংখ্যক শিশুক সামৰি লোৱাৰ লক্ষ্যৰে কাম কৰিবলৈ আহ্বান জনায়। বিশেষকৈ দুৰ্গম পাহাৰীয়া, নদীবেষ্টিত আৰু চৰাঞ্চলসমূহত যাতে কোনো অসুবিধা নহয় তাৰ বাবে আগতীয়াকৈ ব্যৱস্থা গ্ৰহণ কৰিবলৈও তেওঁ নিৰ্দেশ দিয়ে। আয়ুক্তগৰাকীয়ে এই কাৰ্যসূচীৰ পূৰ্ণ সফলতাৰ বাবে অংগনবাড়ী, আশাকৰ্মীকে ধৰি দায়িত্ববাহী সকলোকে পূৰ্ণ সহযোগিতা আগবঢ়াবলৈ আহ্বান জনোৱাৰ লগতে এইক্ষেত্ৰত কোনো লোকে গাফিলতি কৰিলে বিহিত ব্যৱস্থা লোৱা হ'ব বুলিও তেওঁ সকিয়াই দিয়ে। বৈঠকত অতিৰিক্ত জিলা আয়ুক্ত (স্বাস্থ্য) মনিকা বৰগোঁহাই, স্বাস্থ্য সেৱাৰ যুটীয়া সঞ্চালক, মুখ্য চিকিৎসা আৰু স্বাস্থ্য বিষয়া, অতিৰিক্ত মুখ্য চিকিৎসা আৰু স্বাস্থ্য বিষয়া তথা জিলা টীকাকৰণ বিষয়া, জিলা পৰিবহণ বিষয়া, উপ-মুখ্য কাৰ্যবাহী বিষয়া, জিলা সমাজ কল্যাণ বিষয়া, ডিপিএম (এনএইচএম) আৰু অন্যান্য সংশ্লিষ্ট বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে।




# শিক্ষয়িত্ৰী আছিয়া বেগমৰ বিয়োগ

**অসম বাৰ্তা, বেবেজীয়া, ২৫ জুন** ঃ নগাঁও জিলাৰ বঢ়মপুৰ অন্ধ বিদ্যালয়ৰ শিক্ষয়িত্ৰী, সাংস্কৃতিক কৰ্মী, জাজৰি বৰমণিপুৰ নিৰ্বাসী আছিয়া বেগমৰ ২৪ জুনৰ নিশা ৯.০০ মান বজাত নিজা বাসভৱনত পৰলোক হয়। মৃত্যুৰ সময়ত বেগমৰ বয়স হৈছিল ৫৮ বছৰ। বঢ়মপুৰ অন্ধ বিদ্যালয়ত শিক্ষকতাৰ কৰ্মজীৱনৰ আৰু দুটা বছৰ থকা অৱস্থাতে যোৱা ২৪ জুন তাৰিখে লিভাৰ ছিৰছিচ ৰোগত আক্ৰান্ত হৈ পৰলোক প্ৰাপ্তি ঘটে আছিয়া বেগমৰ। এগৰাকী অতি সংবেদনশীল সচেতন মহিলা হিচাপে আৰু আকাশবাণীৰ এগৰাকী অতি সচেতন শ্ৰোতা হিচাপে বেগম নগাঁও জিলাৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত সক্ৰীয় ভাৱে জড়িত আছিল। নিজেই এগৰাকী জন্মান্ধ হৈও মানসীকভাৱে শক্তিশালী আছিয়া বেগমৰ বিয়োগত জাজৰি অঞ্চলতে নহয় গোটেই নগাঁও জিলাখনতে শোকৰ ছাঁ পৰিছে। তেখেতৰ বিয়োগত জাজৰি প্ৰেছ ক্লাৱ, মধ্য অসম ৰেডিঅ' শ্ৰোতা সংঘকে ধৰি বহু অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰিছে।

## সম্পাদকীয়

# পাছপোৰ্ট ঃ ভ্ৰমণৰ নথি নে নাগৰিকত্বৰ প্ৰমাণ ?

শেহতীয়াকৈ ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ (MEA) এক ঘোষণাই সমগ্ৰ দেশতে এক তীব্ৰ বিতৰ্কৰ সূচনা কৰিছে। ১৪ সংখ্যক পাছপোৰ্ট সেৱা দিৱস উপলক্ষে মন্ত্ৰালয়ৰ এগৰাকী বিষয়াই স্পষ্টকৈ কয় যে, পাছপোৰ্ট হৈছে কেৱল এখন ভ্ৰমণ নথি, ই নাগৰিকত্ব প্ৰমাণ কৰা কোনো নথি নহয়। অথচ একে সময়তে পাছপোৰ্ট কেৱল ভাৰতীয় নাগৰিককহে প্ৰদান কৰা হয়। এই বৈপৰীত্যৰ মাজতে উঠি আহিছে এক গুৰুত্বপূৰ্ণ প্ৰশ্ন- তেন্তে ভাৰতীয় নাগৰিকত্বৰ চূড়ান্ত প্ৰমাণ হিচাপে গণ্য কৰা হয় কোনটো নথিক ? মন্ত্ৰালয়ৰ এই মন্তব্যৰ পিছতেই সামাজিক মাধ্যমত এক বৃহৎ বিতৰ্কৰ সৃষ্টি হয়। বহু নেটিজনে প্ৰশ্ন উত্থাপন কৰে যে যেতিয়া পাছপোৰ্ট, আধাৰ কাৰ্ড, ভোটাৰ পৰিচয় পত্ৰ- এই কেইখনেই নাগৰিকত্বৰ প্ৰমাণ নহয়, তেন্তে শেষত কোনখন নথিয়ে এজন ব্যক্তিৰ নাগৰিকত্ব প্ৰতিষ্ঠা কৰে।

কিন্তু আইনী দিশৰ পৰা চালে মন্ত্ৰালয়ৰ এই মন্তব্য সম্পূৰ্ণৰূপে শুদ্ধ আৰু ই কোনো নতুন নীতি ঘোষণা নহয়। ১৯৬৭ চনৰ পাছপোৰ্ট আইনৰ ২০ নং ধাৰাত স্পষ্টভাৱে উল্লেখ আছে যে, কেন্দ্ৰীয় চৰকাৰে "সাৰ্বজনিক স্বাৰ্থত" প্ৰয়োজন বুলি বিবেচনা কৰিলে অ-ভাৰতীয় নাগৰিককো পাছপোৰ্ট বা ভ্ৰমণ নথি প্ৰদান কৰিব পাৰে। এই ধাৰাই পাছপোৰ্টক নাগৰিকত্বৰ চূড়ান্ত প্ৰমাণ হিচাপে গণ্য কৰাত বাধা প্ৰদান কৰে। ইয়াৰ লগতে ২০১৩ চনত মুম্বাই উচ্চতম ন্যায়ালয়ে এক ৰায়ত স্পষ্ট কৰে যে পাছপোৰ্ট, আধাৰ কাৰ্ড বা জন্ম প্ৰমাণপত্ৰ অকলেই নাগৰিকত্ব প্ৰতিষ্ঠা কৰিবলৈ যথেষ্ট নহয়; আবেদনকাৰীয়ে পিতৃ-মাতৃ ভাৰতীয় নাগৰিক বুলিও প্ৰমাণ কৰিব লাগিব। ২০২৫ চনৰ ১২ আগষ্টত বিহাৰৰ ভোটাৰ তালিকাৰ বিশেষ নিবিড় পুনৰীক্ষণৰ শুনানিত উচ্চতম ন্যায়ালয়ে পুনৰ স্পষ্ট কৰে যে আধাৰ কাৰ্ড কেৱল পৰিচয়ৰ নথি, নাগৰিকত্বৰ প্ৰমাণ নহয়। একেদৰে ভোটাৰ পৰিচয় পত্ৰও নাগৰিকত্বৰ প্ৰমাণ নহয়; ই মূলতঃ পৰিচয় আৰু বাসস্থানৰ নথি।

তেন্তে প্ৰশ্ন হয়- ভাৰতীয় নাগৰিকত্ব প্ৰমাণ কৰে কোনে ? ইয়াৰ সহজ উত্তৰটো হ'ল, ভাৰতীয় নাগৰিকত্ব একক কোনো নথিৰ দ্বাৰা প্ৰমাণিত নহয়। নাগৰিকত্ব আইন, ১৯৫৫ অনুসৰি নাগৰিকত্ব লাভৰ চাৰিটা পথ আছে- জন্মসূত্ৰে, বংশসূত্ৰে, পঞ্জীয়নৰ দ্বাৰা আৰু স্বাভাৱিকীকৰণৰ দ্বাৰা। জন্মসূত্ৰে নাগৰিকত্বৰ ক্ষেত্ৰত-১৯৫০ চনৰ ২৬ জানুৱাৰীৰ পৰা ১৯৮৭ চনৰ ১ জুলাইৰ আগলৈকে ভাৰতত জন্মগ্ৰহণ কৰা যিকোনো ব্যক্তি পিতৃ-মাতৃৰ জাতি নিৰ্বিশেষে নাগৰিক। ১৯৮৭ চনৰ ১ জুলাইৰ পিছত জন্মগ্ৰহণকাৰীয়ে নাগৰিকত্ব দাবী কৰিব পাৰে যদিহে পিতৃ-মাতৃৰ কোনো এজন ভাৰতীয় নাগৰিক আছিল। ২০০৪ চনৰ ৩ ডিচেম্বৰ বা তাৰ পিছত জন্ম লোৱাসকলে পিতৃ-মাতৃ দুয়োজন ভাৰতীয় হ'লে বা এজন ভাৰতীয় আৰু আনজন অবৈধ অনুপ্ৰৱেশকাৰী নহ'লে জন্মসূত্ৰে নাগৰিকত্ব লাভ কৰে। অৰ্থাৎ নাগৰিকত্ব নিৰ্ণয় কৰা হয় জন্মৰ তাৰিখ, পিতৃ-মাতৃৰ নাগৰিকত্ব আদিৰ দৰে একাধিক তথ্যৰ সামগ্ৰিক মূল্যায়নৰ ভিত্তিত, কোনো একক নথিৰ ভিত্তিত নহয়। এই বিতৰ্কৰ মাজতে মন্ত্ৰালয়ে পাছপোৰ্ট সেৱাৰ উল্লেখযোগ্য অগ্ৰগতিও সদৰি কৰে। ২০২৫ চনত মুঠ ১.৫ কোটি পাছপোৰ্ট আৰু আনুষংগিক সেৱা প্ৰদান কৰা হৈছে, ইয়াৰে কেৱল পাছপোৰ্টৰ সংখ্যা ১.৩৯ কোটি। আৰক্ষী পৰীক্ষণৰ বাবে লোৱা সময় বাদ দিলে মাত্ৰ ছয় কৰ্মদিনৰ ভিতৰতে পাছপোৰ্ট প্ৰদান কৰা হৈছে। এই সাফল্যৰ আঁৰত আছে পাছপোৰ্ট সেৱা কেন্দ্ৰৰ নাটকীয় বিস্তাৰ- এক দশকৰ আগতে য'ত মাত্ৰ ৭৭টা কেন্দ্ৰ আছিল, বৰ্তমান সেয়া ৫৪৫টালৈ বৃদ্ধি পাইছে। লগতে চিপ-সক্ষম ই-পাছপোৰ্টৰ সফল ৰূপায়ণেও আন্তঃৰাষ্ট্ৰীয় মানদণ্ডৰ লগত সংগতি ৰাখি পাছপোৰ্টৰ সুৰক্ষা আৰু বিশ্বাসযোগ্যতা বৃদ্ধি কৰিছে। পাছপোৰ্ট এখন অত্যন্ত গুৰুত্বপূৰ্ণ ভ্ৰমণ নথি- ই আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত ধাৰকৰ জাতীয়তা প্ৰত্যয়িত কৰে, বিদেশত ভাৰতীয় নাগৰিক হিচাপে পৰিচয় দিয়ে। কিন্তু আইনী দিশৰ পৰা ই নাগৰিকত্বৰ চূড়ান্ত প্ৰমাণ নহয়। এই সত্যতাই হয়তো আমাক কিছু অস্বস্তি দিব পাৰে, কিন্তু ই আইনী বাস্তৱতা। চৰকাৰে উচিত হ'ব যে নাগৰিকত্ব প্ৰমাণৰ ক্ষেত্ৰত কোনবোৰ নথি গ্ৰহণযোগ্য- সেয়া স্পষ্টকৈ নিৰ্ধাৰণ কৰি ৰাইজৰ বিভ্ৰান্তি দূৰ কৰে। কাৰণ নাগৰিকত্ব এজন ব্যক্তিৰ মৌলিক পৰিচয়; এই পৰিচয় প্ৰমাণৰ পদ্ধতি যিমান পাৰি স্বচ্ছ আৰু সহজ হয়, ৰাইজৰ বাবে সিমানেই লাভজনক।

# সৰ্বোচ্চ ন্যায়ালয়ে দিলে ঘৰুৱা শ্ৰমৰ প্ৰকৃত স্বীকৃতি





চন্দন কুমাৰ নাথ

*সৰ্বোচ্চ ন্যায়ালয়ৰ এই ৰায়দানৰ আটাইতকৈ উল্লেখনীয় আৰু নীতিগত পৰিৱৰ্তনৰ দিশটো হৈছে 'ঘৰুৱা যতনৰ ক্ষতি' নামৰ এক একেবাৰে নতুন ক্ষতিপূৰণৰ শিতানৰ সংযোজন। ন্যায়াধীশৰ খণ্ডপীঠখনে গৃহিণীগৰাকীৰ অবৈতনিক শ্ৰমৰ অৰ্থনৈতিক মূল্যৰ মাপকাঠী হিচাপে ন্যূনতম ৩০,০০০ টকাৰ এক আনুমানিক আয় ধাৰ্য কৰিছে। এই ধনৰাশি কেৱল এক আৱেগিক সান্ত্বনা নহয়, ই হৈছে ভাৰতীয় আইন ব্যৱস্থাৰ এক নতুন মানদণ্ড, যিটো ভৱিষ্যতে এনেধৰণৰ সকলো গোচৰত প্ৰযোজ্য হ'ব। ইয়াৰ উপৰিও, বজাৰৰ মুদ্ৰাস্ফীতিৰ প্ৰভাৱৰ প্ৰতি লক্ষ্য ৰাখি ন্যায়ালয়ে নিৰ্দেশ দিছে যে প্ৰতি তিনি বছৰৰ মূৰে মূৰে এই ধনৰাশিত দহ শতাংশকৈ স্বয়ংক্ৰিয় বৃদ্ধি কৰা হ'ব। আন এক অত্যন্ত প্ৰশংসনীয় সিদ্ধান্ত অনুসৰি, যিসকল মহিলাই ঘৰৰ বাহিৰত চাকৰি বা দৰমহা পোৱা কাম কৰে, তেওঁলোকৰ ক্ষেত্ৰতো এই নিয়ম সমানে প্ৰযোজ্য হ'ব।*

যিকোনো এখন সমাজ বা ৰাষ্ট্ৰৰ ভেটি নিৰ্মাণত এক নীৰৱ আৰু প্ৰায়েই অদৃশ্য শ্ৰমৰ অৱদান অনস্বীকাৰ্য। এই শ্ৰম হৈছে আমাৰ সমাজৰ গৃহিণীসকলৰ পাৰিশ্ৰমিকবিহীন ঘৰুৱা কাম। যুগ যুগ ধৰি এখন ঘৰৰ ৰথৰ চকৰি সুচাৰুৰূপে চলাই নিবলৈ এগৰাকী নাৰীয়ে দিনটোৰ চৌবিশ ঘণ্টাই যি ত্যাগ আৰু পৰিশ্ৰম কৰে, তাক কেৱল 'পাৰিবাৰিক কৰ্তব্য' বা 'মৰম'ৰ নাম দি অৰ্থনৈতিক মূল্যায়নৰ পৰা সযতনে আঁতৰাই ৰখা হৈছে। কিন্তু শেহতীয়াকৈ, ২০২৬ চনৰ ১১ জুন তাৰিখে ভাৰতৰ সৰ্বোচ্চ ন্যায়ালয়ে এক ঐতিহাসিক আৰু যুগান্তকাৰী ৰায়দানৰ জৰিয়তে এই পৰম্পৰাগত পিতৃতান্ত্ৰিক ধাৰণাৰ অৱসান ঘটোৱাৰ এক বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰিছে। ন্যায়ালয়ে অতি স্পষ্টভাৱে ঘোষণা কৰিছে যে গৃহিণীসকল কেৱল পৰিয়ালৰ উপাৰ্জনকাৰী সদস্যৰ ওপৰত নিৰ্ভৰশীল এগৰাকী সাধাৰণ মহিলা নহয়, বৰঞ্চ তেওঁলোক প্ৰকৃত অৰ্থত "জাতি নিৰ্মাতা"। মটৰ দুৰ্ঘটনাৰ এক ক্ষতিপূৰণ গোচৰৰ শুনানি গ্ৰহণ কৰি সৰ্বোচ্চ ন্যায়ালয়ে গৃহিণীসকলৰ এই অবৈতনিক শ্ৰমৰ মৰ্যাদা স্বীকাৰ কৰি ক্ষতিপূৰণৰ ক্ষেত্ৰত তেওঁলোকৰ ন্যূনতম আনুমানিক মাহিলী আয় ত্ৰিশ হাজাৰ টকা নিৰ্ধাৰণ কৰিছে। এই ৰায়দান কেৱল এক আইনী নিৰ্দেশনা নহয়, ই সমগ্ৰ ভাৰতীয় সমাজ ব্যৱস্থাৰ প্ৰতি লিংগ সমতা আৰু ন্যায়ৰ এক অতি শক্তিশালী বাৰ্তা।

এই গুৰুত্বপূৰ্ণ ৰায়দানৰ আঁৰৰ কাহিনীটোৱে আমাৰ আইনী আৰু সামাজিক ব্যৱস্থাত থকা কিছুমান গভীৰ ত্ৰুটি আঙুলিয়াই দিয়ে। ২০০১ চনৰ নৱেম্বৰ মাহত পঞ্জাবৰ ৰেশ্মা নামৰ এগৰাকী গৃহিণীৰ এক ভয়ংকৰ পথ দুৰ্ঘটনাত মৃত্যু হৈছিল। তেওঁৰ স্বামী আৰু সন্তানসকলে ক্ষতিপূৰণ বিচাৰি মটৰ দুৰ্ঘটনা দাবী ন্যায়াধিকৰণৰ কাষ চাপিছিল। ন্যায়াধিকৰণে ২০০৩ চনত এক সামান্য ক্ষতিপূৰণ আগবঢ়াইছিল, যাৰ বিৰুদ্ধে পৰিয়ালটোৱে উচ্চ ন্যায়ালয়ত আবেদন জনাইছিল। ২৪ বছৰৰ এক সুদীৰ্ঘ আৰু ক্লান্তিকৰ আইনী যুঁজৰ অন্তত, পঞ্জাব আৰু হাৰিয়ানা উচ্চ ন্যায়ালয়ে ২০২৪ চনত ক্ষতিপূৰণৰ পৰিমাণ ৮.৪৩ লাখ টকালৈ বৃদ্ধি কৰে। কিন্তু প্ৰকৃত ন্যায় বিচাৰি পৰিয়ালটোৱে সৰ্বোচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ হোৱাত ন্যায়াধীশ সঞ্জয় কৰোল আৰু ন্যায়াধীশ এন কোটিশ্বৰ সিঙৰ খণ্ডপীঠখনে সমগ্ৰ বিষয়টো এক মানৱীয় আৰু অৰ্থনৈতিক দৃষ্টিকোণৰ পৰা বিচাৰ কৰে। পূৰ্বতে, দুৰ্ঘটনাত নিহত এগৰাকী গৃহিণীৰ ক্ষতিপূৰণ নিৰ্ধাৰণ কৰাৰ সময়ত তেওঁৰ ঘৰুৱা শ্ৰমক সাধাৰণ অদক্ষ শ্ৰমিকৰ দিন হাজিৰা বা এগৰাকী ঘৰুৱা সহায়িকাৰ দৰমহাৰ সৈতে তুলনা কৰা হৈছিল। সৰ্বোচ্চ ন্যায়ালয়ে এই সংকুচিত চিন্তাধাৰাক কঠোৰ ভাষাৰে নাকচ কৰে। ন্যায়ালয়ে পৰ্যবেক্ষণ কৰে যে এগৰাকী মাতৃ বা পত্নীয়ে পৰিয়ালক যি অহৰহ স্নেহ, যত্ন, নিৰাপত্তা আৰু নিৰ্দেশনা প্ৰদান কৰে, তাক কেতিয়াও এজন সাধাৰণ বনুৱাৰ মজুৰিৰে জোখ-মাখ কৰিব নোৱাৰি। এই প্ৰগতিশীল দৃষ্টিভংগীৰে ন্যায়ালয়ে ক্ষতিপূৰণৰ পৰিমাণ প্ৰায় ৬২.৭৭ লাখ টকালৈ বৃদ্ধি কৰে।

সৰ্বোচ্চ ন্যায়ালয়ৰ এই ৰায়দানৰ আটাইতকৈ উল্লেখনীয় আৰু নীতিগত পৰিৱৰ্তনৰ দিশটো হৈছে 'ঘৰুৱা যতনৰ ক্ষতি' নামৰ এক একেবাৰে নতুন ক্ষতিপূৰণৰ শিতানৰ সংযোজন। ন্যায়াধীশৰ খণ্ডপীঠখনে গৃহিণীগৰাকীৰ অবৈতনিক শ্ৰমৰ অৰ্থনৈতিক মূল্যৰ মাপকাঠী হিচাপে ন্যূনতম ৩০, ০০০ টকাৰ এক আনুমানিক আয় ধাৰ্য কৰিছে। এই ধনৰাশি কেৱল এক আৱেগিক সান্ত্বনা নহয়, ই হৈছে ভাৰতীয় আইন ব্যৱস্থাৰ এক নতুন মানদণ্ড, যিটো ভৱিষ্যতে এনে ধৰণৰ সকলো গোচৰত প্ৰযোজ্য হ'ব। ইয়াৰ উপৰিও, বজাৰৰ মুদ্ৰাস্ফীতিৰ প্ৰভাৱৰ প্ৰতি লক্ষ্য ৰাখি ন্যায়ালয়ে নিৰ্দেশ দিছে যে প্ৰতি তিনি বছৰৰ মূৰে মূৰে এই ধনৰাশিত দহ শতাংশকৈ স্বয়ংক্ৰিয় বৃদ্ধি কৰা হ'ব। আন এক অত্যন্ত প্ৰশংসনীয় সিদ্ধান্ত অনুসৰি, যিসকল মহিলাই ঘৰৰ বাহিৰত চাকৰি বা দৰমহা পোৱা কাম কৰে, তেওঁলোকৰ ক্ষেত্ৰতো এই নিয়ম সমানে প্ৰযোজ্য হ'ব। অৰ্থাৎ, কৰ্মৰত এগৰাকী মহিলাৰ দুৰ্ঘটনাত মৃত্যু হ'লে, তেওঁৰ চাকৰিৰ পৰা পোৱা উপাৰ্জনৰ ভিত্তিত নিৰ্ধাৰিত ক্ষতিপূৰণৰ উপৰিও, এই ৩০,০০০ টকাৰ 'ঘৰুৱা যতনৰ ক্ষতি'ৰ ধনৰাশি অতিৰিক্তভাৱে যোগ কৰা হ'ব। ইয়াৰ জৰিয়তে ন্যায়ালয়ে এই নিৰ্মম সত্যটো স্বীকাৰ কৰিছে যে বাহিৰত চাকৰি কৰা মহিলা এগৰাকীয়ে ঘৰলৈ উভতি অহাৰ পিছতো ঘৰুৱা কাম-কাজ আৰু পৰিয়ালৰ যতন লোৱাৰ দ্বৈত বোজা বহন কৰিবলগীয়া হয়। কেৱল চাকৰি কৰাৰ বাবেই তেওঁলোকৰ ঘৰুৱা শ্ৰমখিনি অস্তিত্বহীন হৈ নাযায়।

অৰ্থনীতিৰ গতানুগতিক সূত্ৰ অনুসৰি, যি কামৰ বিনিময়ত প্ৰত্যক্ষভাৱে মুদ্ৰাৰ আদান-প্ৰদান নহয়, তাক অৰ্থনৈতিক কাৰ্যকলাপ হিচাপে গণ্য কৰা নহয়। সেয়েহে, ৰাষ্ট্ৰীয় আয় বা মুঠ ঘৰুৱা উৎপাদন গণনা কৰাৰ সময়ত গৃহিণীসকলৰ এই বিশাল শ্ৰমক সম্পূৰ্ণৰূপে আওকাণ কৰি অহা হৈছে। পৰিসংখ্যা আৰু গৱেষণা অনুসৰি, ভাৰতৰ মুঠ ঘৰুৱা উৎপাদনত মহিলাৰ এই অবৈতনিক শ্ৰমৰ প্ৰকৃত বৰঙনি প্ৰায় পোন্ধৰৰ পৰা সোতৰ শতাংশ হ'ব বুলি অনুমান কৰা হয়। ২০১৯ চনৰ 'টাইম ইউজ চাৰ্ভে'ৰ তথ্য অনুসৰি, ১৫ ৰ পৰা ৫৯ বছৰ বয়সৰ ভাৰতীয় মহিলাসকলে দৈনিক গড়ে সাত ঘণ্টাতকৈ অধিক সময় পাৰিশ্ৰমিকবিহীন ঘৰুৱা কামত ব্যয় কৰে, আনহাতে পুৰুষৰ ক্ষেত্ৰত এই সময় মাত্ৰ তিনি ঘণ্টাতকৈও কম। তথাপিও আমাৰ সমাজ ব্যৱস্থাত গৃহিণীসকলক উপাৰ্জনকাৰী স্বামী বা সন্তানৰ ওপৰত 'নিৰ্ভৰশীল' বুলি এক হীনমন্যতাত ভোগোৱা হয়। সৰ্বোচ্চ ন্যায়ালয়ে এই ভুল ধাৰণাক তীব্ৰভাৱে খণ্ডন কৰিছে। ৰায়দানটোত স্পষ্টভাৱে উল্লেখ কৰা হৈছে, "এগৰাকী গৃহিণীক উপাৰ্জনকাৰী সদস্যৰ ওপৰত নিৰ্ভৰশীল বুলি কোৱাটো এক ডাঙৰ বিড়ম্বনা। প্ৰকৃততে পৰিয়ালটোৰ সুচাৰু পৰিচালনা গৃহিণীগৰাকীৰ ওপৰতেই নিৰ্ভৰ কৰে। উপাৰ্জনকাৰী সদস্যসকলহে দৰাচলতে গৃহিণীগৰাকীৰ ওপৰত সম্পূৰ্ণৰূপে নিৰ্ভৰশীল, কিন্তু দুৰ্ভাগ্যৱশত এই বাস্তৱতাই সমাজত উচিত স্বীকৃতি নাপায়।" এই বাক্যশাৰীয়ে পিতৃতান্ত্ৰিক ব্যৱস্থাৰ আচল স্বৰূপ উদঙাই দিছে, য'ত পুৰুষৰ বাহিৰৰ আৰ্থিক উপাৰ্জন সম্ভৱ হৈ উঠে কেৱলমাত্ৰ মহিলাগৰাকীৰ ঘৰুৱা ত্যাগৰ ভেটিৰ ওপৰত ভিত্তি কৰিহে। উচ্চতম ন্যায়ালয়ে গৃহিণীসকলক কেৱল ক্ষতিপূৰণৰ ক্ষেত্ৰত অৰ্থনৈতিক স্বীকৃতি দিয়াই নহয়, তেওঁলোকৰ ভাষিক আৰু সামাজিক পৰিচয় সলনি কৰাৰো এক দূৰদৰ্শী প্ৰয়াস কৰিছে। আইনী দস্তাবেজত 'হাউচৱাইফ' বা 'গৃহিণী' শব্দটোৰ সলনি তেওঁলোকক "জাতি নিৰ্মাতা" বুলি সম্বোধন কৰাটো এক বৃহৎ মনস্তাত্ত্বিক পৰিৱৰ্তন। এখন সমাজ বা এখন ৰাষ্ট্ৰৰ আচল সম্পদ হৈছে ইয়াৰ মানৱ সম্পদ। এটি শিশুক জন্ম দিয়াৰ পৰা আৰম্ভ কৰি সঠিক শিক্ষা, সংস্কাৰ আৰু নৈতিকতাৰ মাজেৰে এজন সুনাগৰিক হিচাপে গঢ়ি তোলাৰ আঁৰত এগৰাকী মাতৃৰ যি অৱদান, তাৰ কোনো জাগতিক মূল্য হ'ব নোৱাৰি। ঘৰখনৰ অৰ্থনৈতিক পৰিচালনা, স্বাস্থ্য ৰক্ষা আৰু আৱেগিক সুস্থিৰতা বজাই ৰাখি গৃহিণীগৰাকীয়ে প্ৰত্যক্ষভাৱে ৰাষ্ট্ৰৰ প্ৰগতিত সহায় কৰে। সেয়েহে, তেওঁলোকৰ এই পৰিশ্ৰমক কেৱল ব্যক্তিগত কৰ্ম বুলি জ্ঞান নকৰি ৰাষ্ট্ৰ নিৰ্মাণৰ এক অবিচ্ছেদ্য অংগ হিচাপে স্বীকৃতি দিয়াটো ন্যায়সংগত আছিল। অৱশ্যে, এইখিনিতে আমি অনুধাৱন কৰিব লাগিব যে কেৱল এখন আইনী ৰায়দানেৰেই সমাজৰ শিপাই শিপাই সোমাই থকা বৈষম্য দূৰ কৰিব নোৱাৰি। সৰ্বোচ্চ ন্যায়ালয়ৰ এই যুগান্তকাৰী ৰায়দানৰ পিছত একাংশ লোকৰ প্ৰতিক্ৰিয়া অতিশয় নিৰাশাজনক আৰু চিন্তনীয় আছিল। সামাজিক মাধ্যমত বহু পুৰুষে ব্যংগ কৰি প্ৰশ্ন কৰিছিল যে এতিয়াৰে পৰা স্বামীসকলে পত্নীক প্ৰতিমাহে ত্ৰিশ হাজাৰ টকাকৈ দৰমহা দিব লাগিব নেকি, বা পত্নীক কামৰ পৰা 'বৰ্খাস্ত' কৰিব পাৰিব নেকি। এনে ধৰণৰ মন্তব্যই প্ৰমাণ কৰে যে আমাৰ সমাজৰ এক বৃহৎ অংশই এতিয়াও মহিলাৰ শ্ৰমক সন্মান কৰিবলৈ শিকা নাই। বিয়াৰ অৰ্থ ঘৰৰ যাৱতীয় কাম কৰিবলৈ এগৰাকী বিনামূলীয়া শ্ৰমিক লৈ অহা নহয়, এই সাধাৰণ মানৱীয় কথাটো বুজিবলৈ আমাৰ সমাজক এতিয়াও এক দীঘলীয়া সংগ্ৰামৰ প্ৰয়োজন হ'ব। ন্যায়ালয়ৰ এই ৰায়ে পথ দুৰ্ঘটনাত পতিত পৰিয়ালবোৰক হয়তো আৰ্থিক সকাহ দিব, কিন্তু ইয়াৰ প্ৰকৃত উদ্দেশ্য তেতিয়াহে সফল হ'ব, যেতিয়া প্ৰতিখন ঘৰৰ ভিতৰত গৃহিণীগৰাকীয়ে তেওঁৰ প্ৰাপ্য মৰ্যাদা লাভ কৰিব। প্ৰকৃত লিংগ সমতা প্ৰতিষ্ঠা কৰিবলৈ হ'লে ঘৰুৱা কাম-কাজ পুৰুষ আৰু মহিলা উভয়ে সমানে ভগাই ল'ব লাগিব।

সৰ্বোচ্চ ন্যায়ালয়ৰ এই ৰায়টো ভাৰতীয় ন্যায় ব্যৱস্থাৰ ইতিহাসত এক মাইলৰ খুঁটি হিচাপে পৰিগণিত হ'ব। ই মহিলাৰ অধিকাৰ আৰু 'কেয়াৰ অৰ্থনীতি'ৰ স্বীকৃতিৰ ক্ষেত্ৰত এক অতি শক্তিশালী আইনী অস্ত্ৰ। এই ৰায়দান কেৱল মটৰ দুৰ্ঘটনা ন্যায়াধিকৰণৰ বাবে এক নিৰ্দেশ নহয়, ই হৈছে প্ৰতিখন ভাৰতীয় ঘৰলৈ এক আহ্বান, অদৃশ্য শ্ৰমৰ বিশালতা বুজিবলৈ আৰু যুগ যুগ ধৰি পৰিয়ালৰ ভেটি ধৰি ৰখা সেই নিস্বাৰ্থ হাত দুখনক সেৱা জনাবলৈ। এই ঐতিহাসিক ৰায়দানৰ আধাৰত ভৱিষ্যতে চৰকাৰ আৰু নীতিনিৰ্ধাৰকসকলে ঘৰুৱা অবৈতনিক শ্ৰমক ৰাষ্ট্ৰীয় অৰ্থনীতিৰ মূলসুঁতিত অন্তৰ্ভুক্ত কৰাৰ বাবে অধিক ব্যৱহাৰিক পদক্ষেপ গ্ৰহণ কৰিব বুলি আশা কৰিব পাৰি। গৃহিণীসকলৰ শ্ৰম অমূল্য সঁচা, কিন্তু সেই অমূল্য শ্ৰমক 'মূল্যহীন' বুলি ভবাৰ যি গুৰুতৰ ভুল সমাজে কৰি আহিছিল, সৰ্বোচ্চ ন্যায়ালয়ে আজি তাৰ এক উচিত উত্তৰ প্ৰদান কৰিলে।

# অম্বুবাচী ঃ কেৱল এক ধৰ্মীয় উৎসৱ নহয়

নিবেদিতা হাজৰিকা

সমগ্ৰ উত্তৰ পূব ভাৰততে পালন কৰা 'অম্বুবাচী মেলা' এক ধৰ্মীয় উৎসৱ। জুন মাহৰ মাজ ভাগত, আহাৰ মাহত মৃগ শিৰা নক্ষত্ৰৰ তিনি পদ শেষ হ'লে চতুৰ্থ পাদৰ পৰা আৰম্ভ কৰি আদ্ৰা নক্ষত্ৰৰ প্ৰথম পাদৰ ভিতৰত পৃথিৱী বা মা ধৰিত্ৰী ঋতুমতী হয় আৰু সেই সময়ত সেয়েহে হিন্দু ধৰ্মাৱলম্বী লোক সকলে অম্বুবাচী পালন কৰে। আদ্ৰা নক্ষত্ৰৰ প্ৰথম পাদত সূৰ্যৰ অৱস্থিতিৰ সময়খিনিকে অম্বুবাচী বুলি কোৱা হয়। ইয়াক ষাঁঠ বা আমতি হিচাপেও জনা যায়। এই উৎসৱ জেঠ মাহ শেষ হ'বলৈ চাৰি দিন বাকী থাকোঁতে আৰম্ভ হয় আৰু আহাৰ মাহৰ তিনি তাৰিখলৈকে চলে। এই সময়ত কোনো ধৰণৰ মাংগলিক অনুষ্ঠান আয়োজন কৰা নহয়, মাটি আদি খন্দা নহয়।

অম্বুবাচীৰ আক্ষৰিক অৰ্থ হৈছে পানীৰ লগত কথা কোৱা। এই উৎসৱ সম্পূৰ্ণ নাৰী কেন্দ্ৰিক উৎসৱ। ধৰিত্ৰীৰ এই ঋতুমতী হোৱা প্ৰক্ৰিয়াটো নাৰীৰ সৃষ্টিশীলতা আৰু প্ৰজনন ক্ষমতাৰ সৈতে তুলনা কৰা হয়। জনবিশ্বাস অনুসৰি অম্বুবাচীৰ জৰিয়তে পৃথিৱীৰ উৰ্বৰতা শক্তি বৃদ্ধি হয় আৰু ইয়াক উৎপাদনক্ষম কৰি তোলে। সৃষ্টিৰ উৎস আৰু নাৰীত্বক সন্মান জনোৱা এই সময়খিনিত প্ৰকৃতিৰ সৃষ্টিশীল শক্তিয়ে এক নতুন ৰূপ লাভ কৰে। অম্বুবাচীৰ এক নিজস্ব স্বকীয়তা আছে। প্ৰাকৃতিক নিয়মেৰে বাৰিষাৰ প্ৰথম ভাগত (আহাৰ মাহত) যেতিয়া ধৰিত্ৰী পানী পাই সজীৱ হৈ উঠে, তেতিয়াৰ পৰা এই উৎসৱৰ পৰম্পৰা আৰম্ভ হয়। অম্বুবাচীয়ে সমাজত নাৰীৰ ঋতুস্ৰাৱক অশুচি বুলি ভবা অন্ধবিশ্বাসক প্ৰত্যাহ্বান জনায়। এই কাৰ্যক এক পবিত্ৰ আৰু প্ৰাকৃতিক সৃষ্টিৰ প্ৰক্ৰিয়া হিচাপে গণ্য কৰি নাৰী শক্তিৰ 'শক্তি'ক আৰাধনা কৰা হয়।

অম্বুবাচীৰ লগত জড়িত হৈ থকা আন এটা বিষয় হৈছে 'অম্বুবাচী মেলা'। কামাখ্যা দেৱীক প্ৰকৃতিৰ উৰ্বৰা শক্তিৰ আধাৰ হিচাপে গণ্য কৰা হয় সেয়েহে এই উৎসৱ কামাখ্যা ধামতেই উলহ-মালহেৰে পালন কৰা হয়। অসমৰ গুৱাহাটীৰ ব্ৰহ্মপুত্ৰ নদীৰ পাৰৰ নীলাচল পাহাৰত অৱস্থিত বিখ্যাত কামাখ্যা ধামত অনুষ্ঠিত হোৱা এক বিশাল মেলা। অম্বুবাচী মেলা উৎসৱ সমগ্ৰ ভাৰতবৰ্ষৰ ধৰ্মীয় দিশত এক উল্লেখনীয় উৎসৱৰ অন্যতম। এই উৎসৱৰ বাবেই আজি কামাখ্যা মন্দিৰৰ জনপ্ৰিয়তা বহু দূৰলৈ সম্প্ৰসাৰিত হৈছে। এই উৎসৱ পালন কৰাৰ ক্ষেত্ৰত কোনো বৈজ্ঞানিক ভিত্তি নাই যদিও ই হৈছে প্ৰাচীন কালৰে পৰা অসমত প্ৰচলিত হৈ অহা এক জনপ্ৰিয় পৰম্পৰাগত উৎসৱ তথা লোকাচাৰ। এক ধৰ্মীয় তথা সামাজিক সমাবেশ হৈছে এই মেলা, য'ত বিভিন্ন লোক একত্ৰিত হয় আৰু উৎসৱ উদযাপন কৰে। অম্বুবাচী মেলাক তান্ত্ৰিক বিদ্যাৰ বাবে বিশেষ সময় বুলি কোৱা হয়। এই সকল সাধকৰ বাবে অম্বুবাচীৰ সময়খিনি বৰ গুৰুত্বপূৰ্ণ। শুনিবলৈ পোৱা যায় যে বহু সাধু -সন্ন্যাসীয়ে হেনো বিগত বাৰ বছৰ কাল ভাৰতবৰ্ষৰ বিভিন্ন তীৰ্থস্থান ভ্ৰমণ কৰি আহি ১৩ বছৰত কামাখ্যা ধামৰ অম্বুবাচী মেলাত তেওঁলোকৰ যাত্ৰাৰ সামৰণি মাৰে। বহুতে বিশ্বাস কৰে যে সমগ্ৰ ভাৰতবৰ্ষৰ তীৰ্থস্থান ভ্ৰমণ কৰিলেও অম্বুবাচী মেলাত কামাখ্যা দৰ্শন নকৰিলে হেনো পুণ্য নহয়। জুন মাহৰ প্ৰথমৰ পৰাই গুৱাহাটীলৈ অম্বুবাচী উদ্দেশ্যে দেশৰ বিভিন্ন প্ৰান্তৰ সাধু-সন্ন্যাসীৰ আগমন ঘটে। শক্তিপীঠ কামাখ্যা মন্দিৰত যথেষ্ট আড়ম্বৰ পূৰ্ণ ভাৱে অম্বুবাচী মেলাৰ আয়োজন কৰা হয়। । গুৱাহাটীৰ কামাখ্যা ধামৰ অম্বুবাচী মেলাই আন্তৰ্জাতিক আৰু জাতীয় সম্প্ৰীতি ৰক্ষা কৰাৰ ক্ষেত্ৰত বহুখিনি অৰিহনা যোগাইছে। এই উৎসৱে সৰ্ব ভাৰতীয় দৃষ্টি আকৰ্ষণ কৰিব পৰাটো অতি আনন্দৰ কথা।

তান্ত্ৰিক শাস্ত্ৰত প্ৰকৃতিৰ এই পৰিৱৰ্তনশীল অৱস্থাক অত্যন্ত গুৰুত্বপূৰ্ণ বুলি গণ্য কৰা হয়। তান্ত্ৰিক সাধনা আৰু শক্তি ধৰ্মৰ এক অন্যতম মিলন কেন্দ্ৰ অম্বুবাচী মেলা। দেশ -বিদেশৰ পৰা অহা সাধু-সন্ন্যাসী আৰু ভক্ত সকলে এই সময়ত মন্দিৰৰ বাহিৰত নিজৰ আধ্যাত্মিক সাধনা আৰু পূজা-পাঠ কৰে। মহাযোগৰ সৃষ্টি হোৱা এই সময়ছোৱাত বিভিন্ন ৰাজ্যৰ পৰা অহা ভক্তৰ সমাহাৰে ইয়াক এক মিলন ক্ষেত্ৰলৈ পৰিণত কৰিছে। এই সময়ত কামাখ্যা মন্দিৰত উদুলি-মুদুলি পৰিৱেশৰ সৃষ্টি হয়। নীলাচল পাহাৰৰ চৌপাশে এক আধ্যাত্মিক পৰিৱেশে বিৰাজ কৰে। কামাখ্যা মন্দিৰলৈ অগণন ভক্তৰ লগতে তান্ত্ৰিক সকলৰো আগমন ঘটে। এই সময়ত গোপন সাধনা আৰু মন্ত্ৰ সিদ্ধিৰ দ্বাৰা তান্ত্ৰিক সকলে বিশেষ আধ্যাত্মিক শক্তি অৰ্জন কৰে। যোৱা কিছু বছৰৰ পৰা দেশ-বিদেশৰ লাখ-লাখ ভক্তই অম্বুবাচী উৎসৱলৈ আহি দেৱীৰ আশীৰ্বাদ লৈ পুনৰ নিজৰ ঠাইলৈ আনন্দ মনে উভতি যায়। পূব ভাৰতৰ সৰ্ববৃহৎ সমাৰোহ হিচাপে পৰিচিত কামাখ্যা মন্দিৰত আয়োজিত অম্বুবাচী মেলাৰ এক স্বকীয়তা আছে। কৃষি-সমাজ আৰু ধৰ্মীয় আদৰ্শৰ গঠনমূলক প্ৰভাৱে এই (পৃথিৱী চুৱা) হোৱা পৰিঘটনা বাস্তৱ হোৱাৰ ক্ষেত্ৰত বিশেষ অৰিহনা যোগাইছে। বিশ্বজুৰি এক অদ্বিতীয় আধ্যাত্মিক মহোৎসৱ হিচাপে পৰিগণিত হোৱা এই উৎসৱ কেৱল এক ধৰ্মীয় উৎসৱ নহয়, এই উৎসৱে সৃষ্টিৰ মূল আধাৰ নাৰীত্ব আৰু ঋতুস্ৰাৱক এক পবিত্ৰ আৰু সৰ্বোচ্চ সৃষ্টিশীল শক্তি হিচাপে সন্মান জনায়। কামাখ্যা মন্দিৰক যিদৰে বিশ্ববাসীয়ে ঐতিহ্য ক্ষেত্ৰ হিচাপে গণ্য কৰি আহিছে, ঠিক সেইদৰে অম্বুবাচী মেলা বা উৎসৱেও তেনে ঐতিহ্য বহন কৰি অসম -অসমীয়া, ইয়াৰ কৃষ্টি, সমাজ, ধৰ্মীয় পৰম্পৰাৰে বিশ্ববাসীৰ ওচৰত জিলিকি উঠক।

# স্বাস্থ্যণ্ডৰ আন্তঃগাঁথনি আৰু জনসাধাৰণৰ অধিকাৰ

কবিতা নাথ

যিকোনো এখন কল্যাণকামী ৰাষ্ট্ৰ বা ৰাজ্যৰ উন্নয়নৰ প্ৰকৃত জোখমাৰি কেৱল অৰ্থনৈতিক বিকাশ, চকুত চমক লগোৱা আন্তঃগাঁথনিৰ সম্প্ৰসাৰণ বা জনমূৰি আয়ৰ মাজতেই সীমাবদ্ধ নাথাকে; বৰঞ্চ ইয়াৰ প্ৰকৃত মাপকাঠি নিহিত হৈ থাকে সাধাৰণ জনগণে লাভ কৰা স্বাস্থ্য আৰু শিক্ষাৰ দৰে মৌলিক অধিকাৰসমূহৰ ওপৰত। শেহতীয়াকৈ ৰাষ্ট্ৰীয় পৰিসংখ্যা কাৰ্যালয় (NSO) আৰু পৰিসংখ্যা মন্ত্ৰালয়ৰ দ্বাৰা প্ৰকাশিত স্বাস্থ্য সম্পৰ্কীয় ৮০ সংখ্যক ৰাষ্ট্ৰীয় নমুনা জৰীপৰ (NSS 80th Round, 2025-26) তথ্যই সমগ্ৰ দেশৰ লগতে আমাৰ ৰাজ্যখনৰ স্বাস্থ্য ব্যৱস্থাত থকা এক গভীৰ আৰু উদ্বেগজনক বৈষম্যৰ ছবি উন্মোচিত কৰিছে। এই জৰীপৰ প্ৰতিবেদন আৰু শেহতীয়া স্বাস্থ্য সূচকসমূহ ফঁহিয়াই চালে দেখা যায় যে চহৰাঞ্চল আৰু গ্ৰামাঞ্চলৰ মাজত স্বাস্থ্যসেৱা লাভৰ ক্ষেত্ৰত এক বৃহৎ আৰু স্পষ্ট ব্যৱধান বিৰাজমান। চৰকাৰৰ ফালৰ পৰা সকলোৰে বাবে স্বাস্থ্য নিশ্চিত কৰাৰ প্ৰতিশ্ৰুতি দিয়াৰ পিছতো, বাস্তৱ ক্ষেত্ৰত গ্ৰাম্য ভাৰত তথা ৰাজ্যৰ দুৰ্গম অঞ্চলৰ জনসাধাৰণ উন্নত চিকিৎসা সেৱাৰ পৰা আজিও বহু যোজন দূৰত অৱস্থান কৰিছে। এই পৰিসংখ্যাই আমাৰ নীতিনিৰ্ধাৰকসকলৰ সন্মুখত এক কঠিন প্ৰশ্নবোধক চিহ্ন আঁকি দিছে আৰু স্বাস্থ্যখণ্ডৰ গাঁথনিগত দুৰ্বলতাসমূহ পুনৰীক্ষণ কৰাৰ এক জৰুৰী প্ৰয়োজনীয়তাৰ সৃষ্টি কৰিছে।

গ্ৰামাঞ্চল আৰু চহৰাঞ্চলৰ মাজত থকা এই স্বাস্থ্য বৈষম্যৰ আটাইতকৈ মুখ্য কাৰণটো হৈছে আন্তঃগাঁথনি আৰু মানৱ সম্পদৰ অসম বিতৰণ। ৰাজ্যৰ অধিকাংশ উন্নত চিকিৎসালয়, চিকিৎসা মহাবিদ্যালয় আৰু অত্যাধুনিক সা-সুবিধাৰে সমৃদ্ধ ব্যক্তিগত খণ্ডৰ চিকিৎসালয়সমূহ কেৱল চহৰকেন্দ্ৰিক হৈ পৰিছে। ইয়াৰ বিপৰীতে গাঁৱৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ (PHC) আৰু সামূহিক স্বাস্থ্য কেন্দ্ৰসমূহত (CHC) পৰ্যাপ্ত চিকিৎসক, বিশেষজ্ঞ আৰু অত্যাৱশ্যকীয় জীৱনদায়িনী ঔষধৰ তীব্ৰ নাটনি পৰিলক্ষিত হৈছে। জৰীপৰ তথ্য অনুসৰি, গ্ৰামাঞ্চলৰ সামূহিক স্বাস্থ্য কেন্দ্ৰসমূহত প্ৰায় ৭০ৰ পৰা ৮০ শতাংশ বিশেষজ্ঞ চিকিৎসকৰ পদ খালী হৈ আছে। চৰকাৰে চিকিৎসা মহাবিদ্যালয়ৰ সংখ্যা আৰু এম বি বি এছ (MBBS) আসনৰ সংখ্যা যথেষ্ট পৰিমাণে বৃদ্ধি কৰিলেও, গ্ৰামাঞ্চলত সেৱা আগবঢ়াবলৈ চিকিৎসকসকলৰ অনীহা আজিও এক ডাঙৰ প্ৰত্যাহ্বান হৈ পৰিছে। উন্নত বাসস্থান, সুৰক্ষা, কৰ্মক্ষেত্ৰৰ উপযুক্ত পৰিৱেশ আৰু পেছাদাৰী বিকাশৰ সীমিত সুযোগৰ বাবে চিকিৎসকসকলে চহৰাঞ্চলত থাকিবলৈহে বেছি পছন্দ কৰে। ফলস্বৰূপে, গ্ৰাম্য জনসাধাৰণ সাধাৰণ ৰোগৰ চিকিৎসাৰ বাবেও চহৰৰ চিকিৎসালয়লৈ ঢাপলি মেলিবলগীয়া হয়, যিয়ে কেৱল ৰোগীৰ ওপৰতেই নহয়, চহৰৰ চিকিৎসালয়সমূহৰ ওপৰতো অত্যধিক বোজা জাপি দিছে। জৰীপটোৱে ৰোগৰ প্ৰকৃতি আৰু প্ৰাদুৰ্ভাৱৰ ক্ষেত্ৰতো এক গুৰুত্বপূৰ্ণ পাৰ্থক্য দাঙি ধৰিছে। বৰ্তমান সময়ত চহৰাঞ্চলৰ লোকসকল মূলত জীৱনশৈলীৰ সৈতে জড়িত অসংক্ৰামক ৰোগ (Non-Communicable Diseases) যেনে- বহুমূত্ৰ, উচ্চ ৰক্তচাপ, মেদবহুলতা আৰু হৃদৰোগত অধিক আক্ৰান্ত হোৱা দেখা গৈছে। কিন্তু গ্ৰামাঞ্চলৰ ছবিখন অধিক জটিল আৰু ভয়ংকৰ। গাঁৱৰ মানুহে এফালে মেলেৰিয়া, ডেংগু, যক্ষ্মা আৰু অন্যান্য সংক্ৰামক ৰোগৰ সৈতে যুঁজিবলগীয়া হৈছে, আৰু আনফালে আধুনিক জীৱনযাত্ৰাৰ প্ৰভাৱত তেওঁলোকৰ মাজতো অসংক্ৰামক ৰোগৰ হাৰ বৃদ্ধি পাবলৈ ধৰিছে। তদুপৰি, গ্ৰামাঞ্চলত ধঁপাত আৰু মদ্যপানৰ দৰে ক্ষতিকৰ অভ্যাসৰ প্ৰচলন তুলনামূলকভাৱে অধিক, যিয়ে কৰ্কট ৰোগৰ দৰে ভয়াৱহ ব্যাধিৰ আশংকা বৃদ্ধি কৰিছে। কিন্তু দুৰ্ভাগ্যজনকভাৱে, গাঁৱৰ চিকিৎসালয়সমূহত এনে জটিল ৰোগৰ প্ৰাথমিক নিদান (Early diagnosis) আৰু পৰীক্ষা-নিৰীক্ষাৰ বাবে প্ৰয়োজনীয় পৰীক্ষাগাৰ বা ৰোগ নিৰ্ণয় কেন্দ্ৰৰ (diagnostic centres) ঘোৰ অভাৱ। ফলত ৰোগৰ প্ৰাথমিক অৱস্থাত চিকিৎসা লাভৰ পৰা বঞ্চিত হৈ বহু ৰোগীয়ে অকালতে প্ৰাণ হেৰুৱাবলগীয়া পৰিস্থিতিৰ সৃষ্টি হৈছে। স্বাস্থ্যখণ্ডৰ এই বৈষম্যই সৰ্বসাধাৰণৰ ওপৰত আৰ্থিক দিশৰ পৰাও প্ৰচণ্ড মাধমাৰ শোধাইছে। জৰীপৰ পৰিসংখ্যাই দেখুৱাইছে যে গ্ৰামাঞ্চলৰ সৰহসংখ্যক লোক চিকিৎসাৰ বাবে চৰকাৰী চিকিৎসালয়ৰ ওপৰত নিৰ্ভৰশীল যদিও জৰুৰীকালীন অৱস্থাত তেওঁলোক চহৰৰ ব্যক্তিগত চিকিৎসালয়ৰ কাষ চাপিবলৈ বাধ্য হয়। 'আয়ুষ্মান ভাৰত' আৰু 'মুখ্যমন্ত্ৰীজন আৰোগ্য যোজনা'ৰ দৰে অভিলাষী স্বাস্থ্য বীমা আঁচনিসমূহে দৰিদ্ৰ লোকসকলক কিছু সকাহ দিছে সঁচা, কিন্তু ইয়াৰ সুফল গ্ৰামাঞ্চলৰ তৃণমূল পৰ্যায়লৈ সমভাৱে প্ৰসাৰিত হোৱা নাই। বেছিভাগ পঞ্জীয়নভুক্ত আৰু উন্নত চিকিৎসালয় চহৰাঞ্চলত থকাৰ বাবে গাঁৱৰ ৰোগীসকলে যাতায়াত, থকা-মেলা আৰু আনুষংগিক ব্যয়ৰ বাবে নিজৰ জেপৰ পৰা বৃহৎ পৰিমাণৰ ধন (out-of-pocket expenditure) খৰচ কৰিবলগীয়া হয়। এই পৰোক্ষ ব্যয়ৰ বোজা বীমা আঁচনিয়ে সামৰি নলয়। বহু সময়ত চিকিৎসাৰ ব্যয় বহন কৰিবলৈ গৈ দৰিদ্ৰ পৰিয়ালসমূহ মহাজনৰ ওচৰত ঋণৰ বোজাত পোত যায়, যিয়ে তেওঁলোকক আৰ্থিকভাৱে চিৰদিনৰ বাবে নিস্ব কৰি তোলে। এই গভীৰ সংকটৰ পৰা পৰিত্ৰাণ পাবলৈ কেৱল ইটা-চিমেণ্টৰে চিকিৎসালয়ৰ আন্তঃগাঁথনি নিৰ্মাণ কৰাই যথেষ্ট নহয়, ইয়াৰ বাবে প্ৰয়োজন এক সুচিন্তিত, সংবেদনশীল আৰু বিকেন্দ্ৰীকৃত স্বাস্থ্য নীতিৰ। চৰকাৰে গ্ৰামাঞ্চলৰ চিকিৎসালয়সমূহত চিকিৎসক আৰু স্বাস্থ্যকৰ্মীৰ উপস্থিতি নিশ্চিত কৰিবলৈ কেৱল নিৰ্দেশনা জাৰি কৰাৰ সলনি তেওঁলোকক আকৰ্ষণীয় বিত্তীয় আৰু অন্যান্য প্ৰণোদনা (incentives) প্ৰদান কৰিব লাগিব। সামূহিক স্বাস্থ্য কেন্দ্ৰসমূহত আটাইকেইটা মূল বিভাগৰ বিশেষজ্ঞৰ দলবদ্ধ নিযুক্তি (team-based deployment) নিশ্চিত কৰাটো অতি প্ৰয়োজনীয়। ইয়াৰ উপৰিও আধুনিক প্ৰযুক্তি আৰু ডিজিটেল স্বাস্থ্য সেৱা, যেনে- টেলিমেডিচিন (Telemedicine) ব্যৱস্থাক অধিক সুদৃঢ় আৰু জনপ্ৰিয় কৰিব লাগিব, যাতে গাঁৱৰ ৰোগীয়ে নিজৰ ঠাইৰ পৰাই চহৰৰ বিশেষজ্ঞ চিকিৎসকৰ পৰামৰ্শ লাভ কৰিব পাৰে।

এখন ৰাজ্যৰ সামগ্ৰিক আৰু বহনক্ষম উন্নয়ন কেতিয়াও সম্ভৱ নহয় যদিহে ইয়াৰ গৰিষ্ঠসংখ্যক গ্ৰাম্য জনসাধাৰণ গুণগত স্বাস্থ্যসেৱাৰ পৰা বঞ্চিত হৈ থাকে। শেহতীয়া জৰীপে দাঙি ধৰা এই বৈষম্য কেৱল এক পৰিসংখ্যাৰ তালিকা নহয়; ই হৈছে আমাৰ স্বাস্থ্য ব্যৱস্থাৰ ভেটিত থকা দুৰ্বলতা আৰু সামাজিক ন্যায়ৰ অভাৱৰ এক স্পষ্ট প্ৰতিফলন। চহৰ আৰু গাঁৱৰ মাজত থকা স্বাস্থ্যসেৱাৰ এই প্ৰাচীৰখন নিৰ্মূল কৰাটোৱেই বৰ্তমান চৰকাৰ আৰু নীতি নিৰ্ধাৰকসকলৰ প্ৰধান লক্ষ্য হোৱা উচিত। 'সকলোৰে বাবে স্বাস্থ্য'ৰ শ্লোগান তেতিয়াহে সাৰ্থক হ'ব যেতিয়া ৰাজ্যখনৰ একেবাৰে দুৰ্গম গাঁওখনৰ এজন দৰিদ্ৰ কৃষকেও চহৰৰ এজন আঢ্যৱন্ত লোকৰ সমানেই উন্নত, দ্ৰুত আৰু পৰ্যাপ্ত চিকিৎসা সেৱা লাভ কৰাৰ অধিকাৰ লাভ কৰিব। ইয়াৰ বাবে প্ৰয়োজন চৰকাৰৰ দৃঢ় ৰাজনৈতিক সদিচ্ছা, স্বাস্থ্যখণ্ডত উপযুক্ত বিনিয়োগ আৰু এক স্পৰ্শকাতৰ উত্তৰদায়ী প্ৰশাসনৰ।

■ ৩ জুলাইৰ পৰা তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচী ■

# দক্ষিণ বৰপেটা বিদ্যামন্দিৰত ২২ সংখ্যক ৰাজ্যিক শিশু বিজ্ঞান সমাৰোহ

**অসম বাৰ্তা, কুমুল্লী পৰা, ২৫ জুন ঃ** জ্ঞান বিজ্ঞান সমিতি, অসমৰ অন্তৰ্গত বৰপেটা জিলা জ্ঞান বিজ্ঞান সমিতিৰ উদ্যোগত আৰু জ্ঞান বিজ্ঞান সমিতি, বৰপেটা শাখাৰ সহযোগত ২২ সংখ্যক ৰাজ্যিক শিশু বিজ্ঞান সমাৰোহ (শিকাৰ আনন্দ উৎসৱ) অহা ৩, ৪ আৰু ৫ জুলাই, ২০২৬ তাৰিখে সত্ৰনগৰী বৰপেটাৰ দক্ষিণ বৰপেটা বিদ্যামন্দিৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত হ'ব। তিনিদিনীয়া এই ৰাজ্যিক পৰ্যায়ৰ সমাৰোহত অসমৰ বিভিন্ন জিলাৰ পৰা অহা তিনি শতাধিক শিশু অংশগ্ৰহণকাৰীয়ে যোগদান কৰিব বুলি আয়োজক সমিতিয়ে জানিবলৈ দিছে। শিশুসকলৰ মাজত বৈজ্ঞানিক মানসিকতা, অনুসন্ধিৎসু চিন্তাধাৰা, সৃষ্টিশীলতা আৰু পৰিৱেশ সচেতনতা গঢ়ি তোলাৰ লক্ষ্যৰে আয়োজন কৰা এই সমাৰোহক সফল ৰূপ দিয়াৰ উদ্দেশ্যে ইতিমধ্যে ব্যাপক প্ৰস্তুতি আৰম্ভ কৰা হৈছে। ইয়াৰ অংশ হিচাপে সমাৰোহৰ বাবে প্ৰয়োজনীয় ছয়টা বিষয়ৰ পাৰদৰ্শী শিক্ষক-শিক্ষয়িত্ৰীসকলৰ প্ৰশিক্ষণ কাৰ্যসূচী যোৱা ১৪ জুনত বৰপেটা নাৰ্চাৰী কাম প্ৰাইমাৰী স্কুল প্ৰাংগনত অনুষ্ঠিত হয়। প্ৰশিক্ষণ কাৰ্যসূচীৰ উদ্বোধনী সভাত সমাৰোহ উদযাপন সমিতিৰ সভাপতি উদ্ধৱ চন্দ্ৰ দাসে সভাপতিত্ব কৰে। সভাত আদৰণি ভাষণ আগবঢ়ায় শৈক্ষিক সমিতিৰ উপদেষ্টা তথা ডায়েটৰ অৱসৰী অধ্যক্ষ ড° কুলৰঞ্জন ডেকাই। অনুষ্ঠানৰ উদ্দেশ্য ব্যাখ্যা কৰে জিলা সম্পাদক তিলক শৰ্মাই। জ্ঞান বিজ্ঞান সমিতি, অসমৰ কেন্দ্ৰীয় সচিব সুস্নাতা গোস্বামী আৰু সমন্বয়ক হিৰণ্য নাথে ৰাজ্যিক শিশু বিজ্ঞান সমাৰোহৰ লক্ষ্য, উদ্দেশ্য আৰু তাৎপৰ্য সম্পৰ্কে বিশদভাৱে আলোকপাত কৰে। অনুষ্ঠানটো পৰিচালনা কৰে শৈক্ষিক সমিতিৰ কাৰ্যকৰী সভাপতি ৰঞ্জিত কুমাৰ কলিতাই। কেন্দ্ৰীয় সমিতিৰ মূল সমল ব্যক্তিসকলে জিলাখনৰ পাৰদৰ্শী শিক্ষকসকলক প্ৰয়োজনীয় প্ৰশিক্ষণ প্ৰদান কৰে। অনুষ্ঠানত জিলা সমন্বয়ক ৰণজিৎ কুমাৰ দাস, হৰেন্দ্ৰ নাথ দাস, উদযাপন সমিতিৰ সম্পাদক নিয়তি পাঠক, কাৰ্যকৰী সভাপতি গীতাঞ্জলি দেৱী, উপদেষ্টা দিলীপ কুমাৰ দাস, বিশিষ্ট লোকগীত শিল্পী বসন্ত পাটগিৰিকে ধৰি বহু বিষয়ববীয়া আৰু সদস্য উপস্থিত থাকে। সমাৰোহৰ প্ৰথম দিনা, অৰ্থাৎ ৩ জুলাইত, পতাকা উত্তোলন, স্মৃতিতৰ্পণ, গণপুথি মেলা, বিজ্ঞান গ্ৰন্থাগাৰ, কলা কৰ্ণাৰ, বিভিন্ন বিজ্ঞানভিত্তিক শিক্ষণ ক্ষেত্ৰ আৰু শিক্ষণ-শিকন কেন্দ্ৰ উদ্বোধনৰ জৰিয়তে কাৰ্যসূচীৰ শুভাৰম্ভ হ'ব। ইয়াৰ লগতে শিশু অংশগ্ৰহণ কাৰীসকলৰ বিভিন্ন সৃষ্টিশীল আৰু বিজ্ঞানভিত্তিক শিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হ'ব। ৪ জুলাইত শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ বিভিন্ন পৰ্যায়, বিজ্ঞানভিত্তিক উপস্থাপনা, সামূহিক সংগীত, গণপুথি মেলা, কলা কৰ্ণাৰ আৰু আকাশ পৰ্যবেক্ষণৰ দৰে আকৰ্ষণীয় কাৰ্যসূচী অনুষ্ঠিত হ'ব। বিশেষকৈ সন্ধিয়াৰ আকাশ পৰ্যবেক্ষণ কাৰ্যসূচীয়ে শিশু-কিশোৰসকলৰ মাজত মহাকাশ বিজ্ঞান আৰু জ্যোতিৰ্বিজ্ঞানৰ প্ৰতি আগ্ৰহ বৃদ্ধি কৰাত সহায় কৰিব বুলি আয়োজকসকলে আশা প্ৰকাশ কৰিছে। সমাৰোহৰ অন্তিম দিন ৫ জুলাইত মুকলি অধিৱেশন, স্মৰণিকা উন্মোচন, প্ৰমাণপত্ৰ বিতৰণ আৰু বৰ্ণাঢ্য সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব। এই মুকলি অধিৱেশনত জ্ঞান বিজ্ঞান সমিতি, অসমৰ সভাপতি আমিনুল হক, বিশিষ্ট শিক্ষাবিদ, সমাজসেৱী, সাংস্কৃতিক ব্যক্তিত্ব আৰু বিভিন্ন ক্ষেত্ৰৰ গণ্যমান্য ব্যক্তিসকলে অংশগ্ৰহণ কৰিব। আয়োজক সমিতিৰ মতে, বিজ্ঞানভিত্তিক শিক্ষা আৰু আনন্দময় শিক্ষণ পদ্ধতিৰ জৰিয়তে নতুন প্ৰজন্মৰ মাজত যুক্তিবাদী চিন্তা, সৃষ্টিশীলতা, বৈজ্ঞানিক দৃষ্টিভংগী আৰু সামাজিক দায়বদ্ধতা গঢ়ি তোলাই এই সমাৰোহৰ মূল লক্ষ্য। উল্লেখ্য যে, জ্ঞান বিজ্ঞান সমিতি, অসমৰ এই ৰাজ্যিক শিশু বিজ্ঞান সমাৰোহে বিগত দুটা দশক ধৰি ৰাজ্যখনত বিজ্ঞান জনপ্ৰিয়কৰণ, বিজ্ঞানমনস্ক সমাজ গঠন আৰু বিকল্প শিক্ষণ পদ্ধতিৰ বিকাশত এক উল্লেখযোগ্য ভূমিকা পালন কৰি আহিছে। সমাৰোহ সফল কৰি তুলিবলৈ আয়োজক সমিতিয়ে শিক্ষানুৰাগী ব্যক্তি, অভিভাৱক, শিক্ষক-শিক্ষয়িত্ৰী আৰু সচেতন ৰাইজৰ সহযোগিতা কামনা কৰিছে।




▫ নাই চিকিৎসক, নাই ঔষধ ▫

# এগৰাকী নাৰ্ছেই চলাইছে গহপুৰৰ ধন্দী আয়ুষ্মান আৰোগ্য মন্দিৰ

**অসম বাৰ্তা, গহপুৰ, ২৫ জুন ঃ** আটকধুনীয়া আন্তঃগাঁথনিৰে পৰিৱেশিষ্ট স্বাস্থ্য কেন্দ্ৰ থকাৰ পাছটো গহপুৰ সমজিলাৰ এটা অঞ্চলৰ ৰাইজে প্ৰাথমিক চিকিৎসা সেৱাৰ পৰাও বঞ্চিত হৈ থাকিব লগা হৈছে। অঞ্চলটোত কেৱল ৰঙচঙীয়াকৈ স্বাস্থ্য কেন্দ্ৰটো জিলিকি আছে যদিও স্বাস্থ্য কেন্দ্ৰটোত নাই কোনো চিকিৎসক, নাই পৰ্যাপ্ত নাৰ্ছ, নাই পৰ্যাপ্ত ঔষধৰ যোগান। গহপুৰ সমজিলাৰ দক্ষিণাঞ্চলৰ ধন্দীপথাৰত থকা স্বাস্থ্য কেন্দ্ৰটোত আৰম্ভণিৰ দিনৰ পৰা আজিলৈকে বিভাগীয় কৰ্তৃপক্ষই নিযুক্তি নিদিলে এজনো চিকিৎসক। ধন্দী আয়ুষ্মান আৰোগ্য মন্দিৰটো বৰ্তমান মাত্ৰ এগৰাকী এএনএম নাৰ্ছ পৰিচালনা কৰি থকা পৰিলক্ষিত হৈছে। চাৰিহাজাৰৰো অধিক জনসাধাৰণৰ বসতি থকা অঞ্চলটোৰ স্বাস্থ্য কেন্দ্ৰটোত ৰাইজৰ অনুপাতে প্ৰয়োজন কেইবা গৰাকী স্বাস্থ্য কৰ্মীৰ লগতে চিকিৎসক। কিন্তু এই বিষয়ত কোনো কাণষাৰ নাই অসম চৰকাৰৰ বিয়াগোম স্বাস্থ্য বিভাগ। ঔষধ যোগানৰো কোনো ব্যৱস্থা নাই স্বাস্থ্য কেন্দ্ৰটোত। ৰাষ্ট্ৰীয় স্বাস্থ্যে অভিযানৰ অধীন গহপুৰৰ অতিকৈ ভিতৰুৱা অঞ্চলটোৰ ৰাইজৰ সুবিধাৰ্থে স্থাপন কৰা স্বাস্থ্য কেন্দ্ৰটোৱে এবছৰো অধিক দিন অতিক্ৰম কৰিলে যদিও স্বাস্থ্য কেন্দ্ৰটোৰ পৰা বৰ্তমানলৈকে বৃহত্তৰ অঞ্চলটোৰ ৰাইজে আজি পৰ্যন্ত প্ৰকৃত চিকিৎসা সেৱা লাভ কৰিবলৈ সক্ষম হোৱা নাই। এই ক্ষেত্ৰত অসম চৰকাৰৰ স্বাস্থ্য বিভাগে কিবা গুৰুত্ব প্ৰদান কৰিবনে সেইয়া লক্ষণীয় হৈ পৰিছে। বাহিৰে ৰঙচং ভিতৰে কোৱাভাতুৰীৰ দৰে হৈ পৰা উক্ত স্বাস্থ্য কেন্দ্ৰটোত প্ৰয়োজন অনুপাতে চিকিৎসক, নাৰ্ছ, স্বাস্থ্য কৰ্মী নিযুক্ত কৰি ভিতৰুৱা অঞ্চলটোৰ ৰাইজক সঁকাহ দিবলৈ অসম চৰকাৰৰ ওচৰত স্থানীয় ৰাইজে কঠোৰ দাবী জনাইছে।

## অযোধ্যাৰ ৰাম মন্দিৰৰ

পৰামৰ্শ অনুসৰি এই গোচৰ পঞ্জীয়ন কৰা হৈছে। প্ৰাথমিক তদন্তত পোহৰলৈ অহা তথ্যৰ ভিত্তিতে উত্তৰ প্ৰদেশ চৰকাৰৰ নিৰ্দেশত এই আইনী পদক্ষেপ গ্ৰহণ কৰা হৈছে। শ্ৰীকৃষ্ণ মোহনৰ অভিযোগৰ ভিত্তিত অযোধ্যাৰ ৰাম জন্মভূমি কোটৱালী থানাত এই এফআইআৰ ৰুজু কৰা হৈছে। গোচৰত মুঠ ৮ জন লোকৰ নাম উল্লেখ কৰা হৈছে। এফআইআৰত অভিযুক্তসকল হৈছে – ৰমাশংকৰ যাদৱ, টিনু যাদৱ, অনুকল্প মিশ্ৰ, অবিনাশ শুক্লা, মনীষ যাদৱ, ৰমাশংকৰ মিশ্ৰ, সুভাষ, কৰুণেশ আৰু লৱকুশ মিশ্ৰ। অভিযুক্তসকলৰ বিৰুদ্ধে চুৰি, চুৰি কাৰ্যত সহায়, আত্মসাৎ, প্ৰৱঞ্চনা, অপৰাধমূলক ষড়যন্ত্ৰ আৰু বিশ্বাসভংগৰ ধাৰা অন্তৰ্ভুক্ত কৰা হৈছে। উল্লেখযোগ্য যে এই এফআইআৰ এছআইটি তদন্তৰ পাছতহে পঞ্জীয়ন কৰা হৈছে, যিয়ে বিষয়টোৰ গুৰুত্ব আৰু জটিলতা প্ৰতিফলিত কৰে। ইফালে, এই গোচৰক লৈ ৰাজনৈতিক মহলত যথেষ্ট চৰ্চা আৰম্ভ হৈছে। সমাজবাদী পাৰ্টিৰ বিধায়ক ৰবিদাস মহৰোত্ৰই মুখ্যমন্ত্ৰী যোগী আদিত্যনাথৰ পদত্যাগৰ দাবী জনাইছে। তেওঁ কয় যে ৰাম মন্দিৰত দান-বৰঙনি চুৰিৰ এনে গুৰুতৰ অভিযোগ উত্থাপিত হোৱাৰ পিছত মুখ্যমন্ত্ৰীগৰাকীৰ এদিনো পদত থাকিবলৈ নৈতিক অধিকাৰ নাথাকে। বিধায়ক মহৰোত্ৰই লগতে প্ৰশ্ন উত্থাপন কৰে যে ইমান নিৰাপত্তা আৰু আৰক্ষী মোতায়েনৰ মাজতো কেনেদৰে ইমান বৃহৎ পৰিমাণৰ বৰঙনি আত্মসাৎ হ'ব পাৰিলে। তেওঁ দাবী জনায় যে এই গোচৰৰ নিৰপেক্ষ আৰু স্বচ্ছ তদন্ত হওক আৰু অপৰাধীসকলক যেন কঠোৰতম শাস্তি প্ৰদান কৰা হয়। এফআইআৰ ৰুজু হোৱাৰ পিছত আশংকা কৰা হৈছে যে অদূৰ ভৱিষ্যতে ইয়াৰ লগত জড়িত আন লোকসকলকো জেৰা কৰা হ'ব আৰু প্ৰয়োজন অনুসৰি গ্ৰেপ্তাৰী অভিযান চলাব পাৰে।

# ঢেকীয়াজুলি পৌৰসভাৰ পদেন সদস্য হিচাপে শপতগ্ৰহণ মন্ত্ৰী অশোক সিংহলৰ

**অসম বাৰ্তা, ঢেকীয়াজুলি, ২৫ জুন ঃ** শোণিতপুৰ জিলাৰ শ্বহীদ নগৰী ঢেকীয়াজুলিত আজি এক গাম্ভীৰ্যপূৰ্ণ আৰু তাৎপৰ্যপূৰ্ণ অনুষ্ঠানৰ মাজেৰে ঢেকীয়াজুলি সমষ্টিৰ বিধায়ক তথা অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী অশোক সিংহলে ঢেকীয়াজুলি পৌৰসভাৰ পদেন সদস্য হিচাপে শপতগ্ৰহণ কৰে। ঢেকীয়াজুলি পৌৰসভা কাৰ্যালয়ৰ সভাগৃহত অনুষ্ঠিত এই অনুষ্ঠানত বিভিন্ন ক্ষেত্ৰৰ বিশিষ্ট ব্যক্তি, জনপ্ৰতিনিধি, সমাজকৰ্মী আৰু পৌৰসভাৰ বিষয়ববীয়াসকল উপস্থিত থাকি অনুষ্ঠানটোক অধিক মৰ্যাদাপূৰ্ণ কৰি তোলে। অনুষ্ঠানত ঢেকীয়াজুলি সম-জিলা আয়ুক্ত কাৰ্যালয়ৰ সহকাৰী আয়ুক্ত তৃষ্ণা শৰ্মাই মন্ত্ৰী অশোক সিংহলক শপতবাক্য পাঠ কৰায়। শপতগ্ৰহণৰ জৰিয়তে মন্ত্ৰীগৰাকীয়ে পৌৰসভাৰ পদেন সদস্য হিচাপে দায়িত্ব গ্ৰহণ কৰে। পৌৰসভাৰ পদেন সদস্যৰ দায়িত্ব গ্ৰহণ কৰি মন্ত্ৰী অশোক সিংহলে পৌৰসভা এলেকাত বেদখল মুক্ত কৰাৰ হুংকাৰ দিয়ে। এই উপলক্ষে উপস্থিত অতিথিসকলে হাততালি আৰু শুভেচ্ছা জ্ঞাপনৰ মাজেৰে মন্ত্ৰীগৰাকীক অভিনন্দন জনায়। অনুষ্ঠানত বিশিষ্ট সমাজকৰ্মী ৰমেশ চন্দ্ৰ বৰা, অগপ নেতা ৰাতুল কুমাৰ নাথ, বিজেপিৰ জ্যেষ্ঠ নেতাজন শইকীয়া, সমাজকৰ্মী নাৰায়ণ বৰা, ঢেকীয়াজুলি পৌৰসভাৰ কাৰ্যবাহী বিষয়া উদীপ্তা পাতৰ, পৌৰনেত্ৰী সুস্মিতা দাস, উপ-পৌৰনেত্ৰী তুলিকা শইকীয়া, ৱাৰ্ড কমিচনাৰ মুন্না মিশ্ৰকে ধৰি পৌৰসভাৰ বিভিন্ন ৱাৰ্ডৰ কমিচনাৰ আৰু বহু গণ্যমান্য ব্যক্তি উপস্থিত থাকে। শপতগ্ৰহণ অনুষ্ঠানৰ পাছত উপস্থিত বিশিষ্ট ব্যক্তিসকলে মন্ত্ৰী অশোক সিংহলক অভিনন্দন জ্ঞাপন কৰি কয় যে তেওঁৰ অভিজ্ঞতা, দূৰদৰ্শী চিন্তাধাৰা আৰু উন্নয়নমুখী নেতৃত্বৰ ফলত ঢেকীয়াজুলি পৌৰসভাৰ উন্নয়নমূলক কাম-কাজ অধিক গতিশীল আৰু ফলপ্ৰসূ হ'ব। বিশেষকৈ নগৰ উন্নয়ন, বাট-পথ, বিশুদ্ধ খোৱাপানী, নিকাশী ব্যৱস্থা, পৰিষ্কাৰ-পৰিচ্ছন্নতা আৰু জনসেৱামূলক বিভিন্ন আঁচনিৰ ৰূপায়ণত নতুন গতি আহিব বুলি আশা প্ৰকাশ কৰে। উপস্থিত বক্তাসকলে লগতে উল্লেখ কৰে যে ৰাজ্য চৰকাৰৰ বিভিন্ন জনকল্যাণমূলক আঁচনি সফলভাৱে ৰূপায়ণ কৰাৰ ক্ষেত্ৰত পৌৰসভা আৰু চৰকাৰৰ মাজত সমন্বয় অধিক সুদৃঢ় হ'ব। ইয়াৰ ফলত ঢেকীয়াজুলিৰ নগৰাঞ্চলৰ সামগ্ৰিক উন্নয়ন আৰু নাগৰিকসকলৰ জীৱনধাৰণৰ মানদণ্ড উন্নত হ'ব। অনুষ্ঠানৰ অন্তত মন্ত্ৰী অশোক সিংহলক ফুলাম গামোচা আৰু শুভেচ্ছা জ্ঞাপন কৰি সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানটোত উপস্থিত সকলোৰে মাজত এক উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হয় আৰু ঢেকীয়াজুলি পৌৰসভাৰ আগন্তুক দিনসমূহত অধিক উন্নয়নমুখী পদক্ষেপ গ্ৰহণৰ ক্ষেত্ৰত আশাবাদ ব্যক্ত কৰা হয়।

আঞ্চলিক পঞ্চায়তৰ সদস্য সজল চক্ৰৱৰ্ত্তীৰ

# পশ্চিম ব্ৰহ্মপুত্ৰ অঞ্চলৰ সমস্যা সমাধানৰ দাবীত দেৰগাঁও সমষ্টিৰ বিধায়কক স্মাৰকপত্ৰ

**অসম বাৰ্তা, দেৰগাঁও, ২৫ জুন ঃ** গোলাঘাট জিলাৰ দেৰগাঁও বিধানসভা সমষ্টিৰ দেৰগাঁও উত্তৰ উন্নয়ন খণ্ডৰ অন্তৰ্গত পশ্চিম ব্ৰহ্মপুত্ৰ অঞ্চলটো বিভিন্ন সমস্যাৰে ভাৰাক্ৰান্ত বানত আক্ৰান্ত এটা পিছপৰা অঞ্চল। অঞ্চলটোৰ জনসাধাৰণৰ স্বাস্থ্য সেৱাৰ একমাত্ৰ ভৰষা "খকগুগুৰি ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ" বৃহত্তৰ অঞ্চলটোৰ ৰাইজৰ স্বাস্থ্যসেৱাৰ একমাত্ৰ ভৰষা। এই স্বাস্থ্য কেন্দ্ৰটোত অলেখ সমস্যা বৰ্তি আছে। মূলত কৃষিজীৱী, মৎস্যজীৱি ৰাইজৰ বসতিস্থল অঞ্চলটোত কৃষক, তথা মৎস্য পালক সকলেও বিভিন্ন সমস্যাৰ সন্মুখীন হৈ আহিছে। তদুপৰি অঞ্চলটোত এটা উন্নত মানৰ ৰাজহুৱা প্ৰেক্ষাগৃহ/ ৰংগমঞ্চৰ অভাৱৰ উপৰিও গৰাখহনীয়াকে ধৰি বিভিন্ন সমস্যা, অভাৱ অভিযোগ বৰ্তি আছে। সেইয়ে পিছপৰা অঞ্চলটোৰ উন্নয়নৰ বাবে পশ্চিম ব্ৰহ্মপুত্ৰ আঞ্চলিক পঞ্চায়তৰ সদস্য সজল চক্ৰৱৰ্তীয়ে অঞ্চলটোৰ ৰাইজৰ হৈ সমস্যা সমূহ সমাধানৰ দাবীত কালি দেৰগাঁও সমষ্টিৰ বিধায়কক এখনি স্মাৰক পত্ৰ প্ৰদান কৰে। আঞ্চলিক পঞ্চায়তৰ সদস্য সজল চক্ৰৱৰ্তীৰ নেতৃত্বত যোৱা এটা সজাতি দলে বিধায়ক ড° মৃদুল কুমাৰ দত্তক দিয়া স্মাৰক পত্ৰত উল্লেখ কৰা দাবীসমূহৰ ভিতৰত আছে-পশ্চিম ব্ৰহ্মপুত্ৰৰ খকগুগুৰি ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰটি ৩০খন বিছনাযুক্ত চিকিৎসালয়লৈ উন্নীত কৰি প্ৰতিটো বিভাগৰ চিকিৎসকৰ চিকিৎসাৰ সুব্যৱস্থা কৰা, কৃষিজীৱী ৰাইজৰ সহায়ক হোৱাকৈ নভঙ্গা পশু চিকিৎসালয় খনত প্ৰতিদিনে চিকিৎসক থকাৰ ব্যৱস্থা আৰু ভ্ৰাম্যমাণ পশু চিকিৎসা এম্বুলেঞ্চৰ সুবিধা প্ৰদান কৰা, পশ্চিম ব্ৰহ্মপুত্ৰ গাওঁ পঞ্চায়তৰ ঘোলোং আৰু অহজাতি বিল খনত মাছ পালনৰ সু ব্যৱস্থা কৰি দিয়া, ব্ৰহ্মপুত্ৰ অঞ্চলৰ কৃষক সকলে বাৰ মাহে পানী পাব পৰাকৈ পথাৰত জলসিঞ্চনৰ ব্যৱস্থা কৰা, ব্ৰহ্মপুত্ৰ অঞ্চলত কৃষক সকলে কৃষিজাত সামগ্ৰী মজুত ৰাখিব পৰাকৈ উন্নত মানৰ শীতলীকৰন ভড়াল স্থাপন কৰা, ব্ৰহ্মপুত্ৰ অঞ্চলত এটা উন্নত মানৰ প্ৰেক্ষাগৃহ/ ৰংগমঞ্চ স্থাপন কৰা, জৰাগুৰি টেমেৰা অঞ্চলত কৃষিজাত সামগ্ৰী বিক্ৰীৰ বাবে এখন উন্নত মানৰ বজাৰ স্থাপন কৰা, পুঙনি বিলখনত মৎস্য পালনৰ লগতে অঞ্চলটোত পৰ্যটনৰ কেন্দ্ৰ বিন্দু হিচাপে গঢ়ি তোলাৰ ব্যৱস্থা গ্ৰহণ কৰা, দিছৈ আৰু গেলাবিল নদীৰ গৰাখহনীয়া অতি শীঘ্ৰে ৰোধ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা, পঞ্চায়তৰ নিৰ্বাচিত সদস্য সকলৰ মাহেকীয়া পাৰিতোষিক বৃদ্ধিৰ বাবে বিধান সভাত দাবী উত্থাপন কৰা, মিছিং সম্প্ৰদায়ৰ শিপিনী সকলক উন্নত মানৰ তাত শাল প্ৰদানৰ লগতে প্ৰশিক্ষকৰ দ্বাৰা প্ৰশিক্ষণৰ ব্যৱস্থা কৰি দিয়া। এই দাবীসমূহৰ গুৰুত্ব উপলব্ধি কৰি নৱ-নিৰ্বাচিত বিধায়কজনে যাৱতীয় পদক্ষেপ গ্ৰহণ কৰিব বুলি আশা কৰিছে অঞ্চলটোৰ ৰাইজে।

# মাকুম বাৰেকুৰি আঞ্চলিক মহিলা সমিতিৰ সভানেত্ৰী আৰু সম্পাদিকাৰ বিৰুদ্ধে শাখা সমিতিৰ অনাস্থা প্ৰস্তাৱ

**অসম বাৰ্তা, মাকুম, ২৫ জুন ঃ** আজি মাকুম বাৰেকুৰি আঞ্চলিক মহিলা সমিতিৰ উদ্যোগত বাৰেকুৰিত এখন জৰুৰী সভা অনুষ্ঠিত কৰি ১০ খনকৈ শাখা সমিতিৰ উপস্থিতিত বাৰেকুৰি আঞ্চলিক মহিলা সমিতিৰ সভানেত্ৰী মইনা দুৱৰা মৰাণ আৰু সম্পাদিকা বৃন্দাবনি মৰাণৰ বিৰুদ্ধে অনাস্থা প্ৰস্তাৱৰ সিদ্ধান্ত লোৱা হয়। উল্লেখযোগ্য যে ১৯৯৮ চনতে গঠন হোৱা বাৰেকুৰি আঞ্চলিক মহিলা সমিতিখনে বৃহত্তৰ বাৰেকুৰি অঞ্চলটোত বিভিন্ন ধৰণৰ জনকল্যাণ মূলক কাম যেনে, সামাজিক, অৰ্থনৈতিক, সমাজ সচেতনতা সজাগতামূলক কাম, শিক্ষা-দীক্ষাৰ ওপৰত আদি কাম কৰি আছিল, কিন্তু বিগত দুবছৰ পূৰ্বে গঠন হোৱাৰ পাছৰে পৰা সমিতি খনৰ সভানেত্ৰী আৰু সম্পাদিকা গৰাকীয়ে কিছুমান কাৰ্যসূচী গ্ৰহণ কৰিছে যদিও সমিতিখন সাংগঠনিক দিশত দুৰ্বল হোৱা লগতে এখনো কাৰ্যনিৰ্বাহক সভা আদি অনুষ্ঠিত নকৰে বুলিও অভিযোগ উত্থাপন কৰে একাংশ বিষয়ববীয়াৰ লগতে সদস্য সকলে। সেয়েহে আজি এই জৰুৰী সভাখন অনুষ্ঠিত কৰি সভানেত্ৰী আৰু সম্পাদিকাগৰাকীৰ বিৰুদ্ধে ডেংকা তৰাজান শাখা সমিতি, লেচেংকা শাখা সমিতি, হাতী গড় শাখা সমিতি, যজ্ঞোখোৱা শাখা সমিতি, বিহাই টিং শাখা সমিতি, বৰগাঁও শাখা সমিতি, হাতীজান শাখা সমিতি, ন-মতাপুং শাখা সমিতি, গৰিয়াটিং শাখা সমিতি কমলাপুৰ শাখা সমিতি মুঠ ১০খন শাখা সমিতিৰ সভানেত্ৰী আৰু সম্পাদিকা সকলৰ স্বাক্ষৰ সম্বলিত এখন লিখিত অনাস্থা প্ৰস্তাৱ লোৱা হয়।

▪ গহপুৰৰ বিদ্যালয়ত চুৰিকাণ্ড ▪

# ধাৰাবাহিক চুৰিকাণ্ডত অতিষ্ঠ বিদ্যালয় কৰ্তৃপক্ষ

**অসম বাৰ্তা, গহপুৰ, ২৫ জুন ঃ** গহপুৰ আৰক্ষী থানাৰ এলেকাত অব্যাহত থকা চুৰি কাণ্ড ৰোধ কৰাত চূড়ান্তভাৱে ব্যৰ্থ হৈছে আৰক্ষী। ইটোৰ পিছত সিটোকৈ সংঘটিত হৈ থকা চুৰি কাণ্ডই গভীৰ নিৰাপত্তাহীনতাত ভোগাইছে গহপুৰৰ ৰাইজক। গহপুৰ আৰক্ষী থানাৰ অন্তৰ্গত ককিলা চাৰিআলি মধ্য ইংৰাজী বিদ্যালয়ত যোৱা নিশা সংঘটিত হয় আন এক চুৰি কাণ্ড। চুৰি চক্ৰটোৱে বিদ্যালয়খনৰ পৰা তলা ভাঙি স্মাৰ্ট ব'ৰ্ডৰ দুটা বেটাৰী, শিক্ষাৰ্থীৰ সঞ্চয়ৰ ধন আৰু চাউণ্ড চিষ্টেম চুৰি কৰি লৈ যায়। এইক্ষেত্ৰত বিদ্যালয় কৰ্তৃপক্ষই প্ৰকাশ কৰা অনুসৰি যোৱা এপ্ৰিল মাহৰ পৰা বিদ্যালয়খনত ধাৰাবাহিকভাৱে চুৰিকাৰ্য্য সংঘটিত হৈ আহিছে। এপ্ৰিল মাহত বিদ্যালয়খনৰ পৰা পানী উত্তোলন কৰা মটৰ, পানীৰ টেপ, পানীৰ পাইপ আদি চুৰি হৈছিল। একেদৰে মে'মাহত দুখন চিলিং ফেন চুৰি কৰি নিছিল চুৰি চক্ৰই। এতিয়ালৈকে বিদ্যালয়খনৰ পৰা পাঁচখনকৈ চিলিং ফেন চুৰি হোৱা বুলি বিদ্যালয় কৰ্তৃপক্ষই সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰিছে। বিদ্যালয়খনত ধাৰাবাহিকভাৱে ভাৱে সংঘটিত হৈ অহা এনেধৰণৰ চুৰি কাণ্ডসমূহক লৈ উদ্বিগ্ন হৈ পৰিছে বিদ্যালয় কৰ্তৃপক্ষৰ লগতে শিক্ষানুৰাগী ৰাইজ। উল্লেখযোগ্য যে- ককিলা চাৰিআলি মধ্য ইংৰাজী বিদ্যালয়ত এনেদৰে ধাৰাবাহিক ভাৱে চুৰি কাৰ্য সংঘটিত হৈ অহাৰ পিছতো আজিলৈকে চুৰি চক্ৰক চিনাক্ত কৰিব পৰা নাই গহপুৰ আৰক্ষীয়ে।

# প্ৰাক্তন শিক্ষয়ত্ৰী ধৰ্মেশ্বৰী পাতৰৰ মৃত্যুত শোক স্তব্ধ সমগ্ৰ বৰচলা অঞ্চল

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ২৫ জুন ঃ** মৰিগাওঁ জিলাৰ বৰচলা অঞ্চলৰ এগৰাকী সন্মানীয় আদৰৰ প্ৰাক্তন শিক্ষয়ত্ৰী ধৰ্মেশ্বৰী পাতৰ মৃত্যুতে সমগ্ৰ অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰিছে। ৭২ বছৰ বয়সত তেওঁ ইহ সংসাৰ ত্যাগ কৰে। ধৰ্মেশ্বৰী পাতৰ আছিল বৰচলা অঞ্চলৰ শিক্ষাক্ষেত্ৰত এগৰাকী পথপ্ৰদৰ্শক আৰু প্ৰথম গৰাকী শিক্ষয়ত্ৰী। বৰচলা অঞ্চলৰ প্ৰথমখন উচ্চ শিক্ষা প্ৰতিষ্ঠান তথা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰতিষ্ঠাপক শিক্ষয়ত্ৰী আছিল। তেওঁ দীৰ্ঘদিন ধৰি নিষ্ঠা, সততা আৰু আদৰ্শৰে শিক্ষাদান কৰি অসংখ্য ছাত্ৰ-ছাত্ৰীক শিক্ষিত কৰি তুলিছিল। তেওঁৰ অবদানৰ বাবে অঞ্চলটোত শিক্ষা বিস্তাৰত এক বিশেষ ভূমিকা পৰিলক্ষিত হৈছিল। তেওঁৰ মৃত্যুৰ খবৰ পাই স্থানীয় ৰাইজ, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়ত্ৰী তথা বিভিন্ন সংগঠনসমূহে গভীৰ শোক প্ৰকাশ কৰে। বহুতে তেওঁক "এগৰাকী আদৰ্শ শিক্ষয়ত্ৰী আৰু স্নেহময়ী ব্যক্তি" হিচাপে স্মৰণ কৰে। তেওঁৰ মৃত্যু অঞ্চলটোৰ বাবে এক অপূৰণীয় ক্ষতি বুলি সকলোয়ে মন্তব্য কৰিছে। শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সকলোৱে গভীৰ সমবেদনা জ্ঞাপন কৰাৰ লগতে তেওঁৰ আত্মাৰ চিৰশান্তি কামনা কৰিছে।

# মাজদিয়া আৰক্ষীৰ বৃহৎ সফলতা; তিনিটা গভাইত চোৰ গ্ৰেপ্তাৰ, চুৰি হোৱা ইনভাৰ্টাৰৰ বেটেৰী উদ্ধাৰ

**অসম বাৰ্তা, চেঙা, ২৫ জুন ঃ** বৰপেটা জিলাৰ মাজদিয়া আৰক্ষীয়ে এক সফল অভিযান চলাই চুৰি কাণ্ডৰ সৈতে জড়িত তিনিজন গভাইত চোৰক গ্ৰেপ্তাৰ কৰাৰ লগতে চুৰি হোৱা ইনভাৰ্টাৰৰ বেটেৰী উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে। আৰক্ষীৰ এই সফল অভিযানক কেন্দ্ৰ কৰি সমগ্ৰ অঞ্চলটোত ব্যাপক চৰ্চা চলিছে আৰু ৰাইজে আৰক্ষীৰ তৎপৰতাক প্ৰশংসা কৰিছে। জানিব পৰা মতে, সৰ্থেবাৰী থানাৰ অন্তৰ্গত গাদেশালী পাম গাঁৱৰ এখন মছজিদৰ পৰা কিছুদিন পূৰ্বে এটা ইনভাৰ্টাৰৰ বেটেৰী ৰহস্যজনক-ভাৱে চুৰি হৈছিল। মছজিদত ব্যৱহৃত বেটেৰীটো নোহোৱা হোৱাত স্থানীয় লোকসকল উদ্বিগ্ন হৈ পৰে। পিছত মছজিদ পৰিচালনা সমিতিৰ লোকে ঘটনাটো সন্দৰ্ভত আৰক্ষীক অৱগত কৰে। অভিযোগ লাভ কৰাৰ পাছতে অতিৰিক্ত আৰক্ষী অধীক্ষক সমীৰণ বৈশ্যৰ নিৰ্দেশত মাজদিয়া আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া লোকমান আলী আহমেদে ঘটনাটোক গুৰুত্ব সহকাৰে লৈ তদন্ত আৰম্ভ কৰে। তেওঁৰ নেতৃত্বত আৰক্ষীৰ এটা বিশেষ দলে বিভিন্ন স্থানত অনুসন্ধান চলোৱাৰ লগতে স্থানীয় লোকৰ সহযোগত তথ্য সংগ্ৰহ কৰে। তদন্তৰ সময়ত আৰক্ষীৰ সন্দেহৰ আঙুলি গাদেশালী পাম গাঁৱৰ তফাজ্জল আলীৰ ফালে যায়। পৰৱৰ্তী সময়ত আৰক্ষীয়ে অভিযান চলাই তফাজ্জল আলীক আটক কৰে। জেৰাৰ সময়ত তফাজ্জল আলীয়ে চুৰি কাণ্ডৰ সৈতে জড়িত থকাৰ কথা স্বীকাৰ কৰাৰ লগতে আন দুজন সহযোগীৰ নাম প্ৰকাশ কৰে। তেওঁৰ স্বীকাৰোক্তিৰ ভিত্তিত আৰক্ষীয়ে পুনৰ অভিযান চলাই গৰিয়া ছটলা গাঁৱৰ আদম আলী আৰু বগুৰীটাৰী গাঁৱৰ চজক আলীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। তদন্তত পোহৰলৈ অহা তথ্য অনুসৰি, তফাজ্জল আলী আৰু চজক আলীয়ে পৰিকল্পিতভাৱে মছজিদত প্ৰৱেশ কৰি ইনভাৰ্টাৰৰ বেটেৰীটো চুৰি কৰিছিল। চুৰিৰ পিছত তেওঁলোকে বেটেৰীটো গৰিয়া ছটলাৰ আদম আলীৰ ওচৰত বিক্ৰী কৰে। আৰক্ষীয়ে ধৃত লোকসকলৰ স্বীকাৰোক্তি আৰু তদন্তৰ ভিত্তিত অভিযান চলাই চুৰি হোৱা বেটেৰীটো উদ্ধাৰ কৰিবলৈ সক্ষম হয়। স্থানীয় ৰাইজৰ মতে, বিগত কিছুদিন ধৰি অঞ্চলটোত সৰু-ডাঙৰ চুৰি কাণ্ড বৃদ্ধি পাইছিল। এনে পৰিস্থিতিত মাজদিয়া আৰক্ষীৰ এই সফল অভিযানৰ ফলত ৰাইজৰ মাজত কিছু সকাহৰ সৃষ্টি হৈছে। বিশেষকৈ এখন ধৰ্মীয় উপাসনা স্থলীৰ পৰা চুৰি হোৱা সামগ্ৰী উদ্ধাৰ হোৱাত মছজিদৰ কৰ্তৃপক্ষ আৰু স্থানীয় লোকসকল সন্তুষ্টি প্ৰকাশ কৰিছে। আৰক্ষী সূত্ৰে জানিব পৰা মতে, ধৃত তফাজ্জল আলী, চজক আলী আৰু আদম আলীৰ বিৰুদ্ধে সৰ্থেবাৰী থানাত ৫৬/২০২৬ নম্বৰত গোচৰ ৰুজু কৰা হৈছে। ভাৰতীয় ন্যায় সংহিতা (BNS)ৰ ৩০৩(২) ধাৰাৰ অধীনত গোচৰটো পঞ্জীয়ন কৰি তিনিওজন অভিযুক্তক আইনৰ আওতালৈ অনা হৈছে। ইতিমধ্যে তেওঁলোকক আদালতত হাজিৰ কৰোৱাৰ ব্যৱস্থাও গ্ৰহণ কৰা হৈছে। মাজদিয়া আৰক্ষীৰ এই সফলতাই পুনৰবাৰ প্ৰমাণ কৰিছে যে অপৰাধ সংঘটিত কৰাৰ পাছত অপৰাধীয়ে বাচি থাকিব নোৱাৰে। আৰক্ষীয়ে স্পষ্ট কৰি দিছে যে চুৰি, ডকাইতি, ড্ৰাগছ ব্যৱসায় বা যিকোনো অসামাজিক কাৰ্যকলাপৰ বিৰুদ্ধে অভিযান আগন্তুক দিনতো অব্যাহত থাকিব। লগতে যিকোনো সন্দেহজনক গতিবিধি বা অপৰাধমূলক কাৰ্যকলাপৰ তথ্য আৰক্ষীক জনাবলৈ ৰাইজক আহ্বান জনোৱা হৈছে। উল্লেখ্য যে, মাজদিয়া আৰক্ষীয়ে শেহতীয়া সময়ছোৱাত একাধিক অপৰাধ বিৰোধী অভিযান চলাই বিভিন্ন সফলতা লাভ কৰিছে। এইচুৰি কাণ্ডৰ ৰহস্য ভেদ আৰু চুৰি হোৱা সামগ্ৰী উদ্ধাৰো সেই সফলতা সমূহৰ ভিতৰত অন্যতম বুলি আৰক্ষী মহলে মন্তব্য কৰিছে।

# লংকাৰ ফৰেষ্ট গেইটত ভয়ংকৰ পথ দুৰ্ঘটনা; ই-ৰিস্কা চালক নিহত

**অসম বাৰ্তা, লংকা, ২৫ জুন ঃ** লংকাৰ ফৰেষ্ট গেইট সংলগ্ন ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথত দিনৰ ২-৩০ মান বজাত সংঘটিত এক ভয়ংকৰ পথ দুৰ্ঘটনাত এজন ই-ৰিস্কা চালকৰ কৰুণ মৃত্যু ঘটে। নিহত চালকজন লংকাৰ ৰূপনগৰ নিবাসী শংকৰ দে বুলি জানিব পৰা গৈছে। প্ৰত্যক্ষদৰ্শীসকলৰ মতে, পথৰ কাষত ৰখাই থোৱা অৱস্থাত চিমেণ্ট কঢ়িয়াই অনা এখন ট্ৰেইলাৰ পিছত এখন ই-ৰিস্কাই নিয়ন্ত্ৰণ হেৰুৱাই ট্ৰেইলাৰখনৰ পিছফালে প্ৰচণ্ডভাৱে খুন্দা মাৰে। উল্লেখ্য যে সেই সময়ত তীব্ৰভাৱে বৰষুণ দি থকাত ঘাই পথটোৰেদি আহি থকা অৱস্থাত ই ৰিস্কা খনৰ পিছফালে আন এখন টাটা মবাইলে খুন্দা মৰাত ই ৰিস্কা খনে নিয়ন্ত্ৰণ হেৰুৱাই ৰখি থকা ট্ৰেইলাৰ খনত প্ৰচণ্ড জোৰে খুন্দা মাৰে। সংঘৰ্ষ ইমানেই তীব্ৰ আছিল যে ই-ৰিস্কাখন সম্পূৰ্ণৰূপে ক্ষতিগ্ৰস্ত হয় আৰু চালক শংকৰ দে ঘটনাস্থলীতে নিহত হয়। ঘটনাৰ খবৰ পোৱাৰ লগে লগে আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰাৰ লগতে দুৰ্ঘটনাৰ কাৰণ সম্পৰ্কে তদন্ত আৰম্ভ কৰে। স্থানীয় লোকসকলে অভিযোগ উত্থাপন কৰি কয় যে, লংকাৰ চাৰিলাইনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথৰ কাষত থকা গেৰেজসমূহৰ সন্মুখত প্ৰায়ে ডাঙৰ ডাঙৰ ট্ৰাক, ট্ৰেইলাৰ আদি বাহন পথৰ ওপৰত বা কাষত দীঘলীয়া সময়ৰ বাবে ৰখাই থোৱা হয়। ইয়াৰ ফলত যান-বাহন চলাচলত ব্যাঘাত জন্মাৰ লগতে সঘনাই পথ দুৰ্ঘটনা সংঘটিত হৈ আহিছে। স্থানীয় ৰাইজে অভিযোগ কৰে যে, একেই স্থানত পূৰ্বেও বহু পথ দুৰ্ঘটনা সংঘটিত হোৱাৰ পাছতো সংশ্লিষ্ট কৰ্তৃপক্ষই প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ নকৰাত এনে ঘটনা পুনৰাবৃত্তি হৈ আছে। ৰাইজে ঘাইপথত অবৈধভাৱে বাহন ৰখাই থোৱাৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰাৰ দাবী জনাইছে।

## জনমূৰি আয়ত অসমৰ স্থান ২৪

ভিতৰত জনমূৰি আয়ৰ ফালৰ পৰা অসমৰ স্থান ২৪ নম্বৰত বুলি তেওঁ উল্লেখ কৰে। বিধায়ক গৰাকীয়ে কয়, "অসম চৰকাৰে কৈ আছে যে টাটা, আদানি, আম্বানিক আনি অথবা জাপানৰ পৰা অনুগ্ৰহ লৈ অসমক ধনী কৰিম। এই পথ সম্পূৰ্ণৰূপে ভুল। অসমক ধনী কৰিবলৈ আটাইতকৈ ডাঙৰ পথ হ'ল অসমৰ কৃষি উৎপাদন বৃদ্ধি কৰা।" তেওঁ মুখ্যমন্ত্ৰী আৰু কৃষি মন্ত্ৰীক জনায় যে অসমক বছৰৰ সকলো সময়তে খেতি কৰা ৰাজ্যলৈ পৰিণত কৰিব লাগে আৰু প্ৰতিখন পথাৰত ১০০ শতাংশ জলসিঞ্চনৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। এইটোৱেই অসমৰ মানুহক ধনী কৰাৰ মেজিক বুলি তেওঁ দৃঢ়তাৰে কয়। অখিল গগৈয়ে জলসিঞ্চন সম্পৰ্কীয় তথ্য দাঙি ধৰি কয় যে অসমত এতিয়ালৈকে চৰকাৰৰ এটাও জলসিঞ্চন নাই য'ত গোটেই বছৰটোত খেতি কৰিব পাৰি। অসমেই চাগে ভাৰতৰ একমাত্ৰ ৰাজ্য যি খেতিৰ বাবে সম্পূৰ্ণৰূপে বতৰৰ ওপৰত নিৰ্ভৰশীল। বৰষুণ নিদিলে খেতি কৰিবলৈ ভেকুলিৰ বিয়া কৰিবলগীয়া অৱস্থা বুলি তেওঁ তিৰস্কাৰ কৰে। অসম আৰু পঞ্জাৱৰ তুলনামূলক তথ্য দাঙি ধৰি গগৈয়ে কয় যে অসমৰ মুঠ মাটিকালি ৭৮, ৪৩৮ বৰ্গ কিলোমিটাৰ, পঞ্জাৱৰ মাটিকালি ৫০, ৩৬২ বৰ্গ কিলোমিটাৰ। কিন্তু অসমত এবাৰ খেতি কৰা মাটি ২৭, ২৪, ০০০ হেক্টৰ, পঞ্জাৱত ৪১, ২৮, ০০০ হেক্টৰ। অসমত জলসিঞ্চন আছে মাত্ৰ ৩, ১২, ০০০ হেক্টৰ মাটিত, পঞ্জাৱত আছে ৪১, ২৮, ০০০ হেক্টৰ। ফলত অসমতকৈ পঞ্জাৱৰ উৎপাদন সাংঘাতিক ধৰণে বেছি। উৎপাদনৰ পৰিসংখ্যা তুলি ধৰি গগৈয়ে কয় যে ২০২৩-২৪ চনত অসমত ধান উৎপাদন হৈছিল ৫২, ৮০, ০০০ টন, পঞ্জাৱত ১৪২, ০০, ০০০ টন। অসমত মাকৈ উৎপাদন ৪৫,০০০ টন, কৰ্ণাটকত ছপ্ত, ০০, ০০০ টন। ২৮খন ৰাজ্যৰ ভিতৰত সৰিয়হ উৎপাদনত অসমৰ স্থান ৰব, পাচলিত ৰচ, কুঁহিয়াৰত ১৭, ফলমূলত ১৫, গাখীৰত ২৩, কণীত ২৪, মাংসত ২০, দাইলত ১৮ আৰু মাকৈত ২০ নম্বৰত। মাছ উৎপাদনত অসম অৱশ্যে প্ৰথম স্থানত বুলি গগৈয়ে কয়। অসমৰ ৭০ শতাংশ লোক খেতি কৰে বুলি উল্লেখ কৰি তেওঁ কয়, "জাপানৰ প্ৰধানমন্ত্ৰী আহি অসমত মেজিক দিব নোৱাৰে। টাটা কোম্পানীক ছেমিকণ্ডাক্টৰ বনাবলৈ দিয়াটোও অসমক ধনী কৰাৰ পথ নহয়। অসমক ধনী কৰাৰ মূল পথ হৈছে প্ৰতিখন পথাৰত জলসিঞ্চন আৰু বছৰৰ সকলো সময়তে খেতি কৰাৰ ব্যৱস্থা।" অসমত কমেও ৬০ লাখ পৰিয়ালে খেতি কৰে বুলি গগৈয়ে কয়। ইয়াৰ ভিতৰত মাত্ৰ ১৫ লাখ পৰিয়ালে পিএম কিষাণ আঁচনিৰ অধীনত বছৰি ৬ হাজাৰ টকা পায়। কৃষি মন্ত্ৰী পীযূষ হাজৰিকাই ইচ্ছা কৰিলে ৬০ লাখ পৰিয়ালকেই এই সুবিধা দিব পাৰে বুলি তেওঁ মন্তব্য কৰে। সংবাদমেলত অখিল গগৈয়ে কৃষি মন্ত্ৰীৰ ওচৰত চাৰিটা প্ৰস্তাৱ ৰাখে। প্ৰথমতে তেওঁ অসমক বছৰৰ সকলো সময়তে খেতি কৰা ৰাজ্যলৈ পৰিণত কৰিবলৈ আহ্বান জনায়। দ্বিতীয়তে প্ৰতিখন পথাৰত ১০০ শতাংশ জলসিঞ্চনৰ ব্যৱস্থা কৰিবলৈ অনুৰোধ কৰে। তৃতীয়তে পিএম কিষাণ আঁচনি অসমৰ ১০০ শতাংশ খেতিয়কলৈ সম্প্ৰসাৰণ কৰিবলৈ কয়। চতুৰ্থতে শস্য বীমা আঁচনিৰ অধীনত বানপানী, খৰাং, হাতী, বান্দৰ বা অন্য জীৱ-জন্তুৰ আক্ৰমণত খেতি নষ্ট হ'লে ১০০ শতাংশ ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা কৰিবলৈ দাবী জনায়। অন্তত তেওঁ মুখ্যমন্ত্ৰী, বিত্তমন্ত্ৰী আৰু কৃষি মন্ত্ৰীক আগন্তুক বাজেটত জলসিঞ্চনৰ বাবে ন্যূনতম ১০ হাজাৰ কোটি টকা আৰু কৃষিৰ বাবে ৫ হাজাৰ কোটি টকা বৰাদ্দি দিবলৈ অনুৰোধ জনায়। কেন্দ্ৰীয় চৰকাৰৰ পৰা ২০ হাজাৰ কোটি টকা সংগ্ৰহ কৰিব পাৰিলে অসমৰ সকলো অঞ্চলতে জলসিঞ্চনৰ সম্পূৰ্ণ ব্যৱস্থা হৈ যাব বুলিও গগৈয়ে মত প্ৰকাশ কৰে।

## শিক্ষা ব্যৱস্থাত সংস্কাৰৰ সলনি

সংস্কাৰ সাধন হোৱা নাই, বৰঞ্চ নানান কেলেংকাৰী আৰু ব্যৰ্থতাহে পোহৰলৈ আহিছে। গগৈয়ে সংবাদমেলত ভাষণ দি কয়, "আমাৰ শিক্ষা ব্যৱস্থাৰ গাঁথনিতে এক গুৰুতৰ ত্ৰুটি আছে। ফলত ভাৰতৰ মানৱ মূলধন, অৰ্থাৎ আমাৰ যুৱক-যুৱতীসকলৰ শক্তিক আগুৱাই নিয়াৰ পৰিৱৰ্তে আমি পিছুৱাই গৈছো। যদি আমি এই শক্তিক সঠিকভাৱে ব্যৱহাৰ কৰিব নোৱাৰো, তেন্তে দেশ আগবাঢ়িব নোৱাৰিব।" তেওঁ লগতে কয় যে কংগ্ৰেছে শিক্ষাক কেন্দ্ৰ কৰি এখন বৃহৎ অভিযান আৰম্ভ কৰিছে, কিয়নো প্ৰকৃত শিক্ষাইহে ছাত্ৰ-ছাত্ৰীৰ জীৱনত পৰিৱৰ্তন আনিব পাৰে। এই অভিযানৰ অংশ হিচাপেই 'ছাত্ৰো কী গুঞ্জ' পুস্তিকাখন উন্মোচন কৰা হৈছে। শেহতীয়াকৈ সংবাদ মাধ্যমত প্ৰকাশ পোৱা প্ৰতিবেদনৰ উল্লেখ কৰি গৌৰৱ গগৈয়ে কয় যে বিগত ৰজ্ঞ বছৰৰ ভিতৰত প্ৰশ্নকাকত ফাদিলৰ ৮৯টা সন্দেহযুক্ত গোচৰ পোহৰলৈ আহিছে, যিয়ে প্ৰায় ছ.প্ত কোটি প্ৰাৰ্থীক প্ৰভাৱিত কৰিছে। ইয়াৰ উপৰিও ৪৮ বাৰ পুনঃ পৰীক্ষা গ্ৰহণ কৰিব লগা হোৱাৰ বিপৰীতে চচ বাৰ পৰীক্ষা বাতিল কৰিব লগা হৈছিল। এনেধৰণৰ পুনৰাবৃত্তি ঘটনাই ছাত্ৰ-ছাত্ৰীৰ মানসিক ওপৰত বিৰূপ প্ৰভাৱ পেলায় বুলি তেওঁ মন্তব্য কৰে।" যদি বাৰে বাৰে এনেকুৱা হয়, তেন্তে ছাত্ৰ-ছাত্ৰীৰ বাবে সেয়া এক গুৰুতৰ মানসিক চাপৰ কাৰণ হৈ পৰে। ৰাহুল গান্ধীয়ে সদায় কৈ আহিছে যে নীট আৰু অন্যান্য পৰীক্ষাসমূহৰ বাণিজ্যিকৰণ হৈছে আৰু এই পৰীক্ষাসমূহ এক বেপেৰুৱা পদ্ধতিৰে পৰিচালিত হয়" - গগৈয়ে দোহাৰে। বিজেপি শাসিত গুজৰাট ৰাজ্যৰ উদাহৰণ উত্থাপন কৰি তেওঁ কয় যে বিগত ৰৰ বছৰত ৰাজ্যখনত প্ৰশ্নকাকত ফাদিলৰ এঘাৰটা গোচৰ পোহৰলৈ আহিছে, যাৰ দ্বাৰা প্ৰমাণিত হয় যে চৰকাৰে প্ৰশ্নকাকত সুৰক্ষিতভাৱে ৰাখিবলৈ সম্পূৰ্ণৰূপে ব্যৰ্থ হৈছে।" এয়া কেৱল প্ৰশ্নকাকত ফাদিলৰ ঘটনা নহয়, বৰঞ্চ ভৱিষ্যতৰ বাবে থকা একো একোটা সুৰুঙা। পৰীক্ষা ব্যৱস্থাত কোনো উন্নতি হোৱা নাই, বৰঞ্চ নকল কৰাৰ পয়োভৰ দিনক দিনে বৃদ্ধি পাইছে" - বুলি গগৈয়ে অভিযোগ উত্থাপন কৰে'ছাত্ৰো কী গুঞ্জ' অভিযানৰ জৰিয়তে কংগ্ৰেছ দলটোৱে পৰীক্ষা ব্যৱস্থাক সম্পূৰ্ণ আঁসোৱাহমুক্ত কৰিব বিচাৰে বুলি গগৈয়ে স্পষ্ট কৰে। তেওঁ কয় যে পেপাৰ ছেটিং, প্ৰিণ্টিং, পৰিবহণ, পৰীক্ষা কেন্দ্ৰ আৰু ডিজিটেল ছিষ্টেম আদি সকলো দিশ কঠোৰ নিৰীক্ষণৰ মাজেৰে সম্পন্ন কৰা উচিত, যাতে কোনো কাৰণতে প্ৰশ্নকাকত ফাদিল নহয়। গগৈয়ে কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানক পদত্যাগ কৰিবলৈ দাবী জনাই কয় যে পৰীক্ষা আৰু নিযুক্তিৰ বাবে এক নিৰ্দিষ্ট বাৰ্ষিক কেলেণ্ডাৰ প্ৰণয়ন কৰা উচিত, য'ত পৰীক্ষাৰ তাৰিখ, ফলাফল প্ৰকাশৰ তাৰিখ আদি স্পষ্টভাৱে উল্লেখ থাকিব। অৱশেষত তেওঁ কয়, "আমাৰ শিক্ষা ব্যৱস্থা এনেকুৱা হোৱা উচিত যাতে ই ছাত্ৰ-ছাত্ৰীৰ সপোন গঢ় দিয়াত সহায় কৰে, সপোন ভাঙি নিদিয়ে।"

## মাজুলীক লৈ কোনো আপোচ নহ'ব,

চৰকাৰৰ প্ৰথম অগ্ৰাধিকাৰ। মই আজি স্বচক্ষে কৰদৈগুৰিৰ ভয়াৱহ খহনীয়া দেখিলোঁ। বহু পৰিয়ালৰ ঘৰ-মাটি নদীৰ বুকুত জাহ গৈছে। এইটো অতি দুখজনক। মই স্পষ্টকৈ কৈছোঁ - 'মাজুলীক লৈ কোনো আপোচ নহ'ব'। বিগত সময়ত যি কাম হৈছে, তাত মই সন্তুষ্ট নহয়। ঠিকাদাৰ আৰু বিভাগৰ লেহেমীয়া গতিৰ বাবে ৰাইজে কষ্ট পাইছে। মই আজি ইয়াতে থিয় হৈ কথা দিছোঁ - শ্ধআগন্তুক ছ মাহৰ ভিতৰত খহনীয়া ৰোধৰ কাম তীব্ৰতৰ হোৱা ৰাইজে দেখিবলৈ পাব। আমাৰ মুখ্যমন্ত্ৰী য়ে মাজুলীৰ বাবে বিশেষ পেকেজ ঘোষণা কৰিছে। IIT গুৱাহাটীৰ বিশেষজ্ঞৰ পৰামৰ্শ মতে RCC প'ৰকিউপাইন, জিঅ' টিউব আৰু নতুন প্ৰযুক্তি ব্যৱহাৰ কৰি স্থায়ী প্ৰতিৰোধৰ কাম আৰম্ভ হ'ব। যি বিষয়াই গাফিলতি কৰিব, তেওঁৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা লোৱা হ'ব। টুনী নৈৰ চচ কোটিৰ কামৰ তদন্ত হ'ব বুলিও মন্তব্য মন্ত্ৰী গৰাকীৰ। যদি অনিয়ম পোৱা যায়, কাকো ৰেহাই দিয়া নহ'ব। কমলাবাৰীৰ পৰা ভকত চাপৰিলৈ টুনীৰ পানী চিৰপ্ৰবহমান কৰাটো মোৰ ব্যক্তিগত দায়িত্ব। মাজুলীবাসীয়ে মোক অভিভাৱক পাতিছে, মই সেই বিশ্বাস ভংগ নকৰোঁ।" কালি সন্ধিয়া মন্ত্ৰী সুশান্ত বুঢ়াগোহাঁই মাজুলীত উপস্থিত হৈ আজি পুৱা তেওঁ পোনে পোনে কৰদৈগুৰিৰ খহনীয়া অঞ্চল পৰিদৰ্শন কৰে। পৰিদৰ্শন কালত মন্ত্ৰীগৰাকীয়ে খহনীয়াত সৰ্বস্ব হেৰুওৱা ৰাইজৰ দুখ-দুৰ্দশাৰ বুজ লয়। স্থানীয় ৰাইজে অভিযোগ কৰে যে বিগত এটা বছৰে খহনীয়া প্ৰতিৰোধৰ নামত কেৱল জিঅ' বেগ পেলাই দায়িত্ব সামৰিছে। কিন্তু বৈজ্ঞানিক পদ্ধতিৰে কাম নকৰাৰ বাবে এজাক বৰষুণতে সেইবোৰ উটি গৈছে। মন্ত্ৰীগৰাকীয়ে লগতে ভকত চাপৰি আৰু কংকুৰ অঞ্চলৰ খহনীয়াও পৰিদৰ্শন কৰে। তেওঁ লগত জলসম্পদ বিভাগৰ মুখ্য অভিযন্তা, মাজুলীৰ জিলা আয়ুক্ত, আৰু স্থানীয় বিধায়ক ভুৱন গাম উপস্থিত থাকে। পৰিদৰ্শনৰ অন্তত মন্ত্ৰী বুঞ্জাগোহাঁয়ে কয় যে, "মুখ্যমন্ত্ৰীয়ে মোক মাজুলীৰ অভিভাৱকৰ দায়িত্ব দিছে। মই এই দায়িত্ব অতি গুৰুত্বসহকাৰে লৈছোঁ। প্ৰয়োজন হ'লে কেন্দ্ৰীয় চৰকাৰৰ পৰাও বিশেষজ্ঞ আনিম। খহনীয়াগ্ৰস্ত পৰিয়ালক অতি শীঘ্ৰে পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰা হ'ব বুলি মন্ত্ৰী গৰাকীয়ে মন্তব্য কৰে। ইফালে মন্ত্ৰী গৰাকীয়ে মাজুলী সংহত জিলা আয়ুক্ত কঞ্জাৰ্যালয়ৰ সভা কক্ষত বিশেষ পৰ্যালোচনা সভাত অংশ গ্ৰহণ কৰে। মাজুলী জিলাৰ অভিভাৱক মন্ত্ৰী হিচাপে দায়িত্ব গ্ৰহণৰ পাছত আজি মাজুলীৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত সকলো চৰকাৰী বিভাগৰ মুৰব্বী বিষয়াসকলৰ সৈতে এখন বিশেষ পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে মন্ত্ৰী গৰাকীয়ে। এই সভাত মাজুলী জিলাত ৰূপায়িত হোৱা চৰকাৰী আঁচনি সমূহৰ বুজ লোৱাৰ লগতে ৰাইজৰ হিত সাধনৰ ক্ষেত্ৰত এই আঁচনিসমূহৰ উপযুক্ত ৰূপায়ণৰ ক্ষেত্ৰত সুচাৰুৰূপে কাৰ্য সম্পাদন কৰাৰ ক্ষেত্ৰত পৰ্যালোচনা কৰে। লগতে, অন্যান্য চৰকাৰী পদক্ষেপ সমূহৰ মাজুলীত হোৱা অগ্ৰগতি সম্পৰ্কেও বুজ লয়। উক্ত বৈঠকত মাজুলীৰ বিধায়ক ভুৱন গাম, জিলা আয়ুক্ত, জেষ্ঠ আৰক্ষী অধীক্ষকৰ লগতে সকলো বিভাগৰ মুৰব্বী বিষয়াসকল উপস্থিত থাকে।

## জামিন নাপালে জুবিন গাৰ্গৰ দুই

দেহৰক্ষী দুগৰাকীয়ে কাৰাগাৰত থাকিব লগা হ'ব। অন্য এক গোচৰত সিদ্ধাৰ্থ শৰ্মাই আজিও ন্যায়ালয়ৰ পৰা সকাহ পোৱা নাই। সিদ্ধাৰ্থ শৰ্মাৰ গোচৰৰ পৰৱৰ্তী শুনানি ২৪ জুলাই তাৰিখে সম্পন্ন হ'ব বুলি আদালতে জানিব দিছে। ইয়াৰ লগতে জব্দকৃত বেংক একাউণ্ট খুলি দিয়া সন্দৰ্ভতো ২৪ জুলাইত শুনানি অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে সিদ্ধাৰ্থ শৰ্মাৰ অধিবক্তাই মহাবীৰ একুৱা খুলিবৰ বাবে উচচ ন্যায়ালয়ত আবেদন জনাইছিল। এই আবেদনৰ শুনানিও আগন্তুক শুনানিত অন্তৰ্ভুক্ত হ'ব বুলি ধাৰণা কৰা হৈছে। মহাবীৰ একুৱা খোলাৰ বিষয়টোও ২৪ জুলাইৰ শুনানিত গুৰুত্ব সহকাৰে বিবেচনা কৰা হ'ব। উভয় গোচৰতে আদালতৰ এই সিদ্ধান্তই সন্দেহযুক্তসকলক অধিক সময় কাৰাগাৰত থাকিবলৈ বাধ্য কৰালে। অহা জুলাই মাহত এই গোচৰ দুখনৰ শুনানি অনুষ্ঠিত হ'বলৈ ধাৰ্য কৰা হৈছে।

## ভাৰতত ২০৩০ চনলৈ ৪৮ বিলিয়ন

খণ্ডত কোনো গোলকীয় প্ৰযুক্তি কোম্পানীয়ে কৰা এয়া অন্যতম বৃহৎ বিনিয়োগ বুলি কোম্পানীটোৰ বক্তব্যত উল্লেখ কৰা হয়। আমাজনে লগতে জনায় যে চল্লৰজ্ঞ চনৰ পৰা চল্লস্ত্ব চনলৈকে ভাৰতত তেওঁলোকৰ মুঠ বিনিয়োগ ৮৮ বিলিয়ন ডলাৰতকৈ অধিক হ'বগৈ। ই-কমাৰ্চ, কুইক কমাৰ্চ, ডাটা চেণ্টাৰ, কৃত্ৰিম বুদ্ধিমত্তা, ক্লাউড সেৱা, লজিষ্টিকছকে ধৰি বিভিন্ন ক্ষেত্ৰত এই বিনিয়োগ বিস্তৃত হ'ব বুলি কোম্পানীটোৱে নিশ্চিত কৰে। এই ঘোষণাক স্বাগত জনাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সামাজিক মাধ্যম এক্সত নিজৰ অভিমত প্ৰকাশ কৰে। তেওঁ কয় যে এণ্ডি জেছীৰ সৈতে হোৱা বৈঠকখন অতি সন্তোষজনক আছিল। প্ৰধানমন্ত্ৰীগৰাকীয়ে লিখে, "আমাজনৰ এই ৪৮ বিলিয়ন ডলাৰৰ বিনিয়োগে ভাৰতৰ যুৱক-যুৱতীসকলৰ বাবে নতুন সম্ভাৱনা আৰু সুযোগ কঢ়িয়াই আনিব। ইয়াৰ উপৰিও এই বিনিয়োগেই স্পষ্টভাৱে প্ৰমাণ কৰে যে ভাৰত বিশ্বব্যাপী বিনিয়োগকাৰীসকলৰ বাবে এক শক্তিশালী আৰু আকৰ্ষণীয় গন্তব্যস্থল।" উল্লেখ্য যে এই বৃহৎ বিনিয়োগ এনে এক সময়ত আহিছে যেতিয়া বিশ্বৰ প্ৰায়বোৰ ডাঙৰ প্ৰযুক্তি সংস্থাই কৃত্ৰিম বুদ্ধিমত্তাৰ পৰিকাঠামো গঢ়ি তোলাৰ বাবে বিলিয়ন বিলিয়ন ডলাৰ ব্যয় কৰি আছে। ট্ৰেইন মডেলসমূহ সফলভাৱে পৰিচালনা কৰিবলৈ বৃহৎ ডাটা চেণ্টাৰ, উচ্চ-ক্ষমতাসম্পন্ন ছাৰ্ভাৰ আৰু ক্লাউড পৰিকাঠামো অত্যন্ত প্ৰয়োজনীয়। আমাজনৰ ক্লাউড সেৱা AWS (Amazon Web Services) বিশ্বৰ ভিতৰতে অন্যতম বৃহৎ ক্লাউড কোম্পানী হিচাপে পৰিচিত, আৰু এতিয়া ভাৰততো ইয়াৰ সেৱাৰ ব্যাপক সম্প্ৰসাৰণ কৰা হ'ব। এই বিনিয়োগৰ প্ৰত্যক্ষ সুফল ভাৰতীয় ষ্টাৰ্ট-আপ, চৰকাৰী প্ৰতিষ্ঠান আৰু বৃহৎ উদ্যোগসমূহে লাভ কৰিব। কাৰণ তেওঁলোকে দেশৰ ভিতৰতে উন্নত ক্লাউঞ্জড ক্ষমতা আৰু ট্ৰেইন সেৱা লাভ কৰি তুলনামূলকভাৱে কম খৰচত প্ৰযুক্তিৰ সুবিধা গ্ৰহণ কৰিব পাৰিব। ভাৰতত কোটি কোটি ইণ্টাৰনেট ব্যৱহাৰকাৰী, দ্ৰুতগতিত সম্প্ৰসাৰিত ডিজিটেল ব্যৱসায় আৰু কৃত্ৰিম বুদ্ধিমত্তা গ্ৰহণৰ গতি আমাজনৰ বাবে এক অপাৰ সুযোগ হিচাপে বিবেচিত হৈছে। সেইবাবেই কোম্পানীটোৱে কেৱল অনলাইন শ্বপিং বা ই-কমাৰ্চতে সীমাবদ্ধ নাথাকি AI, ক্লাউড আৰু ডিজিটেল পৰিকাঠামোত দীৰ্ঘম্যাদী ভূমিকা পালন কৰাৰ কৌশল গ্ৰহণ কৰিছে।

## মন্ত্ৰী পীযুষ হাজৰিকাৰ নেতৃত্বত সন্মিলন

অংশীদাৰী সন্মিলনীখনত শিক্ষাবিদ, কৃষি বিজ্ঞানী, কৃষি বিজ্ঞান কেন্দ্ৰ, নাবাৰ্ড দৰে বিত্তীয় প্ৰতিষ্ঠান, লগতে মীন, জলসিঞ্চন, পশুপালন, উদ্যান শস্য আৰু ৰেচমৰ দৰে সংলগ্ন বিভাগসমূহ একত্ৰিত হয়। ৰাজ্যৰ কৃষি খণ্ডৰ আধুনিকীকৰণৰ বাবে এক যুটীয়া কৌশল প্ৰস্তুত কৰিবলৈ এই বৈঠকত গভীৰভাৱে আলোচনা হয়। আজিৰ বৈঠকত ভাষণ প্ৰসংগত মন্ত্ৰী হাজৰিকাই কৃষি খণ্ডৰ সামগ্ৰিক উন্নয়নৰ বাবে স্পষ্ট আহ্বান জনায়। ভাৰতে চাহ, মাংস, মীনজাত সামগ্ৰী, ফলমূল আৰু শাক-পাচলি ৰপ্তানিৰে কোটি কোটি ডলাৰ লাভ কৰিলেও এই ৰপ্তানিৰ ক্ষেত্ৰখনত অসমৰ অৱদান অত্যন্ত কম বুলি তেওঁ উল্লেখ কৰে। এই পৰিস্থিতি সোনকালে সলনি কৰাটো জৰুৰী বুলি তেওঁ গুৰুত্ব সহকাৰে দোহাৰে। মাহ আৰু ৰন্ধন তেল আমদানিত দেশৰ পুঁজি বিদেশলৈ গৈ থকাৰ প্ৰসংগ উত্থাপন কৰি মন্ত্ৰীগৰাকীয়ে কয় যে অসমে কণী, মাছ, কুকুৰা আৰু গাহৰিৰ উৎপাদন বৃদ্ধি কৰি সম্পূৰ্ণ স্বাৱলম্বিতা লাভ কৰিবই লাগিব। তেতিয়াহে অন্য ৰাজ্যৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া নহ'ব। অসমৰ প্ৰায় ৭৫ লাখ লোক কৃষিৰ ওপৰত নিৰ্ভৰশীল বুলি উল্লেখ কৰি হাজৰিকাই ৰাজ্যখনৰ জলসিঞ্চন ব্যৱস্থালৈ দৃষ্টি আকৰ্ষণ কৰে। বৰ্তমান অসমৰ মাত্ৰ ২৪ শতাংশ কৃষিভূমিতহে জলসিঞ্চনৰ ব্যৱস্থা আছে, যাৰ পৰিসৰ বৃদ্ধি কৰাটো জৰুৰী হৈ পৰিছে। ধান খেতিয়ে কৃষকক প্ৰত্যাশিত লাভ নিদিয়া বাবে তেওঁ উদ্যান শস্যলৈ কৌশলগত পৰিৱৰ্তনৰ পোষকতা কৰে। কৃষকৰ আয় বহুগুণে বঢ়াবলৈ তামোল, লিচু আৰু জালুকৰ দৰে অধিক লাভজনক শস্য উৎপাদনত বিশেষ গুৰুত্ব দিবলৈ তেওঁ নিৰ্দেশ দিয়ে। অসম কৃষি বিশ্ববিদ্যালয়ৰ বিশেষজ্ঞ আৰু গৱেষকসকলক উদ্দেশ্যি মন্ত্ৰীগৰাকীয়ে এই যৌথ মঞ্চৰ সদ্ব্যৱহাৰ কৰি অঞ্চল-উপযোগী শস্য নিৰ্বাচন, জলবায়ু সহনশীল বীজ আৰু পুলি বিকাশৰ দিশত চৰকাৰী বিভাগসমূহক পথ-প্ৰদৰ্শন কৰিবলৈ আহ্বান জনায়। সামৰণি ভাষণত তেওঁ কয় যে এই 'ইণ্টাৰফেচ বৈঠক' বৈজ্ঞানিক গৱেষণা আৰু পথাৰৰ মাজত এক গতিশীল সংযোগ সাঁকো হ'ব লাগে। যাৰ জৰিয়তে অসমৰ কৃষি খণ্ডক কেৱল জীৱিকা নিৰ্বাহৰ উপায়ৰ পৰা লাভজনক বাণিজ্যিক উদ্যোগলৈ ৰূপান্তৰিত কৰিব পাৰি। উদ্বোধনী অনুষ্ঠানত কৃষি বিভাগৰ আয়ুক্ত আৰু সচিব অৰুণা ৰাজোৰিয়া, অসম কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য দীপজ্যোতি ৰাজখোৱা, নাবাৰ্ডৰ অসম আঞ্চলিক মুখ্য মহাপ্ৰবন্ধক জি. ৰমেশ কুমাৰ আৰু বহু গৰিষ্ঠসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

## ভুৱন গাম আৰু দীপক গোস্বামীৰ বিৰুদ্ধে

ভাৰপ্ৰাপ্ত সভাপতি মাধৱ দাস আৰু সাধাৰণ সম্পাদক অংশুমান শৰ্মাই কয় যে, শেহতীয়াকৈ মাজুলীৰ কৰ্দৈগুৰি অঞ্চলত ব্ৰহ্মপুত্ৰৰ ভয়ংকৰ খহনীয়া নিজে পৰিদৰ্শন কৰি ৰাইজৰ দুখ-দুৰ্দশাৰ কথা সংবাদ মাধ্যমৰ সন্মুখত দাঙি ধৰা সত্ৰাধিকাৰগৰাকীক বিধায়ক ভুৱন গাম আৰু মাজুলী জিলা বিজেপিৰ সভাপতি দীপক গোস্বামীয়ে ব্যক্তিগতভাৱে আক্ৰমণ কৰা ঘটনাক পৰিষদে কঠোৰভাৱে নিন্দা কৰাই নহয় এনে নিকৃষ্ট মানসিকতাক তীব্ৰ ধিক্কাৰ জনাইছে। বিবৃতিটোত ৰাষ্ট্ৰবাদী নেতাদ্বয়ে কয় যে, বিগত ২০ বছৰতকৈও অধিক সময় ধৰি মাজুলীৰ ভূখণ্ডৰ সুৰক্ষা, ধৰ্মান্তৰকৰণ বিৰোধী আন্দোলন আৰু সত্ৰ-সংস্কৃতি ৰক্ষাৰ বাবে মাত মাতি অহা এগৰাকী ৰাষ্ট্ৰবাদী চিন্তাধাৰাত বিশ্বাসী ধৰ্মগুৰুক তেওঁৰ কৰ্তব্য পালন কৰাৰ বাবেই এনেদৰে ৰাজনৈতিক ৰং দিয়াটো কেৱল অপমান নহয়, ই সমগ্ৰ অসমৰ সনাতনী সমাজৰ আস্থা-বিশ্বাসৰ ওপৰত চৰম আঘাত। তদুপৰি বিজেপিৰ মাজুলী জিলা সমিতিৰ সভাপতি দীপক গোস্বামীয়ে নিজৰ ৰাজনৈতিক উদ্দেশ্য সিদ্ধিৰ বাবে বিধায়কজনৰ এনে নিকৃষ্ট মন্তব্যক সমৰ্থন দি সত্ৰাধিকাৰ পদবীক লৈ ৰাজনীতি কৰা কাৰ্যকো পৰিষদে গৰিহণা দিছে। খহনীয়াৰ দৰে জ্বলন্ত সমস্যাৰ সমাধানৰ পৰা দৃষ্টি আঁতৰাই ধৰ্মগুৰুগৰাকীৰ সন্মানক লৈ খেল খেলাটো অত্যন্ত লজ্জাজনক। বিবৃতিটোত দাস আৰু শৰ্মাই অতি কঠোৰ ভাৱে দাবী জনায় যে, মাজুলীৰ বিধায়ক ভুৱন গামে ২৪ ঘণ্টাৰ ভিতৰত সত্ৰাধিকাৰগৰাকীৰ ওচৰত তথা অসমৰ সনাতনী সমাজৰ ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰিব লাগিব আৰু বিজেপিৰ ৰাজ্যিক নেতৃত্বই জিলা সভাপতি দীপক গোস্বামীৰ এনে দায়িত্বহীন মন্তব্যৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। লগতে মাজুলীক ব্ৰহ্মপুত্ৰৰ খহনীয়াৰ প্ৰকোপৰপৰা ৰক্ষা কৰাৰ বাবে চৰকাৰে অবিলম্বে বৈজ্ঞানিক আৰু স্থায়ী সমাধানৰ আঁচনি কাৰ্যকৰী কৰিব লাগিব। অন্যথা পৰিষদে সকীয়াই দিয়ে যে সত্ৰ-সংস্কৃতি আৰু ধৰ্মগুৰুৰ সন্মানৰ ওপৰত আঘাত অহা কোনো কাৰ্যক সহ্য কৰা নহ'ব। যদি উপৰ্যুক্ত দাবী মানি লোৱা নহয়, তেন্তে হিন্দু যুৱ-ছাত্ৰ পৰিষদে ৰাজ্যজুৰি গণতান্ত্ৰিক আৰু সাংবিধানিক পন্থাৰে তীব্ৰ প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰিবলৈ বাধ্য হ'ব। মাজুলীৰ স্বাৰ্থত মাত মতাৰ বাবে অপমান সহিবলগীয়া হ'লে সেই অপমান সহ্য কৰিবলৈ হিন্দু যুৱ-ছাত্ৰ পৰিষদ সাজু বুলি দোহাৰে নেতাদ্বয়ে।

## পাছপোৰ্টৰ মাচুল বৃদ্ধি কেন্দ্ৰীয় চৰকাৰৰ

উল্লেখযোগ্য যে বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে শেহতীয়াকৈ পাছপোৰ্ট কেৱল ভ্ৰমণৰ এক নথি বুলি স্পষ্ট কৰিছিল আৰু ই ভাৰতীয় নাগৰিকত্বৰ প্ৰমাণপত্ৰ নহয়। এই ঘোষণাৰ মাত্ৰ এদিনৰ পাছতেই নতুন মাচুল গাঁথনি সন্মুখত ৰাখি মন্ত্ৰালয়ে এই সিদ্ধান্ত জনাইছে। নতুন মাচুল গাঁথনি অনুসৰি ১৮ বছৰ বা তাতকৈ অধিক বয়সৰ আবেদনকাৰীৰ বাবে,ছ পৃষ্ঠীয়া নতুন পাছপোৰ্ট বা ইয়াৰ নৱীকৰণৰ ক্ষেত্ৰত সাধাৰণ শিতানত খৰচ হ'ব ২৫০০ টকা। ইয়াৰ পূৰ্বে এই মাচুল আছিল ১৫০০ টকা। একেটা শিতানতে তৎকাল সেৱাৰ মূল্য ৩৫০০ টকাৰ পৰা বৃদ্ধি কৰি ৫০০০ টকা নিৰ্ধাৰণ কৰা হৈছে। ৬০ পৃষ্ঠীয়া পাছপোৰ্টৰ ক্ষেত্ৰতো মাচুল বৃদ্ধি কৰা হৈছে। সাধাৰণ শিতানত এই মাচুল ২০০০ টকাৰ পৰা ৩৫০০ টকালৈ বৃদ্ধি কৰা হৈছে, আনহাতে তৎকাল শিতানত ই ৪০০০ টকাৰ পৰা ৬০০০ টকালৈ উন্নীত কৰা হৈছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰা এই নতুন মাচুল গাঁথনি ২০১২ চনৰ পিছত পাছপোৰ্ট সম্পৰ্কীয় মূল্যত কৰা প্ৰথমটো বৃহৎ পৰিৱৰ্তন। যদি কোনো আবেদনকাৰীৰ পাছপোৰ্ট হেৰাই যায় বা বেয়া হৈ পৰে, তেন্তে নতুন পাছপোৰ্টৰ বাবে আবেদন কৰিলে অধিক খৰচ দিব লগা হ'ব। ৩৬ পৃষ্ঠীয়া পাছপোৰ্টৰ সলনি নতুন পাছপোৰ্ট বিচাৰিলে সাধাৰণ শিতানত আবেদনকাৰীয়ে ৫০০০ টকা দিব লাগিব, আনহাতে তৎকাল শিতানত খৰচ হ'ব ৭৫০০ টকা। ৬০ পৃষ্ঠীয়া পাছপোৰ্টৰ বাবে সাধাৰণ শিতানত ৬০০০ টকা আৰু তৎকাল শিতানত ৮৫০০ টকা নিৰ্ধাৰণ কৰা হৈছে। নাবালক আবেদনকাৰীসকলৰ বাবেও পৃথক মাচুল গাঁথনি ঘোষণা কৰা হৈছে। ১৮ ৰছৰৰ অনুৰ্ধ আবেদনকাৰীৰ বাবে ৩৬ পৃষ্ঠীয়া নতুন বা নৱীকৰণ কৰা পাছপোৰ্টৰ সাধাৰণ শিতানত খৰচ হ'ব ১৭৫০ টকা, আনহাতে তৎকাল শিতানত ই ৪২৫০ টকা। নাবালকৰ হেৰোৱা বা বেয়া হোৱা পাছপোৰ্টৰ সলনি নতুন পাছপোৰ্টৰ বাবে সাধাৰণ শিতানত ৪২৫০ টকা আৰু তৎকাল শিতানত ৬৭৫০ টকা দিব লাগিব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে স্পষ্টকৈ জানিব দিছে যে ৰ জুলাই বা তাৰ পিছত দাখিল কৰা সকলো পাছপোৰ্টৰ আবেদনতে এই নতুন মাচুল প্ৰযোজ্য হ'ব। ভাৰতৰ ভিতৰত জৰুৰীকালীন প্ৰমাণপত্ৰসমূহ বিনামূলীয়াকৈ প্ৰদান কৰা হ'ব, যদিও বিদেশত থকা আবেদনকাৰীসকলৰ বাবে এই সেৱাৰ বাবে ৰপ্ত মাৰ্কিন ডলাৰ খৰচ হ'ব। পৰিচয় পত্ৰ (Identity Certificate)ৰ বাবে ভাৰতত 1000 টকা আৰু বিদেশত ৫০ ডলাৰ নিৰ্ধাৰণ কৰা হৈছে। ইয়াৰ উপৰিও পুলিচ ক্লিয়াৰেন্স চাৰ্টিফিকেট, চাৰেণ্ডাৰ চাৰ্টিফিকেট আৰু অন্যান্য পাছপোৰ্ট সম্পৰ্কীয় প্ৰমাণপত্ৰসমূহৰ বাবে ভাৰতত 750 টকা আৰু বিদেশত ৪০ ডলাৰ দিব লাগিব। উল্লেখ্য যে ২০১২ চনত শেষবাৰৰ বাবে পাছপোৰ্টৰ মাচুল সংশোধন কৰা হৈছিল। তেতিয়া সাধাৰণ পাছপোৰ্টৰ মাচুল ১০০০ টকাৰ পৰা ১৫০০ টকালৈ বৃদ্ধি কৰা হৈছিল। ১৪ বছৰৰ পাছত এই নতুন মূল্য সংযোজনই সাধাৰণ নাগৰিকৰ লগতে বিদেশ যাত্ৰাৰ প্ৰয়োজনীয় থকা সকলোকে প্ৰভাৱিত কৰিব বুলি ধাৰণা কৰা হৈছে।

## বাণিজ্যিক এলপিজিৰ যোগানৰ

তথাপি পাইপযুক্ত প্ৰাকৃতিক গেছ (পিএনজি) সংযোগ থকা গ্ৰাহকসকলক দীৰ্ঘম্যাদী সমাধান হিচাপে পিএনজি ব্যৱহাৰ অব্যাহত ৰখাৰ পৰামৰ্শও চৰকাৰে প্ৰদান কৰিছে। পিএনজি অধিক সুলভ আৰু সুৰক্ষিত হোৱাৰ বাবে ইয়াক স্থায়ী বিকল্প হিচাপে গ্ৰহণ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে গ্ৰাহকসকলক অনুৰোধ জনাইছে। কেন্দ্ৰীয় পেট্ৰলিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ৰ সচিব নীৰজ মিত্তলে এই নিৰ্দেশনাসমূহ জাৰি কৰিছে। তেওঁ কয় যে পৰিস্থিতিৰ গভীৰ পৰ্যালোচনাৰ পিছত এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে, যাতে বাণিজ্যিক কাৰ্যকলাপ যাতে বিঘ্নিত নহয় আৰু গ্ৰাহকসকলেও সুবিধা পায়। উল্লেখ্য যে পশ্চিম এছিয়াৰ অস্থিৰ পৰিস্থিতিৰ বাবে আন্তঃৰাষ্ট্ৰীয় গেছৰ মূল্য আৰু যোগান শৃংখলাত প্ৰভাৱ পৰিছিল। সেই প্ৰেক্ষাপটতে চৰকাৰে সাময়িক বিধিনিষেধ আৰোপ কৰিছিল। এতিয়া পৰিস্থিতি কিছু স্বাভাৱিক হোৱাৰ লগে লগে যোগান পূৰ্বৰ স্তৰলৈ ঘূৰাই আনিবলৈ চৰকাৰে সিদ্ধান্ত লৈছে।

## বাংগালোৰুত মাজুলীৰ পংকজৰ

পুত্ৰ পংকজ ছেত্ৰীৰ সুদূৰ বাংগালোৰুত বুধবাৰে অস্বাভাৱিক মৃত্যু ঘটে। খবৰটো পোৱাৰ লগে লগে গাঁওখনত যেন মৃত্যুৰ নিস্তব্ধতা নামি আহিল। দুচকুত সপোন লৈ দুবছৰ আগত ঘৰৰ পৰা ওলাইছিল পংকজ। বৃদ্ধ পিতৃ-মাতৃ, পত্নী আৰু কণমানি সন্তানটোৰ মুখত হাঁহি বিৰিঙাবলৈ বাংগালোৰুৰ এটা ব্যক্তিগত প্ৰতিষ্ঠানত কামত সোমাইছিল। মাহৰ প্ৰথমে দৰমহাৰ টকা পঠিয়াই দি ফোনত কৈছিল - "মা, চিন্তা নকৰিবা। আৰু কিছুদিন কষ্ট কৰোঁ, তাৰ পিছত ঘৰলৈ ঘূৰি আহিম।" কিন্তু সেই ঘূৰি অহা নহ'ল... আহিল মাত্ৰ এটা দুসংবাদ। কি পৰিস্থিতিত, কেনেকৈ পংকজৰ মৃত্যু হ'ল - সেয়া এতিয়াও ৰহস্যৰ আৱৰ্তত। বাংগালোৰু আৰক্ষীয়ে ঘটনাৰ তদন্ত আৰম্ভ কৰিছে যদিও পৰিয়ালে এতিয়ালৈকে স্পষ্ট উত্তৰ পোৱা নাই। মৃত্যুৰ খবৰটোৱে ঘৰখনৰ একমাত্ৰ আশাৰ চাকিটি চিৰদিনলৈ নুমাই দিলে। পংকজে ইহসংসাৰত এৰি থৈ গ'ল বৃদ্ধ পিতৃ গণেশ ছেত্ৰী, শয্যাগত মাতৃ, শোকত ভাগি পৰা পত্নী আৰু মাত্ৰ এবছৰীয়া এটি কণমানি পুত্ৰক। পত্নী -পুত্ৰ সহ বাংগালোৰুতে থকা পংকজ কালি কামৰ পৰা অহাৰ পাছত পত্নীৰ সৈতে কিছু বাকবিতণ্ডা হৈছিল আৰু পত্নী সহপুত্ৰ সম্পৰ্কীয় বায়েক এগৰাকীৰ ঘৰলৈ থাকিবলৈ যোৱা বুলি জানিব পৰা গৈছে। আজি ৰুমলৈ পত্নী ঘূৰি আহি স্বামীৰ ৰহস্যময় মৃত্যু প্ৰত্যক্ষ কৰি হতচকিত হৈ মাজুলীলৈ ফোন কৰি খবৰটো জনোৱাৰ পাছতেই মাকদেউতাক আৰু ওচৰচুবুৰীয়াৰ মাজত হুৱাদুৱা লাগে। ইফালেওচৰ-চুবুৰীয়াই কয়, "ল'ৰাটো বৰ ভাল আছিল। ঘৰৰ একমাত্ৰ উপাৰ্জনকাৰী। এতিয়া এই বৃদ্ধ মাক-দেউতাক আৰু কেঁচুৱাটোক কোনে চাব?" পৰিয়ালৰ সূত্ৰে জানিব পৰা গৈছে যে কাইলৈ বিমান যোগে পংকজৰ নশ্বৰ দেহ ডিব্ৰুগড়লৈ অনা হ'ব। তাৰ পিছত পথ আৰু জলপথেৰে মাজুলীৰ ৰ নং ফুলনি নেপালীবাৰীৰ বাসগৃহলৈ অনা হ'ব পংকজৰ নশ্বৰ দেহ। খবৰ পোৱাৰ পৰাই ছেত্ৰীৰ বাসগৃহত আত্মীয়-স্বজন, ওচৰ-চুবুৰীয়াৰ ভিৰ লাগিছে। গোটেই পৰিৱেশটো এক শোকাকুল, কৰুণ কান্দোনে আৱৰি ৰাখিছে। দৰিদ্ৰতাৰ বাবেই ঘৰ এৰিবলগীয়া হোৱা মাজুলীৰ এজন যুৱকৰ এনে কৰুণ মৃত্যুৱে পুনৰ এবাৰ চকুত আঙুলি দি দেখুৱাই দিলে - আমাৰ ল'ৰাবোৰে কিয় ঘৰ এৰি বাহিৰলৈ যাব লাগে? কেতিয়া ৰ'ব এই মৃত্যুৰ কিৰিলি সেয়া এতিয়া মাজুলীৰ ভুক্তভোগী পৰিয়ালৰ লাখটকীয়া প্ৰশ্ন?

## জৰুৰীকালীন অৱস্থা আছিল

আয়োজন কৰা হয়, য'ত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, বিধানসভাৰ অধ্যক্ষ ৰঞ্জিত কুমাৰ দাস, মন্ত্ৰী নীলমণি সেন ডেকা, মন্ত্ৰী কৌশিক ৰায়কে ধৰি বহুগৰাকী জ্যেষ্ঠ নেতা আৰু জনপ্ৰতিনিধি উপস্থিত থাকে। অনুষ্ঠানত ভাষণ প্ৰসংগত দিলীপ শইকীয়াই ১৯৭৫ চনৰ ২৫ জুনৰ জৰুৰীকালীন অৱস্থাক ভাৰতীয় গণতান্ত্ৰিক ইতিহাসৰ 'এক কলংকিত অধ্যায়' বুলি অভিহিত কৰে। তেওঁ কয়, "এই জৰুৰীকালীন অৱস্থাই প্ৰমাণ কৰে যে কংগ্ৰেছ দল ক্ষমতাত টিকি থাকিবলৈ কিমান দূৰলৈ যাব পাৰে। ইয়াৰ যোগেদি তেওঁলোকে গণতান্ত্ৰিক প্ৰতিষ্ঠান, নাগৰিক অধিকাৰ আৰু সাংবিধানিক নীতি-নিয়মসমূহ পদদলিত কৰিছিল।" শইকীয়াই উল্লেখ কৰে যে এলাহাবাদ উচ্চন্যায়ালয়ে তদানীন্তন প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীৰ নিৰ্বাচন অবৈধ ঘোষণা কৰাৰ পিছতো তেওঁ পদত্যাগ কৰাৰ সলনি জৰুৰীকালীন অৱস্থা জাৰি কৰিবলৈ ৰাষ্ট্ৰপতি ফকৰুদ্দিন আলী আহমেদক পৰামৰ্শ দিয়ে। সেই সময়ৰ পৰিপ্ৰেক্ষিতত তেওঁ কয়, "গণতান্ত্ৰিক পৰম্পৰা অনুসৰি পদত্যাগ কৰাটো আছিল সঠিক পথ, কিন্তু ইন্দিৰা গান্ধীয়ে ক্ষমতা হেৰুওৱাতকৈ গোটেই দেশৰ নাগৰিক স্বাধীনতা হৰণ কৰি ল'বলৈ বাছি লৈছিল।" তেওঁৰ মতে, এই ২১ মাহীয়া সময়ছোৱাত এক লাখতকৈও অধিক বিৰোধী নেতা আৰু ৰাজনৈতিক কৰ্মীক গ্ৰেপ্তাৰ কৰি কাৰাগাৰত ভৰোৱা হৈছিল। সংবাদ মাধ্যমৰ ওপৰত কঠোৰ চেন্সৰশ্বিপ জাপি দিয়া হৈছিল, ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘ (আৰ এছ এছ) নিষিদ্ধ কৰা হৈছিল আৰু অটল বিহাৰী বাজপেয়ী, লাল কৃষ্ণ আদৱানীৰ দৰে জনসংঘৰ শীৰ্ষ নেতাসকলকো কাৰাবন্দী কৰা হৈছিল। জৰুৰীকালীন অৱস্থাই ভিন্নমত পোষণ কৰাৰ অধিকাৰক সম্পূৰ্ণৰূপে নিষ্পেষণ কৰিছিল বুলি শইকীয়াই অভিযোগ উত্থাপন কৰে। অসম বিজেপিৰ সভাপতিগৰাকীয়ে কয়, "যেতিয়া সাংবিধানিক মূল্যবোধতকৈ ৰাজনৈতিক স্বাৰ্থক প্ৰাধান্য দিয়া হয়, তেতিয়া এনে ভয়ংকৰ পৰিণতি হ'ব পাৰে-জৰুৰীকালীন অৱস্থা তাৰেই এখন জ্বলন্ত উদাহৰণ। গতিকে আজিৰ প্ৰজন্মই এই ইতিহাসৰ পৰা পাঠ গ্ৰহণ কৰাটো অত্যন্ত প্ৰয়োজনীয়, যাতে ভৱিষ্যতে কোনোৱে এই দিশেৰে আগবাঢ়িব নোৱাৰে।" বিজেপিৰ 'ক'লা দিৱস' পালনক লৈ দিলীপ শইকীয়াই কয় যে কংগ্ৰেছে ১৯৭৫ চনত যি অমানৱীয় কাণ্ড ঘটাইছিল, তাৰ স্মৃতি সজাগ ৰাখি জনতাক সচেতন কৰাই এই দিৱসৰ উদ্দেশ্য। তেওঁ শেষত আহ্বান জনায় যে ভাৰতৰ গণতান্ত্ৰিক গৌৰৱ অক্ষুণ্ণ ৰাখিবলৈ সকলোকে জাগ্ৰত হ'ব লাগিব আৰু এনে যিকোনো অপ্ৰজাতান্ত্ৰিক প্ৰচেষ্টাক কঠোৰ ভাষাত প্ৰতিবাদ কৰিব লাগিব।

## জৰুৰীকালীন অৱস্থাত গণতন্ত্ৰৰ

কংগ্ৰেছ দলৰ নেতৃত্বাধীন তদানীন্তন চৰকাৰক নিৰ্মম সমালোচনাৰে আক্ৰমণ কৰে। তেওঁ কয় যে জৰুৰীকালীন সময়ছোৱাত সংবিধান আৰু গণতান্ত্ৰিক মূল্যবোধসমূহক পদদলিত কৰি এক স্বেচ্ছাচাৰী আৰু একনায়কত্ববাদী শাসন প্ৰৱৰ্তন কৰা হৈছিল, যাৰ ফলত হাজাৰ হাজাৰ লোকক কাৰাগাৰত ভৰোৱা হৈছিল আৰু সংবাদ মাধ্যমৰ স্বাধীনতা সম্পূৰ্ণৰূপে খৰ্ব কৰা হৈছিল। মুখ্যমন্ত্ৰীয়ে ভাষণ প্ৰসংগত উল্লেখ কৰে যে ভাৰতীয় ইতিহাসত ইন্দিৰা গান্ধীৰ চৰকাৰখনেই একমাত্ৰ চৰকাৰ যিয়ে জৰুৰীকালীন অৱস্থা ঘোষণা কৰিছিল। সেই সময়ছোৱাত প্ৰায় চৰ মাহ ধৰি দেশত সংবিধান আৰু গণতন্ত্ৰক হত্যা কৰি শাসন চলোৱা হৈছিল। তেওঁ কটাক্ষ কৰে যে যি কংগ্ৰেছে এদিন জৰুৰীকালীন অৱস্থাৰ জৰিয়তে সংবিধানক কাতি কৰিছিল, সেই একে কংগ্ৰেছৰ নেতাসকলেই আজি সংবিধান ৰক্ষাৰ পক্ষপাতী হিচাপে নিজকে প্ৰচাৰ কৰি ফুৰে। অনুষ্ঠানতে মুখ্যমন্ত্ৰীগৰাকীয়ে সদ্যসমাপ্ত বিধানসভা নিৰ্বাচনত বিজেপি নেতৃত্বাধীন জোটে লাভ কৰা ঐতিহাসিক বিজয়ক স্মৰণ কৰি 'অসমীয়া বিজেপি বাৰ্তা'ৰ বিশেষ সংখ্যা আৰু জ্যোতি পাটোৱাৰীৰ 'অসমৰ কংগ্ৰেছ চৰকাৰসমূহ আৰু ৰাজ্যখনৰ প্ৰতি হোৱা অন্যায়' শীৰ্ষক গ্ৰন্থখন আনুষ্ঠানিকভাৱে উন্মোচন কৰে। লগতে জৰুৰীকালীন অৱস্থাৰ বিৰুদ্ধে যুঁজ দিয়া লোকতন্ত্ৰ সেনানীসকলক বিশেষ সম্বৰ্ধনা জনোৱা হয়। শেহতীয়া ৰাজনৈতিক প্ৰসংগ উত্থাপন কৰি মুখ্যমন্ত্ৰীয়ে কয় যে কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে বিভিন্ন সভাত সংবিধানৰ প্ৰতিলিপি হাতত লৈ কৰা প্ৰদৰ্শনী এক ধোঁকাবাজি মাত্ৰ। তেওঁ দাবী কৰে যে তেওঁ নিজেই সেই সংবিধানৰ এটা সংখ্যা ক্ৰয় কৰি পঞ্জি চাইছে আৰু তাত স্পষ্টভাৱে উল্লেখ আছে যে ইন্দিৰা গান্ধীয়ে জৰুৰীকালীন অৱস্থা ঘোষণা কৰি সংবিধানক 'হত্যা' কৰিছিল। সেই সংবিধানকে আঁকোৱালি লৈ কংগ্ৰেছৰ নেতাসকলে আজি সংবিধান ৰক্ষাৰ বাণী দিয়া অতি বিদ্ৰূপজনক বুলিও তেওঁ মন্তব্য কৰে। মুখ্যমন্ত্ৰী ডং শৰ্মাই যুৱপ্ৰজন্মক লক্ষ্য কৰি কয় যে জৰুৰীকালীন অৱস্থাৰ সেই ক'লা অধ্যায়ৰ বিষয়ে ছাত্ৰ-ছাত্ৰী আৰু যুৱক-যুৱতীসকল ভালদৰে অৱগত হোৱাটো অতি প্ৰয়োজনীয়। কাৰণ এই ইতিহাস নুবুজিলে কিছুমান মহলে ইতিহাস বিকৃত কৰি সমাজক বিভ্ৰান্ত কৰিব পাৰে। তেওঁ দৃঢ়তাৰে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীকে ধৰি বিজেপিৰ প্ৰাক্তন নেতাসকলে জৰুৰীকালীন অৱস্থাৰ বিৰুদ্ধে গৈ কাৰাগাৰ বৰণ কৰিছিল, অথচ কংগ্ৰেছৰ কোনো নেতাই সেই সময়ত বিৰোধিতাৰ খাতিৰত জেল যোৱা নাছিল। অসম চৰকাৰে লোকতন্ত্ৰ সেনানীসকলক সদায় সন্মান দি আহিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে যে এতিয়ালৈকে সন্মানৰ পৰা বঞ্চিত হৈ থকা স্বাধীনতা সংগ্ৰামীসকলকো উপযুক্ত সন্মান প্ৰদান কৰিবলৈ চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিব। তেওঁ উপস্থিত দলীয় কাৰ্যকৰ্তাসকলক আহ্বান জনায় যে ক'লা দিৱসৰ এই অনুষ্ঠানে সকলোকে সংবিধান ৰক্ষাৰ বাবে সদা সচেষ্ট হৈ থকাৰ প্ৰেৰণা যোগাব। অনুষ্ঠানত অসম বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া, ৰাজ্যিক প্ৰভাৰী হৰিশ দ্বিবেদী, বিধানসভাৰ অধ্যক্ষ ৰণজিৎ কুমাৰ দাস, গুৱাহাটী সাংসদ বিজুলী কলিতা মেধি, মন্ত্ৰী নীলিমা দেৱী আৰু কৌশিক ৰায়কে ধৰি দলটোৰ বহু গৰিষ্ঠসংখ্যক নেতা-কাৰ্যকৰ্তা আৰু জনপ্ৰতিনিধি উপস্থিত থাকে।

## সামাজিক মাধ্যমৰ অপপ্ৰচাৰত ক্ষুব্ধ

চলায়। কিছু লোকে ফেচবুকত শোক প্ৰকাশ কৰি অভিনেতাগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। এনেদৰে দুবিধ সম্পূৰ্ণ বিৰোধী খবৰে সামাজিক মাধ্যমত থানবান লগাই দিয়ে আৰু অভিনেতাগৰাকীৰ পৰিয়াল আৰু বন্ধু-বান্ধৱীসকলক চিন্তিত কৰি তোলে। অৱশেষত নিজৰ মুখ খুলি অভিনেতা বিষ্ণু খাৰঘৰীয়াই এই অপপ্ৰচাৰৰ তীব্ৰ নিন্দা জনায়। মৰাণৰ নিজা বাসগৃহত সাংবাদিকসকলৰ সন্মুখত উপস্থিত হৈ তেওঁ কয়, "কিছুমান মানুহে কাম নোহোৱা কামত লিপ্ত হৈছে। কিয় এই ধৰণৰ অপপ্ৰচাৰ চলোৱা হৈছে, মই বুজি পোৱা নাই। এইবিলাক কাম সম্পূৰ্ণ অমূলক আৰু নিষ্প্ৰয়োজনীয়।" তেওঁ লগতে কয়, "সামাজিক মাধ্যমত এনে খবৰ প্ৰচাৰিত হোৱাৰ পাছতো মই তাত বাধা দিয়া নাছিলো, কাৰণ মিছা কথা যিমান বেছি বিস্তাৰ লাভ কৰে সিমানেই পিছত তাৰ সত্যতা ওলাই আহে। কিন্তু মোৰ মৃত্যু বুলি প্ৰচাৰ চলোৱাটো সঁচাকৈয়ে আচৰিত আৰু বেদনাদায়ক।" অভিনেতাগৰাকীয়ে কয়, "মই কেতিয়াও কোনো বঁটাৰ আশাত নাথাকো, কেৱল অভিনয়ৰ দ্বাৰা সমাজক ভাল কথা দিবলৈ চেষ্টা কৰোঁ। যদিও অপপ্ৰচাৰৰ জৰিয়তে মিছাকৈয়ে চৰ্চাত আছো, এইখিনি ভাল লাগিছে যে মই মৰিলে বহু লোকে দুখ কৰিব, সেয়া জানিব পাৰিছো।" স্বাস্থ্যজ্ঞয় সম্পৰ্কীয় প্ৰশ্নৰ উত্তৰত অভিনেতাগৰাকীয়ে কয়, "আজিকালি অলপ ভাগৰ লাগে। ভাগৰ অনুভৱ কৰিলে কিছু সময় জিৰণি লওঁ, তাৰ পিছত পুনৰ কাম কৰোঁ। এতিয়া বিশেষ ডাঙৰ কাম কৰিব নোৱাৰা হৈছোঁ, কিন্তু সৰু সৰু কামৰ যোগেদি সমাজক সহায় কৰি যাম। কোনো পুৰস্কাৰ বা বঁটাৰ আশা মোৰ নাই।" অভিনেতাগৰাকীৰ প্ৰতি থকা মৰম-শ্ৰদ্ধাৰ পৰিপ্ৰেক্ষিতত সংগীত শিল্পী মাধৱ ৰঞ্জনে এই অপপ্ৰচাৰক ধিক্কাৰ জনাই কয়, "মই এই অপপ্ৰচাৰক তীব্ৰ ভাষাত ধিক্কাৰ জনাইছোঁ। বিষ্ণু খাৰঘৰীয়া দাদা যাতে মানসিকভাৱে ভাঙি নপৰে, তাৰ প্ৰতি সকলোৱে লক্ষ্য ৰাখক। অনুগ্ৰহ কৰি এনে ভুৱা বাতৰি ফেচবুকত শ্বেয়াৰ কৰি বিভ্ৰান্তি নাভগাব। এইবোৰ সম্পূৰ্ণ মিছা আৰু উদ্দেশ্যপ্ৰণোদিত অপপ্ৰচাৰ।" পদ্মভূষণ বঁটা সম্পৰ্কীয় ভুৱা বাতৰি আৰু মৃত্যুৰ অপপ্ৰচাৰে বিষ্ণু খাৰঘৰীয়াৰ বহু দিনৰ শুভাকাংক্ষী আৰু অনুষ্ঠান-অনুৰাগীসকলক হতবাক কৰিছে। অভিনেতাগৰাকীয়ে শেষত আটাইবোৰ জনসাধাৰণলৈ আহ্বান জনাই কয়, "অনুগ্ৰহ কৰি সামাজিক মাধ্যমত চলা এইবোৰ অপপ্ৰচাৰক গুৰুত্ব নিদিব। সত্য জানিবলৈ বিশ্বাসযোগ্য সংবাদ মাধ্যমৰ বাতৰিহে বৰণ কৰক।" ইফালে অভিনেতাগৰাকীৰ পৰিয়ালৰ সদস্য আৰু ঘনিষ্ঠ বন্ধুৱেও ইতিমধ্যে এই অপপ্ৰচাৰৰ বিৰুদ্ধে আইনী ব্যৱস্থা লোৱাৰ কথা চিন্তা কৰি থকা বুলি জানিব পৰা গৈছে।

# গুৱাহাটীত বিপ্লৱীসত্তা গোপাল দাস জন্ম শতবাৰ্ষিকী উদ্‌যাপন

### গীতিকাৰ-সুৰকাৰ ৰেণু দত্ত বৰফুকনলৈ বিপ্লৱীসত্তা গোপাল দাস স্মাৰক বঁটা প্ৰদান

### ধীৰেন শৰ্মা, কীৰ্তিকমল ভূঞা, পুতলী কায়স্থ আৰু ড° সীমা কাশ্যপলৈ বিপ্লৱীসত্তা গোপাল দাস বিশেষ সন্মান




**অসম বাৰ্তা, সোণাপুৰ, ২৪ জুন ঃ** কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ সংগ্ৰামী জীৱনৰ সতীৰ্থ, বিপ্লৱী সত্তা গোপাল দাসৰ জন্ম শতবাৰ্ষিকী অনুষ্ঠানটো আজি দিনযোৰা কাৰ্যসূচীৰে 'বিপ্লৱী সত্তা গোপাল দাস স্মৃতি ৰক্ষা সমিতি'ৰ উদ্যোগত গুৱাহাটীৰ দীঘলীপুখুৰীস্থিত অসম সাহিত্য সভাৰ সংগীতাচাৰ্য্য লক্ষ্মীৰাম বৰুৱা সদনত আয়োজন কৰা হয়। কাৰ্যসূচীৰ আৰম্ভণিতে পুৱা ১০ বজাত কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা, বিপ্লৱীসত্তা গোপাল দাস, সুধাকণ্ঠ ড° ভূপেন হাজৰিকা আৰু হিয়াৰ আমঠু জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰা হয়। অসম সাহিত্য সভাৰ প্ৰাক্তন ধনভঁৰালী মিহিৰ কুমাৰ বৰুৱাৰ সঞ্চালনাত আমন্ত্ৰিত কবিসকলৰ দ্বাৰা এক আকৰ্ষণীয় কবিতা পাঠৰ অনুষ্ঠান অনুষ্ঠিত হয়। ইয়াৰ পিছত বিয়লি ৩ বজাৰ পৰা আৰম্ভ হোৱা মূল সভাত বিপ্লৱীসত্তা গোপাল দাসৰ স্মৃতিত স্মাৰক বক্তৃতা প্ৰদান কৰে বিশিষ্ট সাহিত্যিক পৰমানন্দ মজুমদাৰে। স্মাৰক বক্তা মজুমদাৰে নিজৰ ভাষণত উল্লেখ কৰে যে গোপাল দাস আছিল প্ৰাক্-স্বাধীনতা আৰু স্বাধীনতা-উত্তৰ কালৰ অসম বুৰঞ্জীৰ এক বিপ্লৱ অধ্যায়ৰ অন্যতম বাৰ্তাবাহক। লগতে তেওঁ কয়-গোপাল দাসে নিপীড়িত আৰু বঞ্চিত মানুহৰ মুক্তিৰ স্বপ্ন দেখিছিল। তেওঁ সমাজৰ বিভিন্ন প্ৰান্তত ঘূৰি সাধাৰণ মানুহৰ দুখৰ সমভাগী হৈছিল আৰু শোষণ-লাঞ্ছনাৰ বিৰুদ্ধে প্ৰতিবাদৰ ধুমুহাৰ সৃষ্টি কৰিছিল। বিষ্ণুপ্ৰসাদ ৰাভাৰ এই গৰাকী সতীৰ্থই 'বিপ্লৱী কমিউনিষ্ট পাৰ্টি' (RCPI), 'নিখিল ভাৰত ছাত্ৰ ফেডাৰেচন' (AISF), 'ৰিভলিউশ্যনেৰী ছ'চিয়েলিষ্ট পাৰ্টি' (RSP) আৰু 'অসম প্ৰাদেশিক ছাত্ৰ ফেডাৰেচন'ৰ সক্ৰিয় সদস্য হিচাপে কাম কৰিছিল। পৰৱৰ্তী সময়ত তেওঁ বিভিন্ন কৃষক সংগঠনৰ সৈতেও ওতপ্ৰোতভাৱে জড়িত হৈ সমাজ পৰিৱৰ্তনৰ কামত ব্ৰতী হৈছিল বুলি উল্লেখ কৰে। অনুষ্ঠানৰ মাজতে বৈশালী কাশ্যপে বিষ্ণুপ্ৰসাদ ৰাভাৰ সংগীত পৰিবেশন কৰে। ভাৰতীয় জনতা পাৰ্টি অসম প্ৰদেশৰ উপ-সভানেত্ৰী ড° জুৰি শৰ্মা বৰদলৈয়ে এক মন্তব্যত সমাজৰ প্ৰতিজন দায়িত্বশীল ব্যক্তিক গোপাল দাসৰ দৰে বিপ্লৱী সত্তাক জীয়াই ৰাখিবলৈ সকলোকে আগবাঢ়ি আহিবলৈ আহ্বান জনায়। কামৰূপ মহানগৰ জিলাৰ সভাপতি প্ৰফুল্ল বৰ্মন উপস্থিত থকা অনুষ্ঠানটোত বিপ্লৱীসত্তা গোপাল দাস স্মাৰক বঁটা প্ৰদান কৰা হয় অসমৰ প্ৰথমগৰাকী মহিলা আৰক্ষী বিষয়া তথা ভ্ৰাম্যমাণ থিয়েটাৰৰ নেপথ্য কণ্ঠশিল্পী, গীতিকাৰ-সুৰকাৰ ৰেণু দত্ত বৰফুকনলৈ। লগতে ৰাজ্যখনৰ আন চাৰিগৰাকী বিশিষ্ট ব্যক্তি লেখক-সাহিত্যিক ধীৰেন শৰ্মা, গীতিকাৰ কীৰ্তিকমল ভূঞা, বিশিষ্ট লেখিকা পুতলী কায়স্থ, আৰোহণ আৰু আসাম পোষ্টৰ স্বত্বাধিকাৰী ড° সীমা কাশ্যপলৈ বিপ্লৱীসত্তা গোপাল দাস বিশেষ সন্মান প্ৰদান কৰা হব। অসম সাহিত্য সভাৰ গুৱাহাটী কাৰ্যালয়ৰ সম্পাদক ড° সঞ্জীৱ কুমাৰ শৰ্মা, এন এল পাব্লিকেশনৰ স্বত্বাধিকাৰ অলক অধিকাৰী, গোপাল দাস স্মৃতি ৰক্ষা সমিতিৰ মুখ্য ব্যৱস্থাপক বাবুল ৰাজবংশী, বিশিষ্ট চিত্ৰশিল্পী ধনঞ্জয় শৰ্মা, তথ্য প্ৰযুক্তিৰ আহ্বায়ক স্বৰ্গজ্যোতি চেতিয়া, অঞ্জনা গগৈ, ৰাহুল জ্যোতি বৰা, শুভ্ৰজ্যোতি চৰকাৰ উপস্থিত থকা অনুষ্ঠানটো সন্ধিয়া ৬-৩০ বজাত সাংস্কৃতিক কাৰ্যসূচীৰে অনুষ্ঠানৰ সামৰণি পৰে।

# হালোৱাটিঙত অবৈধ ড্ৰাগছ, সুৰা আৰু গৰু চিণ্ডিকেটৰ বিৰুদ্ধে অসমীয়া যুৱ মঞ্চ, অসমীয়া মহিলা মঞ্চৰ প্ৰতিবাদ

### পোন্ধৰ দিনৰ ভিতৰত ব্যৱস্থা নললে জংগী আন্দোলনৰ ভাবুকি

### ❒ জিলা আয়ুক্তলৈ স্মাৰক পত্ৰ ❒

**অসম বাৰ্তা, চেলেংহাট, ২৪ জুন ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এখন নিচামুক্ত অসম গঢ়াৰ সপোন দেখাৰ সময়তে শিৱসাগৰ জিলাৰ আমগুৰি-হালোৱাটিঙ অঞ্চলত অবৈধ নিচাযুক্ত দ্ৰব্য, গৰু আৰু সুৰাৰ ৰমৰমীয়া অবৈধ ব্যৱসায় চলি থকাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰি আজি অসমীয়া যুৱ মঞ্চ আৰু অসমীয়া মহিলা মঞ্চই অসম-নাগালেণ্ড সীমান্তৱৰ্তী হালোৱাটিঙৰ মাজমজিয়াত উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। সংগঠন দুটাৰ শতাধিক সদস্যই ড্ৰাগছ সৰবৰাহ বন্ধ কৰক, গৰু সৰবৰাহ বন্ধ কৰক, অবৈধ সুৰা সৰবৰাহৰ বন্ধ কৰক আদি শ্লোগানেৰে ৰাজপথ উত্তাল কৰে। উল্লেখ্য যে প্ৰতিবাদ কালত ৬১ নং ৰাষ্ট্ৰীয় ঘাইপথত যাতায়ত সম্পূৰ্ণৰূপে বন্ধ হৈ পৰে। প্ৰতিবাদৰ অন্তত সংগঠনটোৰ আমগুৰি আঞ্চলিক শাখাই হালোৱাটিং আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়াৰ যোগেদি শিৱসাগৰ জিলা আয়ুক্তলৈ এখন স্মাৰক পত্ৰ প্ৰেৰণ কৰে। আঞ্চলিক শাখাৰ মুখ্য উপদেষ্টা আকাশ শইকীয়া, সভাপতি প্ৰাঞ্জল হাজৰিকা, সাধাৰণ সম্পাদক অংকুৰ গগৈ, সহ সম্পাদক বিজয় দাস আৰু জিকু দাস স্বাক্ষৰিত স্মাৰক পত্ৰত সংগঠনটোৱে উল্লেখ কৰে যে চুবুৰীয়া ৰাজ্য নাগালেণ্ডৰ পৰা প্ৰতিদিনে ড্ৰাগছ, ভাং, কানিকে ধৰি বিভিন্ন নিচাযুক্ত দ্ৰব্য আৰক্ষী আৰু প্ৰশাসনক ফাঁকি দি অসমলৈ অবাধে সৰবৰাহ হৈ আহিছে। বিশেষকৈ ম্যানমাৰৰ পৰা নাগালেণ্ডৰ টুলি হৈ এই নিচাযুক্ত দ্ৰব্যসমূহ অসমলৈ প্ৰৱেশ কৰাৰ সন্দেহ প্ৰকাশ কৰা হৈছে। এই বিষবাষ্পই যুৱপ্ৰজন্মক ধ্বংসৰ দিশে ঠেলি দিছে বুলি স্মাৰকপত্ৰত উদ্বেগ প্ৰকাশ কৰা হয়। ইয়াৰ উপৰিও চৰকাৰে গো-সুৰক্ষাত গুৰুত্ব দিয়াৰ সময়তে এটা সংগঠিত চিণ্ডিকেটে প্ৰতিদিনে গাড়ীয়ে গাড়ীয়ে নাগালেণ্ডলৈ অবৈধভাৱে গৰু যোগান দি আহিছে বুলিও স্মাৰক পত্ৰত অভিযোগ তোলা হৈছে। একেদৰে হালোৱাটিঙৰ নামতি-বামুণপুখুৰী অঞ্চলৰ এখন বিশেষ বিলাতী সুৰাৰ বিপনীৰ পৰা অবৈধ অৰুণাচলী সুৰাৰ বটলৰ লেবেল সলনি কৰি অসম চৰকাৰক ৰাজহ ফাঁকি দি 'ড্ৰাই ষ্টেট' নাগালেণ্ডলৈ অবৈধ সুৰা যোগান দিয়া হৈছে বুলি গুৰুতৰ অভিযোগ উত্থাপন কৰা হৈছে। সংগঠনটোৱে জিলা আয়ুক্তৰ ওচৰত নিচাযুক্ত দ্ৰব্যৰ সৰবৰাহ শীঘ্ৰেই বন্ধ কৰা, গৰু আৰু সুৰাৰ অবৈধ চিণ্ডিকেটৰ বিৰুদ্ধে উচিত তদন্ত কৰি প্ৰকৃত দোষীক গ্ৰেপ্তাৰ কৰা আৰু অঞ্চলটোৰ সামাজিক পৰিৱেশ ৰক্ষাৰ বাবে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰাৰ দাবী জনায়। স্মাৰক পত্ৰৰ যোগেদি সংগঠনটোৱে আগন্তুক ১৫ দিনৰ ভিতৰত প্ৰশাসনক কঠোৰ পদক্ষেপ গ্ৰহণ কৰিবলৈ দাবী জনায়। নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত সঠিক পদক্ষেপ গ্ৰহণ নকৰিলে উঠি অহা প্ৰজন্মৰ ভৱিষ্যত সুৰক্ষিত কৰাৰ স্বাৰ্থত তেওঁলোক ৰাজপথলৈ ওলাই আহি গণতান্ত্ৰিক পন্থাৰে জংগী প্ৰতিবাদী কাৰ্যসূচী হাতত ল'বলৈ বাধ্য হ'ব বুলি সতৰ্ক কৰি দিয়ে।

# দৰঙৰ বিহাইগাঁও প্ৰাথমিক বিদ্যালয়ত জনস্বাস্থ্য সেৱা শিবিৰ

**অসম বাৰ্তা, পাথৰিঘাট, ২৪ জুন ঃ** দৰঙৰ ছিপাঝাৰ বিধানসভা সমষ্টিৰ বিহাইগাঁও প্ৰাথমিক বিদ্যালয় প্ৰাঙ্গণত দৰং জিলা পৰিষদৰ সদস্য প্ৰয়াত হেমন্ত কুমাৰ ডেকা সোঁৱৰণী ন্যাসৰ উদ্যোগত ১ লাখ জনসাধাৰণলৈ কল্যাণ কিৰণৰ সংকল্পৰে দৰং জিলা যুটীয়া স্বাস্থ্য সেৱা সঞ্চালকালয়ৰ সহযোগত আৰু দৰং কৰ্কট কেন্দ্ৰৰ তত্বাৱধানত "জনস্বাস্থ্য সেৱা শিবিৰ" অনুষ্ঠিত হয়। জনস্বাস্থ্য সেৱা শিবিৰটি উদ্বোধন কৰে দৰং কৰ্কট কেন্দ্ৰৰ চিকিৎসক ডাঃ ছহিদুল ইছলামে। কল্যাণ কিৰন দৰং জিলাৰ সমন্বয়ক দিলীপ কলিতাই কাৰ্যসূচীৰ আঁতধৰা সজাগতা সভা আৰু চিকিৎসা শিবিৰত উপস্থিত থাকি বক্তব্য আগবঢ়াই দৰং কৰ্কট কেন্দ্ৰৰ ৰোগী সমন্বয়ক নিৰঞ্জন শইকীয়াই। হেমন্ত কুমাৰ ডেকা সোঁৱৰণী ন্যাসৰ ন্যাসৰক্ষী তথা প্ৰয়াত হেমন্ত কুমাৰ ডেকা দেৱৰ পুত্ৰ কিশোৰী নন্দন ডেকাই জনস্বাস্থ্য সেৱা শিবিৰৰ উদেশ্য আৰু লক্ষ্যৰ লগতে ন্যাসৰ মহান পদক্ষেপ কল্যাণ কিৰণৰ বিষয়ে অৱগত কৰে। দুইশতাধিক ৰাইজৰ উপস্থিতিত ৰাইজক স্বাস্থ্য সেৱা আগবঢ়াই দৰং কৰ্কট কেন্দ্ৰৰ চিকিৎসক ডাঃ ছহিদুল ইছলাম, নাৰ্ছিং অফিছাৰ নয়না শৰ্মা, মিতালী ৰয় ৰ লগতে দৰং কৰ্কট কেন্দ্ৰৰ চিকিৎসক, নাৰ্ছ আৰু কৰ্মচাৰীৰ লগতে ন্যাসৰ অধীনত এটি চিকিৎসক দলে। লগতে উপস্থিত থাকি চিকিৎসা সেৱা আগবঢ়াই বিহাইগাঁও আয়ুস্মান আৰোগ্য মন্দিৰৰ স্বাস্থ্য কৰ্মী সব্যাৰতী ডেকা, স্বাস্থ্যকৰ্মী ৰেস্মা খাতুন, দুনী সামূহিক স্বাস্থ্য কেন্দ্ৰৰ স্বাস্থ্যকৰ্মী অৰূপ হাজৰিকা, ভেৰুৱাদল আয়ুস্মান আৰোগ্য মন্দিৰৰ স্বাস্থ্যকৰ্মী গোবিন্দ ডেকা, পাথৰিঘাট সামূহিক স্বাস্থ্য কেন্দ্ৰৰ স্বাস্থ্যকৰ্মী দিপুৰাজ নাথ, ফাৰ্মাচিছ মিথু নাথৰ লগতে আশাকৰ্মী, বিহাইগাঁও প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক শিক্ষয়ত্ৰী ৰ লগতে কল্যাণ কিৰণৰ বিষয়ববীয়াসকল। জনস্বাস্থ্য সেৱা শিবিৰত কৰ্কট ৰোগৰ সজাগতা, প্ৰখথমিক স্বাস্থ্য সেৱা, মুখৰ কেন্সাৰ, স্তন কেন্সাৰ, জৰায়ু মুখৰ কেন্সাৰ ৰ স্ক্ৰীনিং, ব্লাড পেচাৰ, চুগাৰ পৰীক্ষা কৰোৱাৰ লগতে কৰ্কট ৰোগৰ লক্ষণ, সাৱধানতা আদিৰ ওপৰত সজাগতামোলক কাৰ্যসূচী ৰূপায়ণ কৰে।

### "তহঁতক মহাপাপে চুব, এইবাৰ মিছা কথা কলে আল্লাই ক্ষমা নকৰিব" - বিধায়ক ৰমাকান্ত

# ভাৰতীয় জনতা পাৰ্টি, মৰিগাঁও জিলা সমিতিৰ উদ্যোগত লাহৰীঘাটত বিশাল যোগদান সভা

### "নৈৰাজ্যবাদীসকলে এনে পৰিৱেশ সৃষ্টি কৰিলে যে, অসমৰ উন্নতি নহওক" - মন্ত্ৰী পীযুষ হাজৰিকা



**অসম বাৰ্তা, ভূৰাগাঁও, ২৪ জুন ঃ** ভাৰতীয় জনতা পাৰ্টি, মৰিগাঁও জিলা সমিতিৰ উদ্যোগত আজি তিনিচুকীয়া ৰাজীৱ গান্ধী খেলপথাৰত অনুষ্ঠিত হয় এখন বৃহৎ যোগদান সভা। এই যোগদান সভাৰ জৰিয়তে মৰিগাঁও জিলাৰ কংগ্ৰেছৰ দূৰ্গ লাহৰীঘাটত আজি বিজেপিয়ে নগাঁও লোকসভা উপ -নিৰ্বাচনৰ যেন ৰনশিঙা বজালে। সভা খনত মুখ্য অতিথি মন্ত্ৰী পীযুষ হাজৰিকাৰ লগতে উপস্থিত থাকে দিছপুৰ সমষ্টিৰ বিধায়ক প্ৰদ্যুত বৰদলৈ, বৰহমপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামী, মৰিগাঁও সমষ্টিৰ বিধায়ক ৰমাকান্ত দেউৰী আদিৰ লগতে দলীয় নেতৃ স্থানীয় লোক সকল। এই যোগদান সভাত উপস্থিত থাকে ১৫ সহস্ৰাধিক লোক। সভাখনত আনুষ্ঠানিক ভাৱে দু শতাধিক কংগ্ৰেছ নেতা কৰ্মীক যোগদান কৰাই এক প্ৰকাৰ নগাঁও লোকসভা উপ-নিৰ্বাচনৰ ৰণডংকা বজালে বিজেপি দলে। লাহৰীঘাট সমষ্টিৰ তিনি জিলা পৰিষদৰ সদস্যৰ কংগ্ৰেছ দলৰ পৰা পদত্যাগ কৰি বিজেপিত যোগদান কৰে। সেই তিনি জিলা পৰিষদৰ সদস্য ক্ৰমে- লাহৰীঘাট জিলা পৰিষদৰ সদস্য আবু জহিৰ, ভূৰাগাঁও জিলা পৰিষদৰ সদস্য মোবাশ্বৰ আহমেদ আৰু মৈৰাবাৰী জিলা পৰিষদৰ সদস্যা পৰিমা খানম। উল্লেখ্য যে এই তিনিওজন জিলা পৰিষদৰ সদস্যই বিগত বিধান সভা নিৰ্বাচনত সাংসদ প্ৰদ্যুত বৰদলৈৰ লবিৰ কংগ্ৰেছী আছিল। ডাঃ আছিফ মহম্মদ নাজাৰৰ টিকট লাভৰ পাছতে প্ৰদ্যুত বৰদলৈয়ে দলত্যাগ কৰাৰ বিপৰীতে এই তিনি কংগ্ৰেছী জিলা পৰিষদৰ সদস্যই সমৰ্থন দিছিল এ আই ইউ ডি এফৰ প্ৰাৰ্থী ছিদ্দিক আহমেদক। কিন্তু বিধানসভা নিৰ্বাচনত ডাঃ আছিফ মহম্মদ নাজাৰে নিৰ্বাচিত হ'ল লাহৰীঘাটত। প্ৰদুৎ বৰদলৈৰ অবৰ্তমানত অকলশৰীয়া হোৱা তিনি বিসংবাদী জিলা পৰিষদৰ সদস্যয়ো প্ৰদ্যুত বৰদলৈৰ পদাংক অনুসৰণ কৰিয়ে আজি প্ৰায় তিনি শতাধিক দলীয় কৰ্মীক লগত লৈ বিজেপিত যোগদান কৰিলে। এই যোগদানে কংগ্ৰেছৰ সমান্তৰাল কৈ এ আই ইউ ডি এফৰ ভেটিতো মোক্ষম আঘাত হানিব বুলি অনুমান কৰা হৈছে। বৃহৎ যোগদান সভা খনত অংশ গ্ৰহণ কৰি মন্ত্ৰী পীযুষ হাজৰিকাই তুলা ধুনা দিয়ে বিধায়ক আছিফ মহম্মদ নাজাৰক। তেওঁ নাজাৰক সকিয়নী দি কয় যে এই বাৰ নাজাৰে মুখ্যমন্ত্ৰীলৈকো আঙুলি টোৱাঁইছে। ইয়াৰ ফল ভোগ কৰিব লাগিব নাজাৰে। ডাঃ আছিফ মহম্মদ নাজাৰৰ গুণ্ডাবাহিনীৰ গুণ্ডাৰাজ বা দালালৰাজ নচলিব বুলি সকিয়াই দিয়ে মন্ত্ৰী গৰাকীয়ে। ইফালে সাংবাদিকে জাপানৰ প্ৰধানমন্ত্ৰীৰ অসম ভ্ৰমণ বাতিল সন্দৰ্ভত কৰা প্ৰশ্নৰ উত্তৰত তেওঁ কয় আক্ষেপেৰে কয়, নৈৰাজ্যবাদী সকলে অসমত এনে এটা পৰিবেশ সৃষ্টি কৰিলে যাতে অসমৰ উন্নতি নহ'য়। এই অসমৰ উন্নতি এচামে নিবিচাৰে। যি সকলে অসমত থাকি চিনক সমৰ্থন কৰে। যি ভাৰত বৰ্যক বেয়া পায়, অসমক বেয়া পায়, তেওঁলোকে এনে এটা পৰিবেশ সৃষ্টি কৰিছে যাতে বাহিৰৰ মানুহ অসমলৈ আহিব ভয় কৰে, তেনে এটা পৰিবেশ সৃষ্টি কৰিলে। গতিকে এনে কু-অভিসন্ধি ৰচনা কৰা সকলক ভগবানে সুমতি দিয়ক। তেওঁ কয়, জাপানৰ প্ৰধানমন্ত্ৰীৰ সৈতে এটা বৃহৎ দল অসমলৈ অহাৰ কথা আছিল। যাপনৰ প্ৰধানমন্ত্ৰীৰ অসমৰ কাৰ্যসূচী বাতিল হোৱাত অসমৰ বহুত ক্ষতি হ'ল। আটাইতকৈ বেছি মৰিগাঁও জিলাক ক্ষতি কৰিলে ইয়াৰ দিবাৰা। কিন্তু তথাপি উন্নয়নৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কোনো ধৰণৰ কম্প্ৰমাইজ নকৰে। যিমানেই প্ৰত্যাহ্বান নজনাওক আমি উন্নয়নৰ কাম আৰু বেছি কৈ বেছি কৰিম। এনেদৰে কয় মন্ত্ৰী গৰাকীয়ে। ইফালে লাহৰীঘাট সমষ্টিৰ উন্নয়নৰ প্ৰসঙ্গত তেওঁ কঠোৰ ভাষাৰে কংগ্ৰেছক সমালোচনা কৰি কয়, এই সমষ্টিটোত স্বাধীনতাৰ ৭৫ বছৰত এটা দলে ১৫ কিলোমিটাৰ মথাউৰী নিৰ্মাণ কৰি দিব নোৱাৰিলে। ৭৫ বছৰৰ ৪৭ বছৰ লাহৰীঘাটৰ এটা পৰিয়ালে দখলত ৰাখিছে সমষ্টি টো। কিন্তু হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ দিনত ৭৫ বছৰত সমষ্টি টোত কংগ্ৰেছে কৰিব নোৱাৰা কাম বিজেপিয়ে কৰি দেখুৱালে। আগন্তুক নগাঁও লোকসভাৰ উপ-নিৰ্বাচনত বিজেপিৰ প্ৰাৰ্থীক ভোট দিলে আৰু কাম কৰিব বুলি তেওঁ কয়। ইফালে প্ৰদ্যুত বৰদলৈয়ে ভাষণ প্ৰসঙ্গত কয় মই মই কোনো পূৰ্ব স্বৰ্ত নোহোৱাকৈ বিজেপিত যোগদান কৰিছো। হিমন্ত বিশ্ব শৰ্মাৰ প্ৰশংসাত পঞ্চমুখ হৈ পৰি বৰদলৈয়ে কয় হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ দিনত সুযোগ-সুবিধা বিতৰণ কৰোঁতে হিন্দু মুছলমান বুলি ভেদভাৱ কৰা নাই। আৰু আমাৰ সংখ্যালঘু ভোটাৰ সকলে ৰাজ্যৰ বিত্তিয় শ্ৰীবৃদ্ধিৰ কাৰণে শ্ৰম কৰি আহিছে। ইফালে বিধায়ক ৰমাকান্ত দেউৰীয়ে স্বভাৱ সুলভ ভাৱে কয়, সভালৈ অহাৰ আগতে মোক বহুতে কৈছে যে এইবোৰ সভাৰ পৰা একো লাভ নহব। বিজেপিৰ সভালৈ লাহৰীঘাটৰ ৰাইজ আহিব, মানুহো হব কিন্তু ভোট নিদিব। আগতো বহুবাৰ টেঙা আম বেছিছে। এইবাৰো থাকে কৰিব। ভোট দিম বুলি ২০১৪ত নিদিলে, ২০১৬ত নিদিলে, ২০ ২১লৈ অপেক্ষা কৰিলো তাতো কাম নহ'ল। শেষত ২০২৬ত লাহৰীঘাট বাসীয়ে কলে ভোট দিমেই। মিটিং কৰিলে জাকে জাকে মুছলমান ভোটাৰ আহে। ৰিজাল্টৰ সময়ত কৰবাত ২০টা কৰবাত ২৫টা ভোট পোৱা যায়। তেওঁ কয়, সেই বাবে তহঁতক ভয়েই লাগে। দেউৰিয়ে মঞ্চৰ পৰাই উপস্থিত ভোটাৰক মুকলিকৈ সোধে - আকৌ আমাক ঠগিব বিছাৰিছ নেকি। সচা কথা ক। দিলে দিম বুলি ক নিদিলে নিদিও বুলি ক। সচা নে মিছা ক। এইবাৰ যদি ভোট নিদিয় তেন্তে তহঁতক মহা পাপে চুব, মিছা কথা কলে আল্লাই ক্ষমা নকৰিব। এনেদৰে হঁাহিৰ চলেৰে ৰমাকান্ত দেউৰীয়ে ভোটাৰ সকলক একপ্ৰকাৰ বিগত নিৰ্বাচন সমূহৰ বঞ্চনাৰ কথা সোঁৱৰাই দিয়ে।

### দুৰ্নীতিৰ বিৰুদ্ধে শূন্য সহনশীলতা

# বন মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাৰ বন বিভাগলৈ নতুন দিশ নিৰ্দেশ প্ৰদান

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৪ জুন ঃ** বনমন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই সোমবাৰে কয় যে সততা, স্বচ্ছতা আৰু দক্ষতা এতিয়া ৰাজ্যৰ বন বিভাগৰ মূল আদৰ্শ হ'ব। খানাপাৰা অসম প্ৰশাসনিক কৰ্মচাৰী মহাবিদ্যালয়ত অনুষ্ঠিত সকলো আঞ্চলিক বন সংমণ্ডলৰ পৰ্যালোচনা সভাত সভাপতিত্ব কৰি তেওঁ এই কথা কয়। মন্ত্ৰীগৰাকীয়ে বিভাগটোৰ সফলতাক স্বীকৃতি দিয়ে, য'ত বনভূমি সুৰক্ষিত কৰা আৰু চৰকাৰৰ বনাঞ্চল বেদখল অভিযানত বিভাগটোৰ সক্ৰিয় ভূমিকা গুৰুত্বপূৰ্ণ আছিল। তেওঁ বিষয়া আৰু ফ্ৰণ্টলাইন জোৱানসকলক প্ৰশংসা কৰাৰ লগতে একে পেছাদাৰী মনোভাৱেৰে অসমৰ প্ৰাকৃতিক সম্পদৰ সুৰক্ষা অব্যাহত ৰাখিবলৈ আহ্বান জনায়। দুৰ্নীতিৰ বিৰুদ্ধে কঠোৰ স্থিতি প্ৰকাশ কৰি জয়ন্ত মল্ল বৰুৱাই কয় যে বদলি আৰু নিযুক্তিৰ সৈতে সম্পৰ্কিত যিকোনো ধৰণৰ দুৰ্নীতিপূৰ্ণ আচৰণ সহ্য কৰা নহ'ব। তেওঁ ৰাজনৈতিক নেতা বা জ্যেষ্ঠ বিষয়াসকলৰ নামত ধন দাবী বা গ্ৰহণ নকৰিবলৈ বিষয়া, কৰ্মচাৰী আৰু মধ্যস্থতাকাৰী সকলক সতৰ্ক কৰি দিয়ে। ইয়াৰ সৈতে জড়িত থকাসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি উল্লেখ কৰে মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই। দিনজোৰা বৈঠকত ৰাজহ বৃদ্ধি ব্যৱস্থা, প্ৰণালীবদ্ধ প্ৰত্যাহ্বান চিনাক্তকৰণ, অপচয় বন্ধ কৰা আৰু বিভাগসমূহৰ মাজত সমন্বয় উন্নত কৰাৰ ওপৰত বিস্তৃত আলোচনা কৰা হয়। মন্ত্ৰী গৰাকীয়ে কয় যে বিভাগটোৱে এক ফলাফলমুখী দৃষ্টিভংগী গ্ৰহণ কৰি অসমৰ বনজ সম্পদৰ সম্পূৰ্ণ সম্ভাৱনীয়তা মুকলি কৰিব লাগিব, একে সময়তে সংৰক্ষণ আৰু পৰিৱেশ সুৰক্ষাৰ দায়িত্ব বাহাল ৰাখিব লাগিব। জয়ন্ত মল্ল বৰুৱাই লগতে উল্লেখ কৰে যে দক্ষ ব্যৱস্থাপনা, উন্নত স্বচ্ছতা আৰু কঠোৰ প্ৰয়োগৰ জৰিয়তে বিভাগটোৱে ৰাজহ যথেষ্ট বৃদ্ধি কৰিব পাৰে। এই অতিৰিক্ত উপাৰ্জন ৰাজ্যখনৰ উন্নয়নৰ অগ্ৰাধিকাৰক সমৰ্থন কৰাৰ বাবে ব্যৱহাৰ কৰিব পাৰি, যেনে নতুন চিকিৎসা মহাবিদ্যালয় স্থাপন। বৈঠকত কৰ আৰু পৰিবহণ বিভাগৰ সৈতে পাৰস্পৰিক সমন্বয়ৰ জৰিয়তে চৰকাৰৰ ৰাজহ বৃদ্ধিৰ বাবে এক যৌথ কৌশল প্ৰণয়নৰ সন্দৰ্ভত আলোচনা কৰা হয়। সামৰণিত মন্ত্ৰীগৰাকীয়ে সকলো বিষয়া আৰু কৰ্মচাৰীক সততা আৰু সেৱাৰ অনুশাসন অনুসৰণ কৰিবলৈ, বদলি গ্ৰহণ কৰিবলৈ, দুৰ্নীতিৰ প্ৰতিবেদন দিবলৈ দ্বিধাবোধ নকৰিবলৈ আৰু সততা, দক্ষতা আৰু ৰাজহুৱা সেৱাৰ জৰিয়তে বন বিভাগৰ সুনাম বজাই ৰাখিবলৈ নিৰ্দেশ প্ৰদান কৰে।

# ডিব্ৰুগড়ত সদৌ অসম লেখিকা সমাৰোহৰ ষড়ানন বৰঠাকুৰ সোঁৱৰণী বঁটা প্ৰদান

### ৰেণু ফুকনক সু-সংগঠক বঁটা

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২৪ জুন ঃ** ডিব্ৰুগড়ত সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ মুখ্য পৃষ্ঠপোষক, বিশিষ্ট নৃত্যশিল্পী ষড়ানন বৰঠাকুৰ সোঁৱৰণী সুসংগঠক বঁটা প্ৰদান অনুষ্ঠান ডিব্ৰুগড়ৰ বৰপথাৰ কুমাৰণীছিগা শাখাৰ আতিথ্যত অনুষ্ঠিত হয়। কেন্দ্ৰৰ সম্পাদিকাই আঁত ধৰা অনুষ্ঠানত সভানেত্ৰী পুষ্পা গগৈ আৰু জিলা সভানেত্ৰী ড° প্ৰাতসলতা বুঢ়াগোহাঁয়ে পতাকা উত্তোলন কৰাৰ পিছতে স্মৃতি তৰ্পণ কৰে উপদেষ্টা সুবৰ্ণ শইকীয়া বৰদলৈয়ে। স্মৃতি তৰ্পণ কৰে মাজুলীৰ মন্দাকিনী মিনতি শইকীয়া, কাৰ্য্যকৰী সভাপতি দিপালী দত্ত শইকীয়া, প্ৰকাশন সচিব ড° জুনু মহন্ত আৰু বিভিন্ন জিলাৰ পৰা অহা কেন্দ্ৰীয় বিষয়ববীয়া আৰু বিভিন্ন শাখাৰ সদস্যা সকলে। সভানেত্ৰী পুষ্পা গগৈৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভা উদ্বোধন কৰে উপদেষ্টা ড° ভাৰতী দত্তই। জিলাৰ সভানেত্ৰী ড° প্ৰাতসলতা বুঢ়াগোহাঁয়ে আদৰণি ভাষণ প্ৰদান কৰা সভাত উপস্থিত থাকে বিশিষ্ট অতিথি কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়া, জ্যেষ্ঠ শ্ৰীসন্মান প্ৰাপক ডাঃ বিপিন্দ্ৰ নাথ কাকতি, মনোহাৰী দেৱী কানৈ মহাবিদ্যালয়ৰ প্ৰাক্তন উপাধ্যক্ষা ড° মানসী শৰ্মা, অসম আদিত্য কাকতৰ সম্পাদক, বিশিষ্ট সাংবাদিক মনজিৎ বৰা আৰু অনিৰুদ্ধদেৱ কনিষ্ঠ মহাবিদ্যালয়ৰ অধ্যক্ষ ভূষণ জ্যোতি সন্দিকৈ। এগৰাকী বঁটা প্ৰাপক গোৱালপাৰাৰ গীতা দাস অসুস্থতাৰবাবে অনুপস্থিত থাকে। বিভিন্ন জিলাৰ পৰা প্ৰায় দুই শতাধিক লেখিকা উপস্থিত থকা অনুষ্ঠানত ডিব্ৰুগড়ৰ ৰেণু ফুকনক "সুসংগঠক বঁটা" প্ৰদান কৰা হয়। ৰেণু ফুকনে বঁটা গ্ৰহণ কৰাৰ সময়ত তেখেতক সংগ দিয়ে ডিগবৈ মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ সহযোগী অধ্যাপিকা, তেখেতৰ কন্যা বেবী ৰিতু ফুকন আৰু পৰিয়ালৰ সদস্য সকলে। মনোমতী কুৰ্মী আৰু আইমনী ভূঞাই সম্পাদনা কৰা লেখিকা সমাৰোহৰ কাব্য সংকলন 'স্কনাভ' উন্মোচন কৰে অসম আদিত্য কাকতৰ সম্পাদক মনজিৎ বৰাই। জ্যোতি বৰুৱাই প্ৰকাশ কৰা অন্যখন গ্ৰন্থ 'চিন্তাৰ সুৰভি' উন্মোচন কৰে ড° ইন্দিৰা বৰুৱাই। সভাত নৱনিৰ্বাচিত সভাপতি, সম্পাদকক সম্বৰ্ধনা জ্ঞাপন কৰে ডিব্ৰুগড় জিলাৰ লগতে শাখা সমূহেও। জিলা সম্পাদিকা বিবি বড়াই শলাগৰ শৰাই আগবঢ়ায়।

### ❒ বৰপেটাৰোডৰ হৰতকিতলাত দিনদুপৰীয়াই হত্যাকাণ্ড ❒

# ৰাজপথত পত্নীক দাৰে ঘপিয়াই হত্যা কৰি আৰক্ষীৰ জালত পাষাণ স্বামী শিবু সাহা

**অসম বাৰ্তা, বৰপেটাৰোড, ২৪ জুন ঃ** বৰপেটাৰোডৰ হৰতকিতলাত আজি দিন দুপৰীয়াই সংঘটিত এক লোমহৰ্ষক হত্যাকাণ্ডই সমগ্ৰ অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। হৰিতকীতলা অঞ্চলত এগৰাকী পাষাণ স্বামীয়ে নিজ পত্নীক ৰাজপথৰ মাজতে চোকা দাৰে ঘপিয়াই অতি নৃশংসভাৱে হত্যা কৰে। প্ৰাপ্ত খবৰ অনুসৰি, শিবু সাহা নামৰ এজন ব্যক্তিয়ে নিজ পত্নী মুক্তি সাহাক জনাকীৰ্ণ পথৰ মাজতে আক্ৰমণ কৰে। হাতত এখন চোকা দা লৈ শিবুৱে পত্নী মুক্তি সাহাৰ ওপৰত জঁপিয়াই পৰে। গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত মহিলাগৰাকীৰ থিতাতে মৃত্যু ঘটে। হত্যাকাণ্ড সংঘটিত কৰাৰ পিছত অভিযুক্ত শিবু সাহাই ঘটনাস্থলীৰ পৰা পলায়ন কৰিবলৈ চেষ্টা চলায়। ঘটনাৰ খবৰ পোৱাৰ লগে লগে বৰপেটাৰোড আৰক্ষীৰ এটা দল ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰাৰ লগতে হত্যাকাৰীক ধৰিবলৈ অভিযান আৰম্ভ কৰে যদিওঁ অৱশেষত হত্যাকাৰী শিবু সাহাই আত্মসমৰ্পণ কৰে। অৱশ্যে কি কাৰণত শিবু সাহাই এই চৰম আৰু নৃশংস পথ বাছি ল'লে, সেই বিষয়ে এতিয়ালৈকে সঠিককৈ জানিব পৰা হোৱা নাই। ইয়াৰ আঁৰত কি ৰহস্য আছে, সেই সন্দৰ্ভত আৰক্ষীয়ে বৰ্তমান তদন্ত অব্যাহত ৰাখিছে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☎ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • • Facebook : \asombarta • • Instagram : \asom_barta •
• সম্পাদক ঃ তনয় বৰা • মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন